## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkata (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: . 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৭/২ সপ্তম খণ্ড

দ্বিতীয় সংখ্যা


| বিষয় | পিঠি |
|---|---|
| ব্ৰহ্মসূত্ৰ সঙ্গীত | ৫৭ |
| সম্পাদকৰ চৰা | ৬০ |
| বৈষ্ণৱ বা মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰ | ৬২ |
| সৰগ আৰু মৰত | ৮০ |
| স্বৰ্গীয় আনন্দৰাম জোচী | ৮২ |
| কৃষ্ণাবৰ বৰুৱাৰ হাতত বিষ | ১০০ |
| বাটি- চৰা | ১০৮ |

# ব্রহ্মপুত্র সঙ্গীত।

( কীৰ্ত্তনৰ সুৰ )*

( ১ )

লুইত হেৰা! তুমিয়েই নে
সেই লৌহিত্য নইখনি?
যাৰ বহল বুকত নির্ম্মল জলত
স্নানিছিল বশিষ্ঠ মুনি।

( ২ )

গোকর্ণ গাৰৰ ঋষি,
অসংখ্য তাপস তাপসী,
( যাৰ ) পাৰত বহি আশ্রম পাতি
কৰিছিল সামবেদ ধ্বনি।

( ৩ )

লক্ষীকান্ত অশ্বক্লান্ত
জিৰাই গুচাইছিল শ্রান্ত
তোমাৰ পাৰত বহি, তুমি
ধুৱাইছিলা পাৱ দুখনি।

( ৪ )

ষোল হেজাৰ ৰাজকন্যা
ৰূপে গুণে মহা ধন্যা,
তোমাৰ পাৰত প্রাগ্জ্যোতিষত
থৈছিল নে নৰকে আনি?

* "যমুনে এইকি তুমি সেই যমুনে প্রবাহিনী" গানৰ সুৰ।

যাৰ চকুলোৰ বাতৰি লৈ
(তুমি) দ্বাৰকাত দিলা জাননী।

( ৫ )

কোৱাঁ হেৰা নদবৰ,
প্ৰাগ্‌জ্যোতিষ নগৰৰ
মহাৰজা ভগদত্তৰ কি বীৰত্ব কি কাহিনী?
(যাৰ) ৰণৰ ভৰত কুৰুক্ষেত্ৰত কঁপিছিল এই মেদিনী।

( ৬ )

আবেলিৰ মলয়া বলি,
তোমাৰেই বুকুত চলি,
সোণৰ বঠা, ৰূপৰ নাও
বাইছিল টুলুংবুলু ৰাজনন্দিনী।
(যাৰ) ঘাম-বিন্দু জল-বিন্দু কপালত যেন মুক্তামণি।

( ৭ )

সৰগৰ সেই অপেশ্বৰী
তিলোত্তমা বিদ্যাধৰী,
উৰ্ব্বশী ৰম্ভাৰে সৈতে ক্ৰীড়িছিল তোমাৰেই পানী।
তোমাৰ প্ৰেমৰ পাশত নদ, উৰ্ব্বশী হল বন্দিনী।

( ৮ )

দক্ষৰ দুহিতা সতী,
শিৱ যাৰ প্ৰাণপতি,
স্বামী নিন্দাত প্ৰাণ ত্যজে ইয়াতেই নে দাক্ষায়ণী?

( ৯ )

ইয়াতেই কি মদন ভস্ম?
কাম ইয়াতেই নে চস্ম?
ইয়াতেই নে উষাদেবী কৰিছিল প্ৰেম-বীণাধ্বনি?
(যাৰ) আবাহনত অনিৰুদ্ধৰ প্ৰেমাবদ্ধ হৃদয়খনি।



( ১০ )

কোনটি কুম্ভ্ৰাক্ষৰ ছিদ্ৰ?
অন্তেষপুৰৰ প্ৰেমছিদ্ৰ।
ভ্ৰমৰৰূপী চিত্ৰলেখা উষা সুন্দৰী সঙ্গিনী;
দেখাই দিয়াঁ ব্ৰহ্মপুত্ৰ, সেই লীলা-তৰঙ্গিনী।

( ১১ )

গৌৰী উমা গিৰিসুতা,
মেনকাৰ প্ৰাণ-দুহিতা,
তোমাৰ পাৰৰ পৰ্ব্বততে পূজিছিল নে হৰক ধনী?
(যাৰ) ৰূপ বৰ্ণনাত কালিদাসৰ উপমাই নেপায় থাউনি।

( ১২ )

তোমাৰেই গৰ্ভত নে নদ!
মোগলৰ নৌ-সেনা হত?
ৰাম সিংহৰ বিজয় চূড়া পৰিল নে খহি ধৰণী?

( ১৩ )

কায়স্থ কুল-নন্দন,
আসামৰ হৃদি ৰতন,
শঙ্কৰদেৱক তুলি তুমি দিলা নে ধৰ্ম্মজীৱনি?
(যাৰ) কৰুণ প্ৰেমে শুকান আসাম ঢৌৱালে দি শান্তিপানী।

( ১৪ )

কোৱাঁ হেৰাঁ বিচক্ষণ
শাস্ত্ৰজ্ঞ কুল-নন্দন,
তোমাৰ তীৰত মাধৱদেৱে ৰচিছিল নে ঘোষাখনি?
(আৰু) তোমাৰ তীৰত শঙ্কৰেৰে মাধৱৰ হৈছিল মিলনি?

( ১৫ )

শুনা হেৰা ব্ৰহ্মপুত্ৰ,
সোণ-আসামৰ প্ৰাণ-চিত্ৰ,
(যেন) খেলাৰ শেষত তোমাৰ বুকুত

মাৰ যায় মোৰ জীৱন-তৰণী।
লুইত হেৰা! তুমিয়েই নে
সেই লৌহিত্য নৈখনি?

শ্রীলক্ষ্মীনাথ বেজবৰুৱা।

---

## সম্পাদকৰ চৰা।

ঈশ্বৰ সৰ্ব্বব্যাপক, মহান্, অসীম, অনন্ত। কিন্তু ঈশ্বৰক উপভোগ কৰিবলৈ হলে, ঈশ্বৰেৰে সৈতে ঘনিষ্ঠতা কৰিবলৈ হলে, অকল এই ভাবে আমাৰ কাম নচলে। অসীম ঈশ্বৰক আমাৰ উপভোগৰ নিমিত্তে কিছুদূৰ সসীম কৰি লব লাগিব নতুবা আমাৰ পক্ষে সেই ঈশ্বৰ অৰ্থশূন্য, সেই ঈশ্বৰ বেদান্ত দৰ্শনৰ সূত্ৰ বা ন্যায়ৰ এটা তৰ্ক মাথোন হৈ থাকিব, সি আমাৰ ভোক পিয়াহ নুগুচায়, মনত শান্তি নিদিয়ে,গুকান ডিঙি নিতিয়ায়। তেতিয়া সেই মহান, অনন্ত, সৰ্ব্বব্যাপক বিভু বিভুৰেই হৈ বল, Practically তেওঁ আমাৰ কামত নালাগিল। সেই অকুল অনন্ত অসীম ব্ৰহ্ম আমাৰ নিমিত্তে অকুল অনন্ত লোণ-সাগৰৰ নিচিনা; সি আমাক পিয়াহত পানী দি তৃপ্ত কৰিব নোৱাৰিলে; আমি সসীম সাগ্ৰ নৈ পুখুৰী নাদলৈ হে পিয়াহ গুচাবলৈ যাব লাগিব। এইবাবে আমাক Personal God লাগে, অৰ্থাৎ এজন এনে ঈশ্বৰক লাগে, যি ভয়ঙ্কৰ নহয়, যি শান্ত শিব সুন্দৰ, যাৰ প্ৰেমময় মুখ দেখি আমি মনত শান্তি, হিয়াত বল পাম, ভয়ত তেওঁৰপৰা আঁতৰি পলাই নেযাওঁ। যাৰ— "প্ৰেমমুখ দেখবে তাঁহাৰ। শুভ্ৰ সত্যস্বৰূপ নাহি উপমা তাঁৰ। যায় শোক, যায় তাপ, যায় হৃদয় ভাৰ; সৰ্ব্ব সম্পদ তাঁহে মিলে, যখন থাকি তাঁৰ সাথ।" এনে এজনক লাগে যাৰ চৰণ-পঙ্কজত আমি ভক্তিভাৱেৰে সেৱা কৰি সুখ পাম; যাৰ অৰুণ চৰণৰ ছাঁত মূৰটো থৈ জিৰণি লৈ নিজক ধন্য কৰিম। যাৰ পাদ-পদ্মক আশ্ৰয় কৰি সংসাৰৰ দুখ ভয় গুচাম—

"কৃষ্ণ পাদ-পদ্ম ভৈল যাহাৰ আশ্ৰয়।
তাহাৰেসে গুচয় নিঃশেষ দুখ ভয়॥"—ঘোষা।

আমি মানুহ, মানুহৰ ইচ্ছা, আকাঙ্ক্ষা, প্ৰবৃত্তি, প্ৰকৃতি, এইবোৰ যত স্থাপনা কৰিলে চৰিতাৰ্থ হয়, তেনেকুৱাজন ঈশ্বৰত হে আমাৰ মনুষ্যত্ব চৰিতাৰ্থ হব,



তেনেজনক পাই আৰু দেখি হে আমাৰ মানৱীজনম সাফল হব; সৰ্ব্ব-বিশ্বব্ৰহ্মাণ্ডব্যাপক বিভু যি আমাৰ অন্তৰে বাহিৰে সকলোতে ব্যাপ্ত হৈ আছে, সেই ঈশ্বৰক যদিও আমি সেই বিভুতিযুক্ত বুলি জানিছোঁ, কিছুদূৰ অনুভৱও কৰিছোঁ, তথাপি সেই ব্যাপক অনন্ত বিভু আমাৰ পূৰ্ণ উপভোগ, পূৰ্ণ চৰিতাৰ্থতাৰ বিষয় যে নহয় আৰু হোৱাটো কাৰ্য্যত এক প্ৰকাৰ অসম্ভৱ, এই কথা, যদি আমি Honest হওঁ, Sincere হওঁ, নিজেকে নিজে Deceit কৰা ফাকি দিয়া নহওঁ, অৰ্থাৎ যদি আমি সঁচাকৈ নিভাঁজকৈ আত্মপ্ৰতাৰণা নকৰাকৈ সৈকাৰোঁ, তেন্তে কৰই লাগিব, ইফাল-সিফাল কৰিব নোৱাৰোঁ। ধৰিব নে ৰবা, ছুব নোৱৰা, অনন্ত নিৰাকাৰ ঈশ্বৰক উপভোগ কৰাটো দুজন চাৰিজন যোগী পুৰুষৰ ভাগ্যত কেতিয়াবা কাচিৎ ঘটিলেও (যদিও সেইটো সন্দেহৰ কথা) সৰ্ব্বসাধাৰণৰ পক্ষে যে সেই ভাব কবিতাৰ কল্পনাৰ নিচিনা হে আৰু সি কিছুমান শব্দৰ সমষ্টি হে তাৰ ডাঠি কব পাৰি। ঈশ্বৰৰ সেই অনন্ত নিৰাকাৰ চৰাচৰ ব্যাপ্ত বিৰাট ভাব নিশ্চয় নিশ্চয় আমি লক্ষ কোটীবাৰ মানিও জানিও, শেহত অৰ্জ্জুনৰ দৰে ঈশ্বৰৰ চৰণত কাকুতি কৰি কম—প্ৰভু তুমি আমাৰ আগত তোমাৰ সেই আমাৰ চিনাকী ৰূপটিৰে থিয় হোৱাঁ। যিটিত আমি তোমাক আমাৰ নিজৰ পিতা বা মাতা, বা সুহৃদ, সোদৰ, বন্ধুজনৰ সাদৃশ্য চাক্ষুষ দেখি তোমাক তেনেকুৱা বুলি সহজভাৱে সহজ জ্ঞানেৰে চিনি পাম, প্ৰীত কৰি মনত শান্তি আৰু সন্তোষ পাম; তোমাৰ বিশ্বৰূপ বিৰাটৰূপ বা অৰূপ বা ভয়ঙ্কৰ ৰূপ দেখি আমি তাক তুমি আমাক দিয়া ক্ষমতাৰে তো উপভোগ কৰাটো দূৰৰ কথা, ভয়ত থৰথৰ কৰে কঁপি মৰিছোঁ।

"নভস্পৃশং দীপ্তমনেক বৰ্ণং ব্যাত্তাননং দীপ্ত বিশালনেত্ৰম্।
দৃষ্ট্বা হি ত্বাং প্ৰব্যথিতান্তৰাত্মা ধৃতিং ন বিন্দামি শমঞ্চ বিষ্ণো।
দংষ্ট্ৰাকৰালানি চ তে মুখানি দৃষ্ট্বৈৱ কালানল সন্নিভানি।
দিশো ন জানে ন লভেচ শৰ্ম্ম প্ৰসীদ দেবেশ জগন্নিবাস॥

• • •

অদৃষ্টপূৰ্ব্বং হৃষিতোঽস্মি দৃষ্ট্বা ভয়েন চ প্ৰব্যথিতং মনোমে।
তদেব মে দৰ্শয় দেব ৰূপং প্ৰসীদ দেবেশ জগন্নিবাস॥" গীতা।

মাখন গোটেই গাখীৰতে ব্যাপ্ত, গাখীৰৰ অণুপৰমাণুৱে ওতঃপ্ৰোত ; কিন্তু সেই মাখন উপভোগ কৰিবলৈ হলে তাক মথি গাখীৰৰপৰা সুকীয়াকৈ উলিয়াই লব নালাগিব নে ? গোটেই বিশ্বজগৎ ব্যাপ্ত ঈশ্বৰকো উপভোগৰ বস্তু কৰিবলৈ হলে তেওঁক গাখীৰৰপৰা মাখন অকৰ্ষণ কৰি উলিয়াই লোৱাৰ দৰে আকৰ্ষণ কৰি মদনমোহন মধুৰ "শ্যাম মূৰতি পীত অম্বৰ লাসা। নয়ন-পঙ্কজ জ্যোতি ঈষত হাসা॥" কৰি আমাৰ আগত থিয় কৰিব লাগিব যাৰ পদপঙ্কজত দুবটি থৈ আমাৰ ভক্তি পুষ্পাঞ্জলি প্ৰদান কৰিব পাৰিম। হে হৰি ! তুমিয়েই অনন্ত সমুদ্ৰ,সেই সমুদ্ৰ মথি আমি অমৃত উলিয়াই আমাক অমৰ দেৱতা হবলৈ দিয়া,বেয়াকৈ মথি বিহ উলিয়াই যেন আমি অসুৰ নহওঁ,এইটো আমাক অনুগ্ৰহ কৰা প্ৰভু ! গুৱালে গাইৰ পতি কৰে, গুৱালনীয়ে গাইৰ গাখীৰ মথি লৱণু মাখন উলিয়াই লোকক দি নিজেও খাই পৰম তৃপ্ত হয়। হৰিৰ ভকতেও সেইদৰে বিৰাট বিশ্বব্ৰহ্মাণ্ডৰূপী ঈশ্বৰক ভক্তিৰ মথনি-দণ্ডেৰে মথি তাৰপৰা আকৰ্ষণ কৰি নিজৰ আগত তেওঁক শ্যামসুন্দৰ ত্ৰিভঙ্গ মূৰ্ত্তি বংশীধাৰী কৰি থিয় কৰি লয়। হৰিয়ে ভকতক তেওঁকতেন কৰি সুখী হবলৈ দিয়ে,সেইদেখি হৰিক ভকতৰ বশ্য বোলে। এইবাবেই ঈশ্বৰৰ নাম কৃষ্ণ। কৃষ মানে আকৰ্ষণ। ভকতে তেওঁৰ বিশ্বব্ৰহ্মাণ্ডৰ বিৰাট ৰূপৰপৰা তেওঁক আকৰ্ষণ কৰি সুমধুৰ কৃষ্ণৰূপে আগত থিয় কৰি সেৱা কৰে, ঈশ্বৰেও ভকতক তেওঁৰ মধুৰ ৰসাশ্ৰিত সুমধুৰ মূৰ্ত্তিৰে আকৰ্ষণ কৰি তেওঁত নিমগন কৰি ৰাখে, সেইবাবে তেওঁৰ নাম কৃষ্ণ। এই পৰস্পৰ বশ্যতা, পৰস্পৰ আকৰ্ষণৰ অমিয়া উপভোগ কৰি ভকত আনন্দত আপ্লুত হয়.দেখি ঈশ্বৰক কৃষ্ণ বোলে। পৃথিবীত পৰমব্ৰহ্ম ঈশ্বৰৰ এই আনন্দ প্ৰবৰ্ত্তিব লাগিছে, যি আনন্দৰসৰ সোৱাদ সম্পূৰ্ণৰূপে উপভোগ কৰে কৃষ্ণপদসেৱা কৰোতা ভকত-ভ্ৰমৰে। মাধৱদেৱে সেইদেখি কৃষ্ণ শব্দৰ এই সুন্দৰ অন্বয়টি দিছে—

"কৃষ হেন শব্দ ইটো পৃথিবী বাচক ভৈল,
ণ আনন্দত প্ৰবৰ্ত্তয়।
দুইবো এক পদ ভৈল পৰমব্ৰহ্মৰূপ কৃষ্ণ
নাম আনন্দক মাত্ৰ কয়।"

পৃথিবীৰ চৰাচৰ প্ৰাণী যি পৰমানন্দত প্ৰবৰ্ত্তন কৰি থাকে, যি পৰমব্ৰহ্ম



ঈশ্বৰ, সেইজনকে কৃষ্ণ বোলে। জীৱৰ আকাঙ্ক্ষাৰ চূড়ান্ত অৱস্থা—আনন্দ, bliss, beatitude যত চৰিতাৰ্থ হয় সেইয়েই কৃষ্ণ, সেইজনৰে সুমধুৰ নাম কৃষ্ণ। এইবাবেই ঈশ্বৰৰ কৃষ্ণ নাম তেওঁৰ আন সহস্ৰনামৰ ভিতৰত শ্ৰেষ্ঠ—

"দিব্য সহস্ৰেক নাম তিনিবাৰ পঢ়ি পাৱে যিটো ফল।
একবাৰ কৃষ্ণ নাম উচ্চাৰিলে পাৱয় তাক সকল॥"—ঘোষা।

আৰু এইবাবেই ঈশ্বৰে কৈছে :—

"মাধৱে বোলন্ত মোক কৃষ্ণ কৃষ্ণ কৃষ্ণ বুলি
সদায়ে সুমৰে যিটোজন।
জল হন্তে যেন পদ্ম নৰকৰপৰা তাক
আপুনি উদ্ধাৰোঁ বৰমন॥"—ঘোষা।

বৃন্দাবনৰ গাই পল্‌ আৰু গাইৰ গাখীৰৰ মাখন মথি তোলা গোপ গোপীনীৰ ঘৰত এইবাবেই কৃষ্ণৰ আবিৰ্ভাব, এইবাবেই কৃষ্ণলীলা। গাখীৰ মথি লৱণু মাখন তোলা, প্ৰফুল্লিত বৃন্দাবন ব্ৰজৰ গুৱাল গুৱালীৰ ঘৰৰ বাহিৰে ভক্তৰ মন-মথিত, বিশ্বব্ৰহ্মাণ্ড-মথিত কৃষ্ণৰ আবিৰ্ভাব হবৰ আৰু উপযুক্ত ঠাই এই পৃথিবীত কত ? কৃষ্ণ আহিছিল not to raja's palace ৰজাৰ হৰ্ম্ম্য অট্টালিকালৈ কৃষ্ণ অহা নাছিল, ৰজাৰ পোটাশাল,—যত ৰজাৰ বন্দী, তেওঁৰ দুখীয়া ভকত বসুদেৱ দৈৱকীয়ে তেওঁক চিন্তি চকুৰ লোতকে আঁচল তিয়াই আছিল, তালৈ আহিছিল। আৰি, তেতিয়াই দুখীয়া ভকত, ব্ৰজত গৰু চৰাই ভাত খোৱা গুৱাল গুৱালনীৰ ঘৰলৈ কৃষ্ণ গুচিগল। এইবাবেই ব্ৰজধামত কৃষ্ণাৱতাৰ। বিশ্ব ব্ৰহ্মাণ্ডব্যাপ্ত ঈশ্বৰৰ সুন্দৰ মূৰ্ত্তিক ভকতৰ সেৱাৰসাশ্ৰিত মথনিৰে মথি উলিৱাটোৰ, আমি চকুৰ আগত দেখা, দেখি উপভোগ কৰা উদাহৰণৰ,গাখীৰ বা গোৰস মথি লৱণু মাখন উলিয়াই উপভোগ কৰোতা ব্ৰজৰ গোপ গোপীসকলৰ কাৰ্য্যৰ বাহিৰে appropriate একেবাৰেই মিল কত আছে ? গো মানে পৃথিবী, গো মানে বেদ, ইত্যাদি। ৰূপক হলেও ঈশ্বৰৰ এই কৃষ্ণলীলা সঁচা, ৰূপক নহৈ প্ৰকৃত হলেও সঁচা। শ্ৰীমদ্-ভাগৱত শাস্ত্ৰকাৰ ভক্ত ঋষিয়ে, বৃন্দাবন গোকুললৈ ঈশ্বৰক প্ৰেমভক্তিৰে টানি আনি অৱতাৰ ধৰোৱাটো কি সুন্দৰ,কি মহান, কি ঠিক appropriate, কি grand conception,কিতোপন ধাৰণা ! বৃন্দাবনত সঁচাকৈ কৃষ্ণৰ অৱতাৰ

হওক নহওক, সঁচাকৈয়ে তেওঁৰ সোঁশৰীৰেৰে তাৰ লীলা সম্পাদিত হওক নহওক, কিন্তু শ্ৰীমদ্ভাগৱত শাস্ত্ৰ কৰোঁতাৰ ভক্তি-বলৰ জৰীয়ে যে সঁচাকৈয়ে বৃন্দাবনলৈ ঈশ্বৰক নমাই আনি তেওঁৰ হতুৱাই সেই লীলা কৰোৱাইছিল তাৰ ভুল নাই। ভক্তৰ নিমিত্তে ঈশ্বৰে এই মূৰ্ত্তি পৰিগ্ৰহ কৰি এই লীলা নিশ্চয় কৰিছিল. তাৰ অন্যথা নাই, আজিও তেনে ঐকান্তিক ভক্তৰ নিমিত্তে বৃন্দাবনত কৃষ্ণৰ আবিৰ্ভাৱ, কৃষ্ণলীলা হবই লাগিছে। ভক্ত প্ৰহ্লাদৰ বাক্য সত্য কৰিবৰ নিমিত্তে স্তম্ভতে ঈশ্বৰৰ নৃসিংহ মূৰ্ত্তিত আবিৰ্ভাৱ; ভক্ত ভাগৱতকাৰৰ আকাঙ্ক্ষা বচন সত্য কৰিবৰ নিমিত্তে, ভক্তৰ হৃদয়ৰ ঈশ্বৰৰ সুমধুৰ ৰসাশ্ৰিত ভক্তি-মূৰ্ত্তিৰ নিশ্চয় সেই বৃন্দাবনত আৰু প্ৰত্যেক ভক্তৰ হৃদয়-বৃন্দাবনত কৃষ্ণৰূপে অৱতাৰ হৈছিল হৈছে আৰু হবই। ভক্ত যশোদাৰ প্ৰেম-জৰীৰ বান্ধোনৰ হাত কৃষ্ণই সাৰিব নোৱাৰি "স্নেহে লৈলা আপুনি বন্ধন।"

ঋষিসকলৰ ঈশ্বৰৰ যি conception ধাৰণা. লক্ষ্য, অতীতৰ বেদ উপনিষদৰ পৰা আজিলৈকে summed up হৈ সিদ্ধান্ত হৈ স্থিৰ হৈছে তেওঁ—সৎ চিৎ আৰু আনন্দ; সেই বাচনিক আৰু মানসিক ধাৰণাৰ realization সত্যতা আৰু চৰিতাৰ্থতা, ভাগৱতৰচক দাৰ্শনিক-কবি-ভক্তই দেখুৱাইছে বৃন্দাবনৰ কৃষ্ণত আৰু কৃষ্ণলীলাত। যুগযুগান্তৰৰপৰা কবি মনীষি তত্ত্বজ্ঞানী ব্ৰহ্মজ্ঞানী যোগীসকলে ঈশ্বৰৰ যি মানসিক ৰূপৰ idea ভাব মনত পোষণ কৰি আহিছিল, সেই ideaই ভাবে মূৰ্ত্তি পৰিগ্ৰহ কৰি মানুহৰ চকুৰ গোচৰ হল, উপভোগৰ সমল হল—শ্ৰীমদ্ভাগৱতকাৰ দাৰ্শনিক-কবি-ভক্ত sculptor তক্ষকৰ (শিলৰ মূৰ্ত্তি কটা শিলাকুটীয়া) হাতত। নজনাই নাভাবোঁতাই হে কয়—যে বেদ উপনিষদৰ ব্ৰহ্ম ঈশ্বৰৰ high conception উচ্চ ধাৰণা পৌৰাণিক যুগত অৱনতি প্ৰাপ্ত হল। জনাই কয়, বেদ-কল্পতৰু বৃক্ষ পৌৰাণিক যুগত হে ফলিল, আৰু সেই ফল ভাগৱতৰ ঈশ্বৰৰ কৃষ্ণ মূৰ্ত্তি। অৱশ্যে পুৰাণ আৰু পুৰাণ আছে।

এইবাবেই শ্ৰীমদ্ভাগৱত পুৰাণৰ সৰ্ব্বোপৰি বৈকুণ্ঠৰ কল্পতৰু, বেদ বেদান্তাদি সকলো ঈশ্বৰ প্ৰতিপাদক শাস্ত্ৰৰ সাৰ। চাৰিও বেদৰ শাখাবোৰ ৰচনা কৰি, পুৰাণ ভাৰত আদি বিস্তৰ শাস্ত্ৰ ৰচনা কৰিও শান্তি নেপাই, ব্যাসে তেওঁৰ শেষ আৰু চূড়ান্ত শাস্ত্ৰ ভাগৱত ৰচনা কৰি শান্তি পাইছিল এইবাবেই;



ঈশ্বৰৰ সেই মদনমোহন ত্ৰিভঙ্গ বংশীধাৰীৰূপ তেওঁ মানস-পটত আঁকি থিয় কৰি শান্তিসুখৰ অমিয়া আস্বাদন কৰি শুকৰ দ্বাৰাই সেই শাস্ত্ৰ ব্যক্ত কৰাই ঈশ্বৰ-ভকতসকলৰো মনত শান্তিসুখ প্ৰদান কৰিছিল। তেওঁ ভাগৱত শাস্ত্ৰত ঈশ্বৰক যেনেকৈ কৃষ্ণৰূপে দৈবকীত অৱতাৰ ধৰাই গোকুলত থোৱাই, বৃন্দাবনৰ লীলা কৰোৱাই, শুকৰ হতুৱাই সেই অৱতাৰৰ লীলা বৰ্ণনা কৰোৱাইছিল, সি কৃষ্ণ অৱতাৰৰ আগেয়ে হলেও নিৰ্ভুল সঁচা, পিছত হলেও নিৰ্ভুল সঁচা। আগেয়ে বৰ্ণিত হলেও লীলাময় ঈশ্বৰে ভকতক তেওঁৰ লীলা শ্ৰৱণ কীৰ্ত্তন কৰি উপভোগ কৰাই তৃপ্তি দিবলৈ তেনে লীলা ধৰিবই লাগিব,—তেওঁৰ আন উপায় নাই; কাৰণ তেওঁৰ স্বভাৱেই যে ভক্তবৎসল। ভক্ত যশোদাৰ বান্ধোন, আৰু ভক্ত নাৰদ ব্যাস আৰু শুকদেৱৰ সুমধুৰ কল্পনাক ( and the only possible conclusion ) সত্য কৰিবলৈ সেই চিদানন্দ মূৰ্ত্তিয়ে কপট গোপবেশ ধৰি বৃন্দাবনত অৱতাৰ হৈ লীলাৰ বান্ধোন লবই লাগিব। সেইদেখি মাধৱদেৱে গাইছে—

"পৰভাতে সুমৰোঁ গোবিন্দ হৃষিকেশ।
চিদানন্দ মূৰতি কপট গোপবেশ॥
সত্য সনাতন নিত্য নিৰঞ্জন দেৱ।
অনাদি অনন্ত যোহি বিনে নাহি কেৱ॥
সোহি প্ৰভু নাম ধৰে নন্দকু নন্দন।
কৰোঁ পৰভাতে তযু চৰণ বন্দন॥"

ভক্ত নাৰদ আৰু বাল্মিকীৰ ষাঠী হাজাৰ বছৰ আগৰ কল্পনাক সত্য কৰিবলৈ সৎচিদানন্দই "শ্ৰীৰাম নামে কৌশল্যাত অৱতাৰ" নধৰি নোৱাৰিলে, নোৱাৰেও।

আৰু এইটো ঠিক কথা বুলি জানিব লাগে, যে ভকতে কেতিয়াও ঈশ্বৰৰ ওচৰত unreasonable অনাৱশ্যক আৰু অযুক্তিযুক্ত প্ৰাৰ্থনা, আৰু তেওঁৰ প্ৰভু ঈশ্বৰে unreasonable অনাৱশ্যক আৰু অযুক্তিযুক্ত কল্পনাও নকৰে। প্ৰকৃত ভকত যি তেওঁ ঈশ্বৰৰ প্ৰিয়পাত্ৰ, বিশ্বাসৰ আৰু স্নেহৰ পাত্ৰ; অৰ্থাৎ ঈশ্বৰে যাক deserving অৰ্থাৎ উপযুক্ত বুলি যাৰ ওপৰত প্ৰীতি আৰু স্নেহ স্থাপন কৰিছে সেই ভকতে by nature স্বভাৱতে কেতিয়াও এটা অনাৱশ্যক, অসাৰ্থক,

উদ্ভট কল্পনা বা প্ৰাৰ্থনা কৰিব নোৱাৰে আৰু নকৰেও। কৰিলে তেওঁ ঈশ্বৰৰ প্ৰীতিৰ পাত্ৰ নহয় আৰু ভকতৰ শাৰীলৈ উঠিব নোৱাৰে। উদ্ভট, অসাৰ্থক, অবিবেচক, অযুক্তিযুক্ত প্ৰাৰ্থনা আৰু কল্পনা কৰা লোক ভকত নহয়, ঈশ্বৰো তেওঁৰ বশ্য নহয়। হৰি যাৰ কথাত বশ্য হয়, হৰিয়ে যাৰ ইচ্ছা পূৰণ কৰে, সেই ভকত সেই অনুগ্ৰহৰ কিমান desevring উপযুক্ত পাত্ৰ, এবাৰ দকৈ ভাবি চোৱাঁ। এনে ভকতে ঈশ্বৰক নকয়—ঈশ্বৰে তেওঁৰ নিয়ম ভাঙ্গি দিনটোক ৰাতি কৰি দিবলৈ, বা অকাৰ্য্য অপকৰ্ম্ম কৰিলে যি ফল পোৱা যায় সেইটো গুচাই ভাল ফল দিবলৈ। ভকতে জানে—কৰ্ম্ম অনুসাৰে ফল পোৱাটো হে ঈশ্বৰৰ নিয়ম; ঈশ্বৰৰ সেই নিয়ম, সেই বিধি ভকতে তেওঁৰ নিমিত্তে কেতিয়াও ভাঙি দিবলৈ ঈশ্বৰক খাটিব নোৱাৰে আৰু নেখাটেও। ভকতে ঈশ্বৰক জগন্নাথ বোলে, ঈশ্বৰে জীৱক কৰ্ম্ম অনুসাৰে ফল দি শাসন পালন কৰে দেখি;—

"কৰ্ম্ম অনুসাৰে ইটো জগতক
পালন্ত হৰি সাক্ষাত।
এহি হেতুতেসে জগন্নাথ নাম
আছয় হুয়া প্ৰখ্যাত ॥"—ঘোষা।

সৃষ্টি পালনৰ নিমিত্তে ঈশ্বৰৰ বিধিবিধানৰ সম্মান কেনেকৈ পূৰ্ণৰূপে থাকে ভকতে সেইটোলৈ হে চায়। এইদেখি ৰামায়ণ ৰচক বাল্মীকিৰ ঈশ্বৰৰ ৰামৰূপৰ লীলা কল্পনা, ভাগৱতৰ নাৰদ ব্যাস শুকৰ শ্ৰীকৃষ্ণ অৱতাৰ ৰূপ আৰু লীলা কল্পনা কেতিয়াও unrealizable, unreasonable অসম্ভৱ হবই নোৱাৰে। ঈশ্বৰে সেই কল্পনাৰ সৃষ্টিক প্ৰকৃত কৰি তাক সত্য কৰিবই লাগিব, কাৰণ সেইটো মনুষ্যৰ, ঈশ্বৰক realize কৰি আত্মতৃপ্ত আৰু জন্ম চৰিতাৰ্থৰ নিমিত্তে আৱশ্যক। আদি কবি বাল্মীকি, মুক্ত ভক্ত নাৰদ, বেদব্যাস, শুক, অগাঢ় পণ্ডিত, প্ৰগাঢ় জ্ঞানী আৰু যে ঈশ্বৰৰ মহাভক্ত পুৰুষ, এইটো বিধৰ্ম্মী বা ঈশ্বৰক নমনা বা তেওঁলোকৰ কথা নমনাইও স্বীকাৰ কৰিব লাগিব; কাৰণ ৰামায়ণ আৰু শ্ৰীমদ্ভাগৱত আৰু গীতা যে জ্ঞানৰ আকৰ, তত্ত্বজ্ঞান ভক্তিৰ সিন্ধু, তেওঁলোকৰ সেইটো কীৰ্ত্তি সেই শাস্ত্ৰবোৰেই প্ৰমাণ কৰে। এনে জ্ঞানী দাৰ্শনিক ঈশ্বৰ ভক্তই যে ঈশ্বৰক লৈ যেমাখি



কৰিছিল, ৰামায়ণত বান্দৰ ভালুক ৰাক্ষসৰ লগৰীয়া কৰি মাত্ৰ আমোদ লভিছিল, আৰু ঈশ্বৰক গোকুলত গুৱালৰ লৰা পাতি তেওঁৰ "মানুষী" লীলা বৰ্ণনা কৰি তেওঁক লৈ মাখোন ধেমালি কৰিছিল,এনে সিদ্ধান্ত কৰিবৰ আমাৰ সাহ নাই; সেই মহাজ্ঞানী মহাকবি মহাভক্তসকলৰ জ্ঞানত, ভক্তিত, sincerityত এনে কলঙ্কৰ চাট পেলাবলৈ সাহ কৰিলে হাস্যাস্পদ আৰু ঈশ্বৰৰ ওচৰত দায়ী হে হম বুলি আমাৰ বিশ্বাস। অধঃপতিত হিন্দুৱে তেওঁলোকৰ দেৱতা ৰাম কৃষ্ণ শিৱক লৈ এই অধইচ যুগত হে ধেমালি আৰু উপলুণ্ডা কৰি, তেওঁলোকৰ চুৰিয়া, চেলেউত সেইসকলৰ মূৰ্ত্তি "ট্ৰেডমাৰ্ক" কৰিবলৈ শিকিছে, বাল্মীকি ব্যাস, শুক, নাৰদে নহয়। মনুষ্যত্ববিহীন নোহোৱা আজিকালিৰ খৃষ্টান আৰু মুছলমানে তেওঁলোকৰ দেৱতাক লৈ তেনে নকৰে।

ব্যাসে বেদ পুৰাণ আদি শাস্ত্ৰ কৰি তাত ঈশ্বৰৰ তত্ত্ব নিৰ্ণয় কৰি মুক্তিৰ পথ প্ৰদৰ্শন কৰিও মনত শান্তি নাপাই, ভাগৱতৰ কৃষ্ণলীলা বৰ্ণনা কৰি শান্তি পোৱাৰ মানে কি? মানে এইটোৱেই নহয় নে যে বেদৰ জ্ঞানকাণ্ড, কৰ্ম্মকাণ্ড,যাগ যজ্ঞ হোম পূজা দৰ্শনৰ তৰ্ক যুক্তি আৰু আন আন পুৰাণৰ নানা দেৱদেৱীৰ কল্পনাই ঈশ্বৰ লাভ নকৰায়, কৰালেও সেইবোৰ ইমান আয়াসশীল আৰু বিঘ্নসঙ্কুল আৰু অসম্ভৱৰ ওচৰাওচৰি যে তাৰ দ্বাৰাই সাধাৰণ মনুষ্য সমাজৰ ঈশ্বৰলাভৰ সুযোগ নঘটে -ঘাইকৈ অল্পপ্ৰাণ কলিযুগীয়া মানুহৰ। সেইদেখি সেইসকলোবোৰত বিক্ষিপ্ত হৈ থকা জগৎব্যাপক বিভুৰূপী মাখনক তেওঁ নাৰদৰ উপদেশমতে মথি আকৰ্ষণ কৰি আনি কৃষ্ণৰূপে আবিৰ্ভাব কৰিহে তেওঁৰ মনত শান্তি পালে; কাৰণ সিহে প্ৰকৃত আৰু সুমধুৰ। আৰু সৎচিৎএ সেইদৰেইহে আনন্দৰূপত পৰিণত হৈ মানুহৰ মনত তৃপ্তিসাধন কৰি সকলো আকাঙ্ক্ষা চৰিতাৰ্থ কৰে।

ঈশ্বৰৰ ধাৰণা বৈদিক কালত চূড়ান্ত হৈ, পৌৰাণিককালত সেই ধাৰণা কল্পনা-বিমিশ্ৰিত হৈ অধোগতি প্ৰাপ্ত হোৱা বুলি কোৱাসকলে Human thought-অৰ Evolution অৰ্থাৎ মনুষ্যসমাজৰ চিন্তা উন্নতি নহৈ অধোগতি হোৱাটোহে সত্য বুলি কব খোজাটো প্ৰমাণ হয়,—যিটো অসম্ভৱ। আন আন সকলো বিষয়তে—যেনে জ্যোতিষ, বিজ্ঞান, সমাজ, বসন, ভূষণ,

গমনাগমনৰ সুবিধা, আহাৰ, বিহাৰ ইত্যাদিত আগৰ কালতকৈ হোৱা প্ৰভূত উন্নতিয়ে এই কথা যে ভুল তাক প্ৰমাণ নকৰে নে? মানুহৰ চিন্তা সকলো বিষয়তে আগ বাঢ়িব লাগিছে, অকল ঈশ্বৰৰ বিষয়তে হে পিছহুহকিব লাগিছে নে কি? পৃথিবীৰ সভ্যতা আৰু জ্ঞান ক্ৰমাৎ উন্নতহে হৈছে, অধোগামী হোৱা নাই। কাৰণ সেইটো অস্বাভাৱিক। জ্ঞানৰ পোহৰৰ ওপৰত ক্ৰমাৎ জ্ঞান পৰি তাৰ পোহৰ বেছিহে হয়, দুৰ্ঘোৰ এন্ধাৰ নহয়। তেন্তে ঈশ্বৰ ধাৰণাসম্বন্ধে পৌৰাণিক যুগক নীহ বোলোঁ কেনেকৈ? এই যুগত হোৱা ঈশ্বৰৰ সম্পৰ্কে ধাৰণা আগৰ যুগবোৰতকৈ বৰং উন্নত নোবোলোঁ কেনেকৈ? ব্যাসৰ ইতিহাসেও তাকেই নকয় নে? বেদৰ Peaceptive Age, উপনিষদৰ Reflective Age, দৰ্শনৰ Rational and Logical Age-অৰ পিছত ক্ৰমোন্নতিৰ ফলত পুৰাণৰ Imaginative Age আহিল কিয়? Imaginative Age শ্ৰেষ্ঠ বুলি নহয় নে? জ্ঞান-সোণ জুইত থপিলে উজ্জ্বল নিৰ্ম্মল হয় নে কলা আৰু মলিয়ন হয়? আগৰ যুগবোৰৰ নিগম-কল্পতৰুৰ ডাল পাত ফুলৰ পিছত ভাগৱতৰ ঈশ্বৰ-কৃষ্ণ ফল এই পৌৰাণিক যুগত ধৰা নাই বুলিলে কথা contradictory নহয় নে? জ্ঞানৰ পৰিসৰ বাঢ়ি যে আহিব লাগিছে, সবহ নেলাগে আজিৰ এশ বছৰৰ ভিতৰুৱা পৃথিবীৰ ইতিহাস আলোচনা কৰিলেই দেখোন বুজিব পাৰি। তেন্তে ঈশ্বৰক লাভ কৰিবৰ নিমিত্তে,—"যাৰ শক্তি বৰ্ণিবাৰে বাক্য বচন হাৰে"— জ্ঞান কৰ্ম্ম তৰ্ক দৰ্শন বাক্য বচন হাৰি তাৰ ওপৰত Imagination কল্পনা কৰিব বিশ্বাস আৰু ভক্তি আহি থিয় হয় কিয়? পৃথিবীত অদ্বিতীয় শাস্ত্ৰ, জ্ঞান-পাৰাবাৰৰ পাৰদৰ্শী গীতাই ঈশ্বৰৰ কল্পনাৰ সুমধুৰ মূৰ্ত্তি এই কৃষ্ণক সকলোৰে ওপৰত থাপিলে কিয়? গীতাই বেদবেদান্ত দৰ্শন তৰ্কক মথি আকৰ্ষণ কৰি অদ্বিতীয় কৃষ্ণামৃত উলিয়ালে কেনেকৈ আৰু কৰপৰা? হে ওপৰ-চকুৰা, হে অবিশ্বাসী! হেৰা বিদ্যাৰ গৰ্ব্বত গৰ্ব্বী আজিকালিৰ পাশ্চাত্য শিক্ষাত শিক্ষিতসকল! তোমালোকে কথাবোৰ দ কৈ গমি নাচাই উৰাই নিদিবা; দিলে মুকুতাক শোকোতা বুলি ভুলত দলিয়াই পেলাব চাবা। Imagination is Inspiration. প্ৰখৰ জ্ঞানৰ জ্যোতিয়ে ঢুকি নাপাই উভতি অহা ঠাইতে কল্পনা Imagination আৰু Inspiration



যায় এইটো তোমালোকেও স্বীকাৰ কৰা নিশ্চয়। ফ্ৰেন্স জ্যোতিষী লাপ্লাচৰ কল্পনাই সৃষ্টিতত্বৰ গুৰিত যে নীহাৰিকাবাদ এইটো বৈজ্ঞানিকমতে প্ৰমাণিত হোৱাৰ আগেয়ে ঢুকি পাইছিল। এতিয়াও পৃথিবীত যিবোৰ ডাঙৰ ডাঙৰ বৈজ্ঞানিক তথ্য আবিষ্কৃত হৈছে, সেইবোৰক Imagination-অৰ fash-light পোহৰৰ ভমকেহে পোনতে দেখুৱাই দিছে। অৱশ্যে Imagination আৰু Imagination আছে, অৰ্থাৎ কল্পনা আৰু কল্পনাৰ ভিতৰত প্ৰভেদ আছে। উদ্ভট কল্পনা আমি অনেক কৰোঁহক, কিন্তু তাৰ গুৰিত ঈশ্বৰৰ কৰুণাবাৰি আৰু জ্ঞান জেউতি নাথাকি বলিয়ালি, স্বাৰ্থ, আৰু কুপ্ৰবৃত্তিৰ সাৰহে থাকে। আমাৰ দেশৰ মহাপুৰুষ শঙ্কৰদেৱে মাধৱদেৱে, উপনিষদ, বেদান্ত, গীতা, ভাগৱত, পুৰাণ ভাৰত পঢ়ি মথি ঈশ্বৰৰ এই শান্ত শিৱ সুন্দৰৰ বিকাশ কৃষ্ণমূৰ্ত্তিত আকৃষ্ট হৈ তোমাক ফপহতা উপদেশ দি গৈছিল বুলি নাভাবিবা হে মোৰ প্ৰিয় অসমীয়া ভাইহঁত!

"কৃষ্ণ পাদপদ্ম হৈল যাহাৰ আশ্ৰয়।
তাহাৰেসে গুচয় নিঃশেষ দুখ ভয়॥
অপাৰ আনন্দৰস ৰাম কৃষ্ণ বাণী।
ৰামকৃষ্ণ নাম মুখে নছাড়িবা জানি॥
ভাবিয়ো ভাবক ভাই ৰাম নাম সাৰ।
নিগমে নকহে ৰাম নাম বিনে আৰ॥"—ঘোষা।

———•———

# বৈষ্ণৱ বা মহাপুৰুষীয়া ধৰ্ম্ম প্ৰচাৰ।

(জোৰহাটত শ্ৰীশঙ্কৰদেৱৰ তিথিত পঢ়িবলৈ বুলি লেখা প্ৰবন্ধ।)

ঐতিহাসিক জগতত একো-একোজন মহাপুৰুষ অৱতীৰ্ণ হৈ প্ৰজাৰ হিতৰ অৰ্থে অশেষ দুখ ভোগ কৰি নিজৰ আদৰ্শ দেখুৱাই পৃথিবীৰন

অলপ ওথ আৰু উন্নত কৰি যায়হি। তেওঁ নতুন ভাব নতুন ধাৰণা আৰু নতুন তেজ সঞ্চালন কৰি সমাজত নতুন বীজ বপন কৰি যায়। সেই ভাব সেই তেজ আৰু সেই ধাৰণাৰদ্বাৰাই সমাজ উন্নত হয় আৰু এনেকৈয়ে পৃথিৱী হবৰেপৰা মানুহৰ সমাজ ক্ৰমে বিকাশ হব লাগিছে আৰ মানুহ উন্নত হৈ আহিছে।

বুদ্ধ, মহম্মদ, যিচু ক্ৰিষ্টই পৃথিৱীত একোটা ধৰ্ম্মৰ পথ আবিষ্কাৰ কৰি নতুন জ্ঞান বিস্তাৰ কৰি স্বীয় স্বীয় সমাজত নতুন ধৰ্ম্ম প্ৰচাৰ কৰিলে। তেওঁবিলাকৰ ধৰ্ম্ম তেওঁ লোকৰ নাম অনুসাৰেই আজিলৈকে চলিব লাগিছে।

অতি প্ৰাচীন কালৰেপৰা ধৰ্ম্মৰ আলোচনা ভাৰতত যিমান দূৰ হৈছিল পৃথিৱীৰ আন দেশত হোৱা প্ৰমাণ পোৱা নাই। আৰু মহম্মদীয়, ক্ৰীচ-টান আৰ বৌদ্ধ ধৰ্ম্মৰ দৰেই আসামত মহাপুৰুষীয়া ধৰ্ম্মই এজন মহাপুৰুষৰ নামৰ অনুসাৰে হোৱা কাৰণে বহুতে ভাবিব পাৰে মহাপুৰুষীয়া ধৰ্ম্মও পৃথিৱীত এটা নতুন ধৰ্ম্ম আৰু ই মহাপুৰুষ শঙ্কৰদেৱৰপৰা উদ্ভৱ হৈছে। যদিও এই ধৰ্ম্ম মহাপুৰুষ শঙ্কৰদেৱৰপৰাই ওলাল আৰু দেশত প্ৰচাৰিত হল আৰু মহাপুৰুষীয়া ধৰ্ম্ম বুলি সকলো সমাজত আজিলৈকে খ্যাত হৈ আছে তত্ৰাচ ই শঙ্কৰদেৱৰ নতুন ধৰ্ম্ম নহয়, তেওঁৰ অকলশৰীয়া বিবেচনা আৰু শক্তিৰপৰা ওলোৱা নতুন পথ নহয়, ই মহম্মদ যিচুক্ৰিষ্টৰ ধৰ্ম্মৰ দৰে ঐতিহাসিক ধৰ্ম্ম নহয়। ই আমাৰ অতি পুৰণি ধৰ্ম্ম, হিন্দুৰ আদি ধৰ্ম্ম, আৰ্য্যসকলৰ পুৰাতন সত্য সনাতন ধৰ্ম্ম আৰু ই ভাৰতৰ শুদ্ধ বৈষ্ণৱ ধৰ্ম্ম।

হিন্দুৰ সৰ্ব্ব শাস্ত্ৰৰ আদি শাস্ত্ৰ বেদ। বেদ ঈশ্বৰে নিজে সৃজন কৰিছিল বুলি হিন্দুৰ বিশ্বাস। এই বেদৰ সাৰ ভাগ হৈছে উপনিষদ আৰু উপনিষদৰ সাৰ ভাগ হৈছে শ্ৰীমদ্ভাগৱত, গীতা। ব্যাসদেৱে বেদ আৰু আন আন নানা শাস্ত্ৰ আলোচনা কৰি শ্ৰীমদ্ভাগৱত ৰচনা কৰে। শঙ্কৰদেৱৰ ধৰ্ম্ম শ্ৰীমদ্‌ভগৱদ্‌গীতা আৰু শ্ৰীমদ্‌ভাগৱত, এই দুখানি শাস্ত্ৰৰপৰা উদ্ধৃত কৰা।

"সকলো উপনিষদ ধেনু, দোহ্য় হৈভল তাৰ নন্দ সুত, তাৰ বৎস হৈভল



কুন্তীসুত ধনঞ্জয়। দুগ্ধ হৈভল মহাগীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত, সুবুদ্ধি সকলে সন্তোষে পান কৰয়॥"

"সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ
হৰষে অমৃত ৰস পাই
পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই॥"

"বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰ।
ইহাৰ উত্তম ফল হৰি নাম মাত্ৰ॥"

আৰু এই হৰি নামেই হৈছে শঙ্কৰৰ ধৰ্ম্মৰ সাৰ। সগুণ ঈশ্বৰৰ গুণশীল শ্ৰৱণ কীৰ্ত্তন কৰি ঈশ্বৰ ভজনা শিক্ষা দিয়াই শ্ৰীমদ্ভাগৱতৰ উদ্দেশ্য আৰু ভগৱদ্গীতাই কৰ্ম্ম কাণ্ড ধ্যান সমাধি আৰু জ্ঞানযোগৰ সমন্বয় কৰি এক-শৰণ ভক্তিযোগৰ প্ৰাধান্য দেখুৱাইছে। বিশ্বাস আৰ ভক্তিয়েই সকলো ধৰ্ম্মৰ মূল, আৰু এই বিশ্বাস আৰ ভক্তিয়েই গীতা আৰু ভাগৱতৰ শিক্ষাৰ মূল আৰু এয়ে হৈছে মহাপুৰুষীয়া ধৰ্ম্মৰ মূল।

"ভাই মুখে বোল ৰাম হৃদয়ে ধৰা ৰূপ।
এহেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ॥'

এই ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিবৰ শঙ্কৰদেৱৰ কিয় আৱশ্যক হৈছিল আৰু কিয় এই ধৰ্ম্ম সেই সময়ত প্ৰচাৰিত হল আৰু কেনেকৈ প্ৰচাৰ হৈছিল তাক আলোচনা কৰিবলৈ হলে শঙ্কৰদেৱৰ সময়ত আমাৰ দেশত সামাজিক অৱস্থা আৰু ধৰ্ম্মৰ ব্যৱস্থা কেনে আছিল তাক বিশদৰূপে জানিব লাগিব। শঙ্কৰদেৱৰ আবিৰ্ভাৱ হোৱাৰ সময়ত কোচবেহাৰৰ নৰনাৰায়ণ ৰগাৰ কামৰূপ পৰ্য্যন্ত ৰাজ্য বিস্তাৰিত আছিল আৰু ইপোনে আহোম ৰজা চুনেফা স্বৰ্গদেও আসামৰ ৰাজ-সিংহাসনত আছিল। বেহাৰ প্ৰদেশত তান্ত্ৰিক ধৰ্ম্মৰ বৰ প্ৰচলিত আছিল আৰু কামৰূপ কামখ্যাৰ পূজা-পাতল সম্যকৰূপে চলি আছিল। উজনি আসামত তান্ত্ৰিক ধৰ্ম্মানুসাৰে হাঁহ, ছাগলী, পাৰ, মহ আৰু মানুহ পৰ্য্যন্ত দেৱী গোসাঁনীৰ আগত বলি দিছিল, আৰু দেৱী গোসাঁনীৰ লগে লগে কেচাইখাতী গোসাঁনী বুঢ়ীগোসাঁনী ইত্যাদি ঠায়ে ঠায়ে অনেক গোসাঁনীৰ পূজা আছিল। "মুছলমানে ভগ্না কামাখ্যা মন্দিৰ

নৰনাৰায়ণ ৰজাই আকৌ সজাই প্ৰতিষ্ঠা কৰোতে ১৪০ টা মানুহ বলি দিয়া হৈছিল” বুলি ইতিহাসত আছে। তেনেকৈয়ে হাজোৰ হয়গ্ৰীৱ মাধৱৰ মনিকূট নকৈ সাজি প্ৰতিষ্ঠা কৰোঁতে বহুত মানুহ বলি দিয়া হৈছিল। কামাখ্যাত বছেৰেকত সদাই নৰ বলি হৈছিল, সেই বলি আগৰে পৰা ঠিক হৈ থাকে, সিহঁতক ‘ভোগী’ বুলিছিল। সেই ‘ভোগী’হঁতে নিজ ইচ্ছামতে বলি হবলৈ এবছৰৰ আগৰেপৰা আগবাঢ়ি থাকে—সিহঁতে প্ৰকাশ কৰে যে সিহঁতকে দেৱীয়ে বলি লবলৈ স্বপ্নত বা অন্য প্ৰকাৰে জাননী দিছে, গতিকে সিহঁতক অন্য মানুহবোৰে ওখ থাপৰ আৰু পুণ্যতৰ বুলি মানুহে গণনা কৰে। যেনে কথা প্ৰকাশ কৰা দিনৰেপৰা বলি যোৱা দিনলৈকে সিহঁতে নিজইচ্ছামতে সকলো কাম কৰিব আৰু সকলো বস্তু খাব পাৰে; আন কি নিজ ইচ্ছামতে কোনো তিৰুতাকে সম্ভোগ কৰিবলৈ ক্ষমতা আৰু অধিকাৰ পাইছিল। এইবিলাকৰ লগে লগে ভৌতিকবিদ্যা, ইন্দ্ৰজালবিদ্যা, মঙ্গল চোৱা, সুৰা পান কৰা, গৰ্ভৱতী তিৰুতাৰ গৰ্ভ চিৰি ভ্ৰূণ পৰীক্ষা কৰা আদি জঘন্য কাৰ্য্যও তান্ত্ৰিকসকলৰ ভিতৰত প্ৰচলিত আছিল। (আইনি আকবৰী)। আৰু দেশত সজ শুদ্ধ ব্ৰাহ্মণ নাইকিয়া হৈছিল কাৰণে নৰনাৰায়ণ ৰজাই কামাখ্যা মন্দিৰ প্ৰতিষ্ঠা কৰোঁতে গোসাঁনীৰ পূজাৰ নিমিত্তে বঙ্গদেশৰপৰা শুদ্ধ ব্ৰাহ্মণ অনাইছিল। শঙ্কৰ দেৱৰ চৰিত্ৰত পোৱা গৈছে যে সেইকালৰ বহুত ব্ৰাহ্মণে হাল বাইছিল, আৰু ব্ৰাহ্মণসকল লোভী অনাচাৰী হৈ বেদবিহিত ব্ৰাহ্মণ্য কৰ্ম্মাদিৰপৰা আঁতৰি ভ্ৰষ্ট হৈ পৰিছিল। শূদিৰবিলাকৰ তো কথাই নাই. শূদিৰ এই ব্ৰাহ্মণ বিলাকৰ মুখৰ আদেশৰপৰাই চলিব, নচলিলে সামাজিক আৰু ধৰ্ম্ম কথাত শূদিৰৰ পদে পদে বিপদ। দেশৰ এনেকুৱা অৱস্থাতে শঙ্কৰদেৱৰ আৱি-ৰ্ভাৱ হয়। শঙ্কৰদেৱে মহেন্দ্ৰকন্দলিৰ তলত বিদ্যাশিক্ষা কৰি তেওঁৰ যথেষ্ট সংস্কৃতৰ বোধ হলত নিজে বেদ, ভাগৱত আদি শাস্ত্ৰ অধ্যয়ন কৰি আৰু ধৰ্ম্মৰ সম্যক আলোচনা কৰি দেখিবলৈ পালে যে দেশত ধৰ্ম্মৰ মহৎ গ্লানি চলিব লাগিছে আৰু দেখিলে,—

“কৃতে যদ্ধ্যায়তে বিষ্ণুং ত্ৰেতায়াং যজতে মখৈঃ।
দ্বাপৰে পৰিচৰ্য্যায়াং কলৌ তদ্ধৰিকীৰ্ত্তনাৎ॥”



“সত্য যুগে ধ্যান, ত্ৰেতা যুগে যজ্ঞ,
দ্বাপৰ যুগত পূজা।
কলিত হৰিৰ কীৰ্ত্তন বিনাই
আউৰ নাহিক দুজা॥”

তেতিয়া তেওঁ মানুহৰ মাজত আচল ধৰ্ম্ম যাতে চলে আৰু আন মানুহে ধৰ্ম্মৰ নাম লৈ ফাকি-ফুকা বা মিছা-মিছি কথা কৈ মানুহৰ মাজত ছলনা কৰিব নোৱাৰে তাৰ নিমিত্তে তেওঁ বেদ, ভাগৱত, উপনিষদ, গীতা আৰু বিষ্ণুৰ সহস্ৰ নামৰপৰা শ্লোক উদ্ধাৰ কৰি অসমীয়ালৈ ভাঙ্গি পদ-পয়াৰ কৰি নাম কীৰ্ত্তন কৰিবলৈ শিক্ষা দিবলৈ আৰম্ভ কৰিলে। আসামত আগেয়ে এই নামকীৰ্ত্তন কৰি ধৰ্ম্ম কৰা একেবাৰে যে নাছিল, তাক অনন্ত কন্দলীয়ে লেখিছিল—

“আছিল কায়স্থ কৃষ্ণ কিঙ্কৰ শঙ্কৰ।
তেহোঁ ভাগৱত কথা ৰচিল সুন্দৰ॥
যাৰ হন্তে ভৈল কৃষ্ণ কথাৰ প্ৰসিদ্ধি।
জানিলেক লোকে ভকতিসে নৱনিধি॥
সিটো মহন্তৰ এৱে কহিলোঁ মহত্ব।
যাৰ কৃষ্ণ কথা গীতে ব্যাপিলে জগত॥
নামতেসে শূদ্ৰ মহা হৰিত ভকত।
কৃষ্ণ স্মৰি এৱে স্থিত ভৈল বৈকুণ্ঠত॥”

শঙ্কৰদেৱে প্ৰথম প্ৰথম বৰদোৱাতে হৰিনাম লবলৈ আৰু নামধৰ্ম্ম প্ৰচাৰ কৰিবলৈ কাৰবাৰ কৰি এটা হৰিমন্দিৰ সজাই লয়। সেই হৰি মন্দিৰত নিতৌ তেওঁ আৰু হৰিনামৰ ভক্তজনদিয়েকেৰ সৈতে হৰিনাম লয় আৰু এই প্ৰকাৰেৰে নাম লোৱা, নতুন ধৰণৰ কথা-কাণ্ড দেখি অনেক ঠাইৰপৰা মানুহে আহি শঙ্কৰদেৱত শৰণ লৈ তেওঁক গুৰু মানি নামধৰ্ম্ম গ্ৰহণ কৰি নিজক কৃতাৰ্থ মানিছিল। মানুহক শৰণ দিবলৈ এই সময়ত শঙ্কৰদেৱে ভাগৱতৰ দশম স্কন্ধৰপৰা “গোপী-উদ্ধৱ সংবাদ” নামেৰে এখনি পুথি ৰচনা কৰি লয়। তাৰ পিছত “হৰিশ্চন্দ্ৰ উপাখ্যান” ৰচনা কৰে। এই দুইখনেই হৈছে শঙ্কৰদেৱে প্ৰথম ৰচনা কৰা পুথি।

৩

"দশম স্কন্ধৰ গোপী-উদ্ধৱ সংবাদ।
সেহি গ্ৰন্থ প্ৰথমতে ৰচিলা আহ্লাদ॥
আৰু হৰিশ্চন্দ্ৰ উপাখ্যান শাস্ত্ৰৰৰ।
ভাগৱত পুৰাণৰ কৰিয়া উদ্ধাৰ॥
লোকক কৃপায়ে প্ৰভু তাহাক বিস্তাৰি।
ৰচিলা পয়াৰ ছন্দে তাক সাৰ কৰি॥"

এই বৰদোৱাতেই শঙ্কৰদেৱে প্ৰথম ভাৱনা পাতে। বৈকুণ্ঠৰ পট নিজে আঁকি "চিহ্ন যাত্ৰা" নামেৰে এখনি নাট ৰচনা কৰি তাল খোল মৃদং ইত্যাদি বাদ্য যন্ত্ৰেৰে আৰু সুললিত সুৰেৰে নাটৰ গীত বাদ্য নিজে শিকায়। আসামত ধৰ্ম্মালোচনাও যে গীত বাদ্যৰে কৰিব পাৰি তাক শঙ্কৰদেৱে প্ৰথমে শিকায়। এই নোহোৱা-নোপজা এটা নতুনকাণ্ড উলিয়াই নিজে বায়ন আৰু সূত্ৰধাৰী হৈ কৃষ্ণলীলাৰ ভাৱনা কৰি হৰিনাম ধৰ্ম্মলৈ মানুহৰ মন আকৰ্ষণ কৰাইছিল। এই ভাৱনাৰপৰা অনেক দূৰ বিদূৰৰপৰা মানুহ টানি আনি হৰিনাম ধৰ্ম্ম গ্ৰহণ কৰাইছিল, আৰু সেই সময়ত হৰিনাম ধৰ্ম্মৰ ইমান আদৰ বাঢ়িছিল যে ব্ৰাহ্মণ শূদ্ৰ, কছাৰি, লালুং সকলোৱে শঙ্কৰদেৱৰ ওচৰত নামধৰ্ম্ম গ্ৰহণ কৰি তেওঁক গুৰু মানি লৈছিল।

এনেকৈ বৰদোৱাত নামধৰ্ম্ম প্ৰচাৰ কৰি থাকোঁতেই শঙ্কৰদেৱে কেবাখনো আৰু অসমীয়া গ্ৰন্থ ৰচনা কৰে। ইয়াৰ পাছত তেওঁ তীৰ্থলৈ যায়। তেওঁ তীৰ্থৰপৰা উভতি আহি কছাৰিবিলাকৰ অত্যাচাৰত বৰদোৱা এৰি যাব লগাত পৰে। বৰদোৱা এৰি ব্ৰহ্মপুত্ৰৰ সিপাৰে ধুবাঁহাটলৈ বুলি তেওঁ বাবলৈ ওলাল। তেওঁ যাওঁতে বাটতে কেবাঠাইতো কিছু কিছু দিন থাকি থাকি হৰিমন্দিৰ সাজি নামধৰ্ম্ম প্ৰচাৰ কৰি গৈছিল। প্ৰথমতে তেওঁ ভলুকাগুৰি বুলি এডোখৰ ঠাইলৈ গল। তেওঁ ভলুকাগুৰিত বহুদিন আছিল।

এনেকৈ একো একো ঠাইত তেওঁ কিছু কিছুদিন থাকি একোটি হৰিমন্দিৰ সাজি নামধৰ্ম্ম লৈ আৰু প্ৰচাৰ কৰি বাটত নামধৰ্ম্মৰ গুটী সিঁচি গৈছিল। ভলুকাগুৰিত শঙ্কৰদেৱৰ তিনি পথ আছিল, তাৰ পাছত কোমোৰাকুটাত কিছু দিন থাকে, তাৰ পাছত গংমৌ পায়গৈ। গংমৌতে শঙ্কৰদেৱে ছবছৰ কাল থাকি হৰিমন্দিৰ সাজি নামধৰ্ম্ম প্ৰচাৰ কৰি থাকোঁতে জগন্নাথৰ পাত্ৰ

১. অসমীয়া সাহিত্যৰ চানেকি।-১ম-, ৩য়।



জগদীশ মিশ্ৰই তেওঁক লগ পায়গৈ। আৰু ইয়াতে জগদীশ মিশ্ৰই শঙ্কৰদেৱৰ ওচৰত নামধৰ্ম্ম গ্ৰহণ কৰি শঙ্কৰদেৱৰ লগতে থাকে। এই ঠাইতে শঙ্কৰদেৱে ভাগৱত শাস্ত্ৰখন সম্পূৰ্ণৰূপে অসমীয়ালৈ ভাঙ্গিবলৈ লয়। প্ৰথমতে তেওঁ "পাষণ্ড মৰ্দ্দন" ভাঙ্গে। তাৰ পাছত "অজামিল উপাখ্যান", "প্ৰহ্লাদচৰিত্ৰ", "শিশুলীলা", "কংস বধ" ৰচনা কৰে। ৭ বছৰৰ মূৰত পুনঃ গংমৌ এৰি শঙ্কৰদেৱে ভক্তবৃন্দৰেসৈতে ধুবাঁহাট-বুলি এডোখৰ ঠাই পায়গৈ। এই ধুবাঁহাটেই হৈছে বিখ্যাত বেলগুৰি। এই ধুবাঁহাটতে শঙ্কৰদেৱেৰে সৈতে মাধৱদেৱৰ প্ৰথম মিলন হয়। শঙ্কৰদেৱে মাধৱদেৱক পাই তেওঁৰ নামধৰ্ম্ম প্ৰচাৰত দুগুণ উৎসাহ আৰু বল পালে। ইয়াত তেওঁ ১৮ বছৰকাল থাকি সত্ৰ স্থাপনা কৰি হৰিনাম লৈ নামধৰ্ম্মৰ শ্ৰেষ্ঠতা দেখুৱাই দেশ-বিদেশৰ পৰা অহা শূদ্ৰ-ব্ৰাহ্মণ সকলোকে ধৰ্ম্ম দি থাকোঁতে আহোম ৰজাৰ অন্যায় আৰু অত্যাচাৰ দেখি একেবাৰে অসমৰাজ্য পৰিত্যাগ কৰি যাবলৈ ওলাল। ধুবাঁহাটত তেওঁ অনেক ভক্তবৃন্দ ৰাখি সদাই নামধৰ্ম্ম চলাবলৈ আদেশ কৰি, নামনি আসাম পাই আৰু কাপালী নামেৰে এডোখৰ ঠাইত ছমাহ মান থাকি তাত সুবিধা নাপাই আৰু ভটীয়াই চুণপোৰা বুলি এডোখৰ ঠাই পালেগৈ। চুণপোৰাতে ভৱানন্দ ঠাকুৰে শঙ্কৰৰ ওচৰত নামধৰ্ম্ম গ্ৰহণ কৰেহি। এওঁকে নৰোত্তম ঠাকুৰ বোলে. এওঁ মাধৱদেৱৰ ধৰ্ম্মসখি। ইয়াৰ পাছৰপৰা শঙ্কৰদেৱৰ লগত সদাই মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰ থাকি নামধৰ্ম্ম প্ৰচাৰত অনেক সহায় কৰিছিল। তাৰ পাছত শঙ্কৰদেৱে পুনঃ কুমাৰকুচি বুলি এডোখৰ ঠাইলৈ ভটীয়াই গল. কুমাৰকুচিত বেছি দিন থাকিব নোৱাৰি সুবিধা চাই জঙ্গল কাটি পাট-বাউসীলৈ গৈ তাত নামঘৰ মণিকূটঘৰ আদি থাপি নিয়ম মতে সত্ৰ পাতি নামধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ধৰিলে। এই ঠাইতে পৰমভক্ত দামোদৰ দেৱৰ শঙ্কৰদেৱৰ লগত মিলন হয় আৰু দামোদৰদেৱে নামধৰ্ম্ম গ্ৰহণ কৰে। ইয়াতে কণ্ঠভূষণ মিশ্ৰ অনন্তকন্দলী আৰু বংশীগোপাল, কৰ্ণপূৰ হৰিদেৱ আদিয়ে শঙ্কৰদেৱৰ ওচৰত নামধৰ্ম্ম গ্ৰহণ কৰে। আৰু পাছত দামোদৰদেৱ, হৰিদেৱক, মহাপুৰুষে ধৰ্ম্মাচাৰ্য্য পাতে। পাটবাউসীত থাকোঁতেই বঙ্গদেশৰ চৈতন্যদেৱে শঙ্কৰদেৱক দেখা কৰেহি আৰু শঙ্কৰদেৱৰপৰা জ্ঞান আৰু ভক্তিৰ তত্ত্ব গ্ৰহণ কৰি শিক্ষা লাভ কৰে।

"শুনিয়া চৈতন্য কৃষ্ণ ধন্য ধন্য বুলি।
মাধৱদেৱক ধৰিলন্ত আঁকোৱালি॥
ইকাৰ্য্যতে আইলোঁ আমি তোমাসাৰ থান।
আজি ধৰি ভক্তি জ্ঞান কৰিলোঁ বিধান॥
এহি বুলি মন পুৰি চৈতন্য চলিলা।
দেখিয়া শঙ্কৰদেৱ মহাৰঙ্গ ভৈলা॥
সেই দিনা হন্তে দেৱ চৈতন্য ঈশ্বৰ।
জ্ঞানত কৰিয়া ভক্তি কৰিলন্ত সাৰ॥

এতেকে বুজিব লাগে যে ভাৰতবৰ্ষৰ ভিতৰত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰথম ব্যাখ্যা, চৰ্চ্চা আৰু প্ৰচাৰ হয় আসামত আৰু তাৰ গুৰি শ্ৰীশঙ্কৰদেৱ। এই কাৰণেহে বোধকৰোঁ। মাধৱদেৱে কৈছিল,—

"হৰি ভকতৰ পাতিলন্ত হাত
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বিকায়া জগতে
চলয় বৈকুণ্ঠ পুৰি॥"

মহাপুৰুষ মাধৱদেৱে "জগত" মানে নিশ্চয় আসামৰ এই চুকটোকে ভবা নাছিল।

শঙ্কৰদেৱ পাটবাউসীত থাকোঁতেই শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ প্ৰথম, দ্বিতীয়, তৃতীয়, সপ্তম, অষ্টম, দশম, একাদশ আৰু দ্বাদশ স্কন্ধৰ অসমীয়া ব্যাখ্যা কৰি পদ কৰে; কীৰ্ত্তনৰ শেষ কেইআধ্যা ইয়াতে লেখে আৰু ভক্তিপ্ৰদীপ, কুৰুক্ষেত্ৰ, ৰুক্মিণীহৰণ আদি পুথিও ৰচনা কৰে। ইয়াতে তেওঁ বহুত নাট-পুথি লেখে আৰু ভাৱনা কৰায়।

শঙ্কৰদেৱে ব্ৰাহ্মণসকলক শৰণ দিওঁতে ব্ৰাহ্মণ গুৰুৰ হতুৱাই দিয়াইছিল। তেখেতে ধৰ্ম্ম সংস্কাৰ কৰিছে, মানুহৰ মনৰ কুসংস্কাৰ একেবাৰে বা একে-দিনাই গুচোৱা অসম্ভৱ কাৰণে তেনেকুৱা কুসংস্কাৰ ধৰ্ম্ম-অসঙ্গত নহলে কৰিবলৈ তেওঁৰ কোনো আপত্তি নাছিল। সেই কাৰণে তেওঁ মৃত্যুৰ পাছত মৃতকৰ হন্তে শ্ৰাদ্ধাদি কৰিবলৈ বিশেষ আপত্তি নকৰিছিল, কিন্তু তাৰ নিষ্ফলতা বুজাবলৈকো তেওঁ ত্ৰুটি কৰা নাছিল। দামোদৰ দেৱ



অতি বিচক্ষণ আৰু প্ৰতিভাশালী আছিল। শঙ্কৰদেৱে তেওঁক এজন ধৰ্ম্মাচাৰ্য্য পাতি ব্ৰাহ্মণসকলক তেওঁৰদ্বাৰাই শৰণ কৰাইছিল। দামোদৰ দেৱক ধৰ্ম্মাচাৰ্য্য পতাৰ আগেয়ে শঙ্কৰদেৱে তেওঁ লোকক ভাগৱত পুথিত শৰণ কৰাইছিল।

পাটবাউসীত থাকোঁতেই শঙ্কৰদেৱ ৰজা নৰনাৰায়ণৰ সৈতে জনাজনি হয়। আৰু যাজক ব্ৰাহ্মণবিলাকে শুদ্ধ বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰত তেওঁলোকৰ আৰ্থিক ক্ষতি হোৱা দেখি ৰজাক শঙ্কৰদেৱৰ বিৰুদ্ধে লগাই শঙ্কৰদেৱৰ ধৰ্ম্ম আৰু দ্বিগুণ প্ৰচাৰিত হে কৰিলে। ইয়াৰপৰাই বৈষ্ণৱধৰ্ম্মৰ নানাঠাইত প্ৰধান প্ৰধান ভক্ত হবলৈ ধৰিলে আৰু ধৰ্ম্মই দেশত আতিকৈ শিপাবলৈ ললে। ইয়াৰপৰা শঙ্কৰদেৱে মাধৱদেৱ, নাৰায়ণ ঠাকুৰ আদি কাৰি কেবাজনো ভক্ত লগত লৈ তীৰ্থ কৰিবলৈ যায়। তীৰ্থৰ পাছত পাটবাউসীৰপৰা শঙ্কৰ দেৱে বেহাৰলৈ যায় আৰু পাটবাউসীৰ সত্ৰত দামোদৰ দেৱক ৰাখে আৰু গণককুচিত মাধৱ দেৱক ৰাখে। শঙ্কৰদেৱে বেহাৰত থাকি নৰনাৰায়ণ ৰজাৰ সভাত হৰিধৰ্ম্ম ব্যাখ্যা কৰি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰিছিল, আৰু শেষত ৰজাই ধৰ্ম্মগ্ৰহণ কৰি শঙ্কৰদেৱত শৰণ লব খোজাত হঠাৎ শ্ৰীশঙ্কৰদেৱে বৈকণ্ঠ প্ৰয়াণ কৰিলে।

আসামত বৈষ্ণৱধৰ্ম্ম প্ৰচাৰৰ বাটত শঙ্কৰদেৱে যিমান কৰিছিল, মাধৱদেৱে তাতকৈ দ্বিগুণ কৰিছিল যেন অনুমান হয়। শঙ্কৰদেৱৰ প্ৰয়াণ কালত মাধৱ দেৱ গণককুচিত আছিল আৰু তাতে তেওঁ সত্ৰ স্থাপনা কৰি নামধৰ্ম্ম প্ৰচাৰ কৰিছিল। গণককুচিৰপৰা মাধৱদেৱে সুন্দৰীদিয়ালৈ গৈ সত্ৰ সভা পাতি হৰি-ধৰ্ম্ম বিলাইছিল। ভৱানীপুৰীয়া গোপাল আতা ইয়াতে মাধৱদেৱৰ শিষ্য হয়। আৰু মাধৱদেৱে শ্ৰুতি স্মৃতি ভাগৱত গীতা আদি শাস্ত্ৰৰপৰা সাৰ উদ্ধাৰ কৰি নামঘোষা পুথি ৰচনা কৰে। নাৰায়ণ আৰু নিৰঞ্জন দেও এই সুন্দৰী-দিয়াতে মাধৱ দেৱৰ ভক্ত হয়, আৰু বংশীগোপাল আৰু যাদুমণি নামেৰে—পাছত দেৱ গোপাল আৰ দেৱ যদুমণি—দুজন পৰম ধাৰ্ম্মিক আৰু ভক্তক ধৰ্ম্মাচাৰ্য্য পাতে, আৰু এওঁলোকে বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰৰ নিমিত্ত মাধৱ দেৱৰ আজ্ঞা অনুসাৰে উজনিলৈ আহে, আৰু উজনিত সত্ৰ সভা পতি নাম ধৰ্ম্ম প্ৰচাৰ কৰি অনেকক হৰিভক্ত কৰিছিল। উজনিৰপৰা পদ্ম আতা—পাছত বদুলা আতা— নামেৰে এজন ৰৰ বৈষ্ণৱে মাধৱ দেৱক লগ পাই গৈ আৰু

মাধৱ দেৱৰ শিক্ষা আৰু আজ্ঞা অনুসাৰে উজনিলৈ আহে আৰু উজনিত ধৰ্ম্ম প্ৰচাৰ কৰেহি। কোনো কাৰণ বশতঃ মাধৱদেৱে সুন্দৰীদিয়া ত্যাগ কৰি বৰপেটালৈ যায়। বৰপেটাত নামঘৰ মণিকূট আৰু সত্ৰ পাতি বৰ সমাৰোহেৰে হৰিনাম কীৰ্ত্তন কৰি নামধৰ্ম্ম প্ৰচাৰ কৰিছিল। ইয়াতে মাধৱ দেৱে ভূমুৰা, দধিমথন নাট ৰচনা কৰে আৰু ভাবনা পাতি ভক্তবৃন্দক দেখুৱায়। তাৰ পাছত জন্ম-ৰহস্য, ভক্তি-প্ৰদীপ, নাম-মালিকা, ৰত্নাৱলী, ভটিমা আৰু অনেক বৰ-গীত ৰচনা কৰে। উজনিৰ ধৰ্ম্মাচাৰ্য্যসকলেও গুৰুৰ আজ্ঞা অনুসাৰে সত্ৰ-সভা পাতি বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰি ৰজা প্ৰজা সকলোৰে আদৰণীয় হৈছিল। আৰু এই সত্ৰবিলাক আদি গুৰুদ্বাৰাই স্থাপিত নোহোৱা বুলি তাত কোনো কাৰণে ধৰ্ম্মৰ প্ৰভাৱ ম্লান নহৈছিল, বৰঞ্চ আহোম ৰজাই হিন্দু ধৰ্ম্ম গ্ৰহণ কৰি এই সত্ৰ-সভাবিলাকক বিপুল সম্পত্তিৰ গৰাকী পাতি বৈষ্ণৱ ধৰ্ম্মৰ পয়োভৰ বেছিকৈ বঢ়াইছিল।

আদিগুৰু শঙ্কৰদেৱে দুৰ্ভাগ্য গুণেই হওক বা সৌভাগ্য গুণেই হওক আসাম দেশৰ নানা ঠাইত বসতি কৰিব লগীয়া হোৱাত সেই সকলো ঠাইত নিজে হৰিকীৰ্ত্তন কৰি সত্ৰ পাতি গৈছিল আৰু সেই সেই ঠাইত একো একো জন ধৰ্ম্মাচাৰ্য্য বা মেধি বা পাতি থৈ গৈছিল আৰু তেওঁলোকৰপৰা সেইবিলাক ঠাইত হৰিনাম চলি নামধৰ্ম্ম প্ৰচাৰ হৈছিল। তাৰ পাছত নামনি আসামৰপৰা কোচবিহাৰলৈ গৈ সত্ৰ পাতে, আৰু অনেকক ধৰ্ম্মাচাৰ্য্য পাতে আৰু এই ধৰ্ম্মাচাৰ্য্যসকলে উজনি নামনি গোটেই আসামত বিয়াপি দেশৰ গাৱেঁ-ভূয়েঁ সত্ৰ পাতি নামধৰ্ম্ম প্ৰচাৰ কৰিছিল। আজি অসমীয়া মানুহ মাত্ৰেই এখন নহয় এখন সত্ৰৰ শিষ্য। বৈষ্ণৱ ধৰ্ম্মই অসমীয়া মানুহৰ এক ধৰ্ম্ম। ই অসমীয়া মানুহৰ পৈত্ৰিক ধৰ্ম্ম, আৰু মনৰ অন্তৰৰ ধৰ্ম্ম, অ' সকলো ধৰ্ম্ম আসামত আধুনিক আৰু বিজাতীয়। আজিকালি অসমীয়া মানুহৰ মাজত দুৰ্গাপূজা হোৱা দেখা যায়। নগৰত বেল হৈছেনত, বাগিছাৰ মাজত দুৰ্গাপূজাৰ বৰ আন্দোলন হোৱা দেখা যায়! কিন্তু দুৰ্গাপূজা আমাৰ জাতীয় পূজা নহয়। দুৰ্গাপূজা কৰা আমাৰ ধৰ্ম্ম নহয়। অৱশ্যে যেতিয়া আহোম ৰজাই বঙ্গদেশৰপৰা ভট্টাচাৰ্য্য গোঁসাই আমাৰ দেশলৈ শৰণ লবলৈ মাতি আনে তেতিয়াৰেপৰা ৰজাৰ লগে লগে



জনদি-য়কৰ মাজত তান্ত্ৰিক ধৰ্ম্ম সোমাই পৈছিল, কিন্তু তাৰ সংখ্যা তেনেই অলপ আছিল, এতিয়া যদিও প্ৰায় ব্ৰাহ্মণ মাত্ৰেই বঙ্গদেশীয় গোঁসাইৰ শিক্ষা দীক্ষা লোৱা হৈছে।

এইবিলাক কিন্তু নিতান্ত আধুনিক আৰু বঙ্গদেশৰ গোঁসাই শৰণীয়া অনেক বৈষ্ণৱ ব্ৰাহ্মণো আজিকালিলৈকে দেখা পোৱা গৈছে। ৰাজহুৱাকৈ দুৰ্গাপূজা কৰাটো আমাৰ দেশত আগেয়ে কেতিয়াবা আছিল নে? কোনো বুৰঞ্জীত পোৱা কথা কোনোৱাই কব পাৰে নে? তেন্তে কিয় আসমীয়াক এই বঙ্গালীৰ অনুকৰণ-বায়ুৱে উৰাই নিছে? আমোদ প্ৰমোদ কৰিবলৈ সময়টো ভাল, কামৰ বহুত দিন আজৰি পায়, দুৰ্গা পূজা নকৰাকৈ আমোদ প্ৰমোদ, যেনে থিয়েটৰ আদি নহয় নে? বাস্তবিকপক্ষে দুৰ্গা পূজাৰ নাম লৈ কলিকতা আৰু আন আন ঠাইৰ নাচনী আনি যেতিয়া হেজাৰ হেজাৰ টকাৰ বছৰি শ্ৰাদ্ধ কৰা দেখোঁ তেতিয়া আমাৰ দেশত ধৰ্ম্মৰ কি বিপ্লৱ আৰু মনৰ কি ভ্ৰান্তি হৈছে ভাবিলে বৰ দুখ লাগে। এইবিলাক কথাত হস্তক্ষেপ কৰিলে গৱৰ্ণমেণ্টৰ বাস্তবিকতে Religion interfere কৰা হব নে কি? তেন্তে আমাৰ ভিতৰতে এইবিলাকৰ এটা সদ উপায় ওলাব নোৱাৰে নে? ধৰ্ম্মৰ নাম লৈ দেশৰ দুৰ্গতি বঢ়োৱা নিতান্ত অন্যায় আৰু অধৰ্ম্মৰ কাম।

ইপোনে বৈষ্ণৱধৰ্ম্ম মহাপুৰুষ শঙ্কৰ দেৱৰ প্ৰচাৰিত কাৰণে বহুত ব্ৰাহ্মণে আচৰিবলৈ বেয়া পোৱা দেখা গৈছে। যাক ঈশ্বৰৰ অৱতাৰ বুলি অনেক অনেক শুদ্ধ আৰু পণ্ডিত ব্ৰাহ্মণে শিক্ষা লৈ গুৰু বুলি মানিছিল আৰু যাৰ দ্বাৰাই শুদ্ধ সনাতন ভাগৱতী ধৰ্ম্ম আসামত প্ৰচাৰিত হৈছে, তেনে জন মহা পুৰুষক শূদিৰ বুলি যি মান নকৰে, আৰু তেওঁৰ নাম নলয় তেনেকুৱা ব্ৰাহ্মণে কেৱল পণ্ডিতালি, আৰু জ্ঞানৰ স্বল্পতা অৰু মনৰ সঙ্কীৰ্ণতাৰ পৰিচয় দিয়ে। ওফন্দিছোঁ আমি আজিকালি আগতকৈ বহুত সভ্য, ওখ, আৰু উন্নত হৈছোঁ বুলি; কিন্তু ইমান ফেৰা স্বাৰ্থপৰতা ত্যাগ কৰি ডাঙৰ ডাঙৰৰ-গুণ দেখিব নোৱাৰোঁ যেতিয়া, আমাৰ সভ্যতা কি? আমাৰ উন্নতি বা কত? অনন্ত কন্দলী আৰু ৰাম সৰস্বতীৰ দিনতকৈ আমি বাস্তবিকপক্ষে উন্নত নে? পোছাক পৰিচ্ছদে হব পাৰে, কিন্তু মনৰ উচ্চভাব বাবে নিশ্চয় নহয়।

নহলে শঙ্কৰদেৱ মাধৱদেৱৰ নিচিনা একোজন ঈশ্বৰাংশ মহাপুৰুষ আমাৰ মাজত আজি শূদিৰ বুলি হেয় ভাবিবলৈ কাৰো মন নজন্মিলহেতেন॥

শ্ৰীদেবেশ্বৰ চলিহা।

---

## সৰগ আৰু মৰত।

শুনিছোঁ সদায় সৰগত সুখ মৰত দুখেৰে ভৰা।
মৰতত মাথোঁ বিষাদ বিননি আছে প্ৰাণ আধা মৰা॥
সৰগত ফুলে পাৰিজাত ফুল মন্দাকিনী বই যায়।
নন্দন কানন অপেচৰা গীত ইয়াত পাবলৈ নাই॥
সদায় পোহৰ আছে সৰগত দেৱতাৰ লীলা ভূমি।
দুৰাশা মাথোন আশা কৰা তাক মৰ্ত্ত্যৰ মানৱ আমি॥
সৰগতে থক সৰগৰ সুখ থক দেৱতাৰ লীলা।
মৰতৰ জীৱ মৰততে আমি পাতোঁ সৰগৰ মেলা॥
কৱিৰ কল্পনা সৰগ ভাবনা মুৰৰ মুকুটমণি।
মৰতত আছে প্ৰেমৰ নিজৰা সুখ সৌন্দৰ্য্যৰ খনি॥
মৰতত বয় চেনেহৰ সোঁত অমিয় মাধুৰী সানি।
অথিৰ প্ৰাণত সুমধুৰ সুৰে শুনাই শান্তিৰ বাণী॥
দুখত দুখাৰি চকুলো ওলালে সাদৰেৰে মচি দিয়ে।
আথেবেথে আহি কতনো যতনে প্ৰাণৰ বোজাটি নিয়ে॥
ইয়াতেই আছে ভাই ভটনীৰ মধুৰ মিলন তান।
মাতৃ হৃদয়ৰ অসীম চেনেহ করুণ কোমল প্ৰাণ॥
অতীত ভৱিষ্য জীৱনৰ যত সুখৰ দুখৰ ৰেখা।
ইয়াতেই ধীৰে লয় পায় পুনু ইয়াতেই দিয়ে দেখা॥
ইয়াতেই দেখোঁ নীৰ সমীৰত পুৰা শৰুষৰ খেলা।
সোনালী বাতিত তটিনী বুকুত ৰূপালী লহৰী লীলা॥
সকলোটি আছে মৰত মাজত দেখিও নেদেখোঁ হায়।
সুখৰ ভঁৰাল হাতেতেই আছে সুবুজি বুলিছোঁ নাই।
নিজৰ স্বাৰ্থত নিজেই বলিয়া নিজকে পাতিছোঁ বৰ।
নিজৰ ঘৰত নিজকে আদৰি আনক কৰিছোঁ পৰ॥
ঘৰে ঘৰে আহাঁ মৰম বিলাওঁ পৰক আপোন কৰি।
সকলোকে হেৰা তোমোঁ আদৰেৰে বুকুত সাবটি ধৰি॥
জগত মাজত নিজকেই আজি যতনে বিলাই দিলোঁ।
মিছা সুখ দুখ ভিন ভেদ ভাব আজি আতৰাই থলোঁ॥
উদাৰ মুকলি অসীম বিশ্ব সমুখত আছে পৰি।
মানৱৰ মহা মিলনৰ গীতি উঠিছে জগত জুৰি॥
মলয়াই চোৰাঁ ধীৰে ধীৰে বই বাতৰি বিলায় তাৰ।
দিয়ে উটুৱাই দুখ বেজাৰৰ হমুনিয়া নিৰাশাৰ॥
নিজকে দেখিছোঁ সকলোতে মই সকলো আপোন মোৰ।
প্ৰাণে প্ৰাণে মিলি সাবটাসাবটি নপৰে সুখৰ ওৰ॥
অসীমে দেখায় সীমাৰ মাজত অনন্ত কালৰ খেলা।
সৰগ মৰতে পাতে দুয়ো মিলি প্ৰেমৰ মোহিনী মেলা॥
য'তে শেষ হয় ত'তে আৰম্ভন এয়ে জগতৰ নীতি।
ইফালে লুকাগে সিফালে ওলায় এয়ে প্ৰকৃতিৰ ৰীতি॥
জীৱণ মৰণ সৰগ মৰত নাই কোনো ভেদ ভিন্।
বাজিছে সদায় একেটি সুৰতে এখনি বিশ্বৰ বীণ॥

"যদু

---



## স্বৰ্গীয়া আনন্দীবাঈ জোছী।

ডাক্তৰ শ্ৰীমতী আনন্দীবাঈ জোছী এম্-ডি মহাৰাষ্ট্ৰীয় ৰমণী সমাজৰ ভিতৰত অমূল্য ৰত্নস্বৰূপা আছিল। শিক্ষা, চৰিত্ৰ, দেশানুৰাগ আৰু মনস্বিতাৰ পোহৰেৰে যিসকলে ৰত্নপ্ৰসৱিণী মহাৰাষ্ট্ৰ ভূমিৰ মুখ উজ্জ্বল কৰি থৈ গৈছে আনন্দীবাঈ তাৰ ভিতৰত অগ্ৰগণ্যা। তেওঁ জীৱনত কেবাবাৰো ভীষণ সঙ্কটত পৰিছিল; এনে কি, সভ্যতাৰ মুখা পিন্ধা ওপৰ-চকুৱা মিছনৰী ভিকতা এগৰাকীয়ে নিঃসহায় নিৰাশ্ৰয় অৱস্থাত পাই তেওঁক অন্য

পথলৈ নিবলৈ আৰু খৃষ্টীয় ধৰ্ম্মত বলেৰে দীক্ষা দিবলৈ চেষ্টা কৰিছিল। কিন্তু আনন্দী বাঈৰ কি মহিমা, তেওঁ এই ভীষণ অগ্নিপৰীক্ষা অতি সুকলমে উৰ্ত্তীর্ণ হৈ আহে, হিন্দুৰমণীসুলভ নিষ্ঠা আৰু মহৎ উদ্দেশ্য সিদ্ধিৰ বাটৰপৰা খন্তেকলৈকো তেওঁৰ ভৰি পিছলা নাছিল। ভাৰত ৰমণীৰ চিকিৎসা শাস্ত্ৰ শিক্ষাৰ বাট সুগম কৰিবৰ নিমিত্তে সোতৰ বছৰ বয়সত প্ৰিয়তম পতিক এৰি বাধা-প্ৰতিবন্ধকৰ দুৰ্ভেদ্য দেহ লংঘন কৰি সাত-সমুদ্ৰ-তেৰ-নৈ পাৰ হৈ তেওঁ সুদূৰ আমেৰিকা দেশলৈ যায়। তাতো তেওঁ স্বদেশৰ আচাৰ ব্যৱহাৰ মানি চলিছিল। নিজৰ মহান্ উদ্দেশ্যে সফল কৰিবলৈ যাওঁতে জীৱনত তেওঁ অশেষ গঞ্জনা-গৰিহণা অপমান অত্যাচাৰৰ ভাগী হ'ব লগাত পৰে, কিন্তু মনস্বিনী আনন্দীবাঈ ভুলেচুকেও নিজ মহাব্ৰতৰপৰা বিচলিত হোৱা নাছিল। আজিলৈকে তেওঁ হিন্দু ৰমণী মাত্ৰৰে আদৰ্শ স্থানীয়া হৈ আছে। মহাৰাষ্ট্ৰৰ দুৰ্ভাগ্য, ভাৰতৰ দুৰ্ভাগ্য, একুৰি দুবছৰ বয়সত ভৰি নিদিওঁতেই এই ৰমণীৰত্নই ইহধাম ত্যাগ কৰি যায়!

১৮৬৫ খৃষ্টাব্দৰ মাৰ্চ্চ মাহত জুব্বলনগৰীত এটি ব্ৰাহ্মণ পৰিয়ালত আনন্দী বাঈৰ জন্ম হয়। তেওঁৰ পিতৃদেৱ শ্ৰীযুক্ত গণপৎৰাও অমৃতেশ্বৰ জোছী এজন ধৰ্ম্মনিষ্ঠ শান্তস্বভাৱ আৰু অমায়িক মানুহ আছিল। তেওঁৰ দ্বিতীয়া পত্নীৰ গৰ্ভত এটি পুত্ৰ আৰু তিনিটি কন্যা জন্মে, ছোৱালী তিনিজনীৰ মাজত আনন্দীবাঈ মাজু। সৰুতে তেওঁৰ নাম আছিল যমুনাবাঈ, কিন্তু বিয়াৰ সময়ত তেওঁৰ নতুন নাম দিয়া হয়, তেতিয়াৰেপৰা তেওঁ 'আনন্দীবাঈ' নামে পৰিচিতা হয়। আন সমাজত বিয়াৰ পাছত তিৰুতাৰ অকল উপাধিহে সলনি হয়, মহাৰাষ্ট্ৰীয় সমাজত উপাধিৰ উপৰিও নামান্তৰ ঘটে।

সৰুতে যমুনাই তেওঁৰ অসাধাৰণ বুদ্ধি-প্ৰতিভাৰ যে বিশেষ কিবা চিনাকি দিছিল এনে নহয়। কিন্তু তেওঁৰ টুপ্‌টুপীয়া মুখখনি, নিতৌ প্ৰফুল্লভাব আৰু চাফচিকুণ সাজপাৰ দেখি যেয়ে সেয়ে ভোল গৈছিল। ছয় কি সাত বছৰ বয়সত এদিন তেওঁ এজন পাদ্ৰীৰ বক্তৃতা দিয়া শুনে তেতিয়াৰেপৰা তেওঁ নিজৰ লগৰিয়ানীহঁতক একেলগ কৰি সেই পাদ্ৰীৰ চাহাবৰ বক্তৃতাৰ হুবহু নকল কৰি শুনাইছিল। সকলোৱে যমুনাক সেইদিনাৰপৰা "পাদৰিণী" বুলি ঠাট্টা কৰিবলৈ ধৰে। আন আন লৰাছোৱালীৰ দৰে



সৰুকালত যমুনাই পুতলা আৰু দৰাকন্যা খেলা ভাল নেপাইছিল। কিন্তু যিবোৰ খেমালিত জপিওৱা আৰু লৰ মৰা বেছি, যমুনাই সেইবোৰ বিশেষ ভাল পাইছিল, তাৰ বাদেও শাকপাচলি আৰু ফুলৰ গছ ৰোৱাত যমুনাৰ বিশেষ হাউচ দেখা গৈছিল। যমুনাৰ মাক অতি খঙাল স্বভাৱৰ তিৰুতা আছিল সেইদেখি জীয়েক যমুনাই অলপ দোষতে তেওঁৰ হাতত কঠোৰ শাস্তি পাইছিল।

সাতবছৰ বয়সত যমুনাক স্কুলত নাম লগাই দিয়া হয়। তেওঁৰ স্মৰণশক্তি বৰ চোকা আছিল, কোনো কথা এবাৰ শুনিলে তাক তেওঁ সহজে নেপাহৰিছিল। কিন্তু পঢ়াশুনাত তেওঁৰ বিশেষ মনোযোগ নাছিল। পঢ়াশালিলৈ যোৱাৰ নাম শুনিলে তেওঁ যম দেখাদি দেখিছিল; স্কুললৈ যাবৰ সময় আহিলেই তেওঁৰ পেট-কামোৰণি ধৰিছিল, নাইবা আন ধৰণৰ অসুখ আৰম্ভ হৈছিল। মৰমৰ বুঢ়ীমাকে মৰম কৰি যমুনাক পঢ়াশালিলৈ যাবলৈ মনা কৰিলে তেওঁৰ অসুখ ততালিকে ভাল হৈছিল। এই কাৰণে ঘৰৰ ভিতৰত আইতাকৰ বাহিৰে আনে কেও তেওঁক বৰ মৰম নকৰিছিল।

যমুনা দেহ শকত-আৱত বলিষ্ঠা ছোৱালী আছিল। এদিন তেওঁতকৈ বয়সে ডাঙৰ এজন সম্পৰ্কীয় লৰাক কুস্তিখেলাত হৰুৱাৰ বাবে তেওঁ "যমুনা মল্ল" নাম পায়। যমুনা বৰ বাঢ়নীয়া লক্ষণৰ ছোৱালী আছিল, সাত বছৰ বয়সতে তেওঁক দহ বছৰীয়া জনী যেন দেখাইছিল। কাজেই যমুনাৰ বিয়াৰ নিমিত্তে আটায়ে চিন্তাম্বিত হ'ল। যমুনা সুন্দৰী নাছিল। গতিকে তেওঁলৈ সতকাই দৰা পোৱা টান হ'ল। বহুত দিন দৰা বিচৰাৰ পাছত ডাক-বিভাগৰ কৰ্ম্মচাৰী শ্ৰীযুক্ত গোপাল ৰাও বিনায়ক জোছী সঙ্গমনেৰকৰৰ লগত যমুনাৰ বিয়াৰ স্থিৰ হল, আৰু বিয়াৰ দিনো নিৰ্দ্ধাৰিত হল। গণপৎৰাওৰ মূৰৰপৰা যেন এটি প্ৰকাণ্ড চিন্তাৰ বোজা নমাই থোৱা হল।

গোপাল ৰাওৰ বিষয়ে এইখিনিতে গোটাচেৰেক কথা কৈ থোৱা ভাল। তেওঁ অদ্ভুৎ প্ৰকৃতিৰ মানুহ আছিল, তেওঁৰ কথা আৰু কাৰ্য্যৰ গতি কোনেও তৎ ধৰিব নোৱাৰিছিল, তেওঁৰ নিচিনা চঞ্চল স্বভাৱ আৰু খনাই মত সলোৱা মানুহ সংসাৰত অতি বিৰল। ব্ৰাহ্মণৰ সন্তান হৈ পোনতে

তেওঁ ব্ৰাহ্ম, পাছত খৃষ্টান আৰু শেহত পৰাচিত হৈ পুনৰ হিন্দুসমাজত সোমায়। আচৰিত মানিব লগীয়া যে খৃষ্টধৰ্ম্মাৱলম্বী হৈয়ো তেওঁ লগুণ এৰি দিয়া নাছিল। তেওঁৰ এই বিচিত্ৰ “ধামখেয়ালিৰ” বাবে আনন্দীবায়ে কেৰাবাৰো দাৰুণ মৰ্ম্মবেদনা ভোগ কৰে।

গোপাল ৰাওৰ লগত যমুনাৰ বিয়াৰ দিন স্থিৰ হৈ গল। কিন্তু ইতিমধ্যে গোপাল ৰাওৰ মত বদলিল, তেওঁৰ প্ৰবল ইচ্ছা হল যে তেওঁ বিধৱা বিয়া কৰায়। ইতিপূৰ্ব্বে তেওঁ মহাৰাষ্ট্ৰ দেশৰ বিদ্যাসাগৰ বিধৱা বিবাহ প্ৰবৰ্ত্তক পণ্ডিতবৰ শ্ৰীযুক্ত পৰশুৰাম শাস্ত্ৰীৰ লগত ফুৰি বিধৱা-বিবাহৰ ঘোৰ পক্ষপাতী হৈ পৰে। এনে কি, যমুনাৰ লগত সম্বন্ধ স্থিৰ হোৱাৰ পাছতো তেওঁ এটী বিধৱা কন্যাৰ সন্ধানত আছিল। ইফালে গণপৎ ৰাৱে মিতিৰ কুটুম আত্মীয় পৰিয়ালক মাতি বিয়ালৈ আয়োজন কৰিলে। চাওঁতে চাওঁতে বিয়াৰ দিন উপস্থিত হল, শুভলগ্নৰ ক্ষণ আহিল, তথাপি দৰাৰ ছাঁটোও দেখা পাবলৈ নাই! গণপৎ ৰাও এই আকস্মিক দুৰ্যোগত পৰি বিমোৰ হল।

যিজন মানুহে ঘটক হৈ যমুনাৰ বিয়াৰ সম্বন্ধ স্থিৰ কৰিছিল তেওঁ এদিন নাচিক-ষ্টেচনত গোপাল ৰাওক দেখা পায়। গোপাল ৰাওক লগত লৈ মধ্যস্থজনে নাচিক নিবাসী শ্ৰীযুক্ত গঙ্গাধৰ নৰসিংহ কেতকৰ ডাঙৰীয়াৰ ওচৰলৈ গল। গোপাল ৰাও যিমানকি চঞ্চলপ্ৰকৃতিৰ হওক, তেওঁ বিবেক-বিৰহী নৰপশু নাছিল। তেওঁৰ চৰিত্ৰত উচ্চ আদৰ্শ আৰু মানৱিকত্বৰ বীজ আছিল। তেওঁ যে সমাজদণ্ড বা নিন্দাগৰিহনালৈ ভ্ৰূক্ষেপ নকৰি কোনো বিধৱা কন্যাৰ পাণিগ্ৰহণ কৰিবলৈ আগ বাঢ়িছিল ইয়ো তেওঁৰ স্বাৰ্থত্যাগী মহৎ হৃদয়ৰ হে চিনাকি দিয়ে। নৰসিংহ কেতকৰ ডাঙৰীয়াৰ বুজনি শুনি তেওঁৰ জ্ঞানোদয় হল। বিয়াৰ সময়ত গোপাল ৰাৱে যমুনাৰ নাম ৰাখিলে আনন্দী বাঈ।

গোপাল ৰাও স্ত্ৰীশিক্ষাৰ বিশেষ পক্ষপাতী আছিল। তেওঁৰ বিয়াৰ সম্বন্ধ স্থিৰ হওঁতে এটি বিষয়ত গণপৎ ৰাওক প্ৰতিজ্ঞাবদ্ধ কৰাই লৈছিল;—যে তেওঁ ভাবী পত্নী যমুনাক নিজৰ ইচ্ছামতে শিক্ষাদান কৰিব, তাত তেওঁৰ শহুৰেকে কোনো আপত্তি বা বাধা দিব নোৱাৰিব, এইদৰে প্ৰতিজ্ঞা কৰিবলৈ তেওঁ গণপৎ ৰাওক বাধ্য কৰালে। গণপৎ ৰাও স্ত্ৰীশিক্ষাৰ বিশেষ



পক্ষপাতী নহলেও দৰা বিচৰাৰ দায়ৰপৰা নিষ্কৃতি লাভৰ নিমিত্তে ভাবী জোঁৱায়েকৰ এই প্ৰস্তাৱত সহজে সন্মত হল। গোপাল ৰাৱে ভালকৈ বুজিছিল যে আমাৰ তিৰুতাসমাজৰ চকু মোকলাব নোৱাৰিলে ভাৰতৰ কল্যাণ কামনা কৰা বৃথা। সন্তানক সৰুৰেপৰা মহৎ আদৰ্শ দেখুৱাই সৎসাহী আৰু চৰিত্ৰবান কৰিবলৈ, আৰু নতুন যুগৰ উপযোগী কৰি শিক্ষা দিবলৈ জননী নিজে শিক্ষিতা হব লাগিব। মানৱ জীৱন অতি দুৰ্লভ বস্তু, স্বয়ং ব্ৰহ্মাই শত আৰাধনা কৰিও ইয়াক নেপালে। এই খন্তেকীয়া মানৱ জীৱনত জ্ঞানৰ সমান অমৃত আন একো নাই। এই পবিত্ৰ জ্ঞানামৃতৰপৰা নাৰীক বঞ্চিত কৰি ৰাখিবৰ পুৰুষৰ একো অধিকাৰ নাই। বহুতৰ বিশ্বাস যে তিৰুতাক অজ্ঞান-তিমিৰত ৰখা ভাল, কাৰণ শিক্ষাৰ পোহৰ পালে বোলে তেওঁলোকৰ নাৰীত্ব আৰু মাতৃত্বত অশেষ বিঘিনি জন্মে; এনে ধৰণৰ উদ্ভট মতাৱলম্বীসকলক আমি এটি উপমা মাথোন দেখুৱাওঁ; ধৰা তোমাৰ বাৰীত আম আৰু লেচু দুজোপা গছ আছে। তুমি যদি দুজোপা গছত যত্ন কৰি সাৰ দিয়া, তাৰপৰা লেচুৰ ‘লেচুত্ব’ আৰু আমাৰ “আমত্ব’ৰ পূৰ্ণ মাত্ৰা বিকাশ হব। আম আৰু লেচু গৈ একেজাতীয় ফলত কেতিয়াও পৰিণত নহয়। সেইদৰে তিৰুতাক শিক্ষাৰ সাৰ দিলে নাৰীত্বৰ সৰ্ব্বাঙ্গ বিকাশহে হয়, তাৰ লোপ হবৰ কোনো সম্ভাৱনা নাই। কবিয়ে গাইছে,—“না জাগিলে সব ভাৰত ললনা, এ ভাৰত আৰু জাগেনা জাগেনা”, গোপাল ৰাৱে কবিৰ এই বহুমূলীয়া কথাৰ সাৰাংশ ভালকৈ উপলব্ধি কৰিছিল। সেইদেখি তেওঁ কুমলীয়া পত্নী আনন্দী বাঈক ভালমতে শিক্ষা দি মনোমত কৰি গঢ়ি লবলৈ দৃঢ়প্ৰতিজ্ঞ হল। বিয়াৰ পাছত কিছুমান দিন তেওঁ শহুৰেকৰ ঘৰতে আছিল। আনন্দীবায়ে পঢ়িবলৈ তেওঁ খনচেৰেক মাৰাঠী পুথি আনি দিছিল। লেখাপঢ়াৰ পিনে আনন্দী বাঈৰ আগৰে অশ্ৰদ্ধা, সতিকে যৰে কিতাপ ততে পৰি থাকিল। ইফালে গণপৎ ৰাও স্ত্ৰীশিক্ষাৰ বিশেষ পক্ষপাতী নোহোৱাত, দেউতাকৰ ঘৰত আনন্দী-বাঈক ৰখাটো গোপালৰাৱে সুবিধাজনক যেন নেভাবিলে। সেইদেখি তেওঁ বহুত চেষ্টা কৰি ডাকবিভাগৰ কৰ্ত্তৃপক্ষক ধাটি আলিবাগলৈ বদলি হল, আৰু তালৈ বুঢ়ীমাকৰ সৈতে আনন্দীবাঈক লৈ গল।

ইয়াতো আহি আনন্দীবাঈৰ পঢ়াশুনাত মনোযোগ নেবাঢ়িল। তেওঁ গোপাল ৰাওৰ আগতে কিতাপ ছিলঠ দলিয়াই পেলাইছিল। গোপাল ৰাৱে তেতিয়া আন ফিকিৰ আৰম্ভ কৰিলে। তেওঁ মুঠেই বং নেদেখুৱাই আজলী আনন্দী বাঈক নানা তৰহৰ খেমালি আৰু হেপাহৰ বস্তু আনি দিলে,লেখাপঢ়া শিকিলে আৰু আনি দিম বুলি লোভ দেখুৱালে। এইবাৰ তেওঁ কৃতকাৰ্য্য হল। কিন্তু আনন্দীবাঈৰ ছোৱালী স্বভাৱ কত যায়, পঢ়া বন্ধ হলেই একে জাপেই গৈ তেওঁ লগৰিয়ানীইঁতৰ লগ লৈছিল গৈ; কিন্তু তেওঁৰ বুদ্ধি চোকা থকাৰ গতিকে অতি কম পৰিশ্ৰমতে সকলো বিষয় আয়ত্ত কৰিব পাৰিছিল। বাপোৰ-ভানিৰ ধুনপেচত আনন্দীবাঈৰ পোনতে বেছ ধাউতি আছিল, কিন্তু গোপাল ৰাওৰ চেষ্টাত পাছলৈ তেওঁ সৰল সহজ সাজপাৰৰ পক্ষপাতিনী হয়। আলিবাগলৈ যোৱাৰ পাছত তেওঁৰ লেখাপঢ়াৰো বৰ উন্নতি হয়, আৰু একপ্ৰকাৰে তেওঁৰ মাৰাঠী শিক্ষা সম্পূৰ্ণ হয়।

বিয়াৰ ন্বছৰৰ পাছত আনন্দীবাঈৰ এটি পুত্ৰ সন্তান লাভ হয়। কিন্তু সেই শিশু ওপজাৰ পাছত মাথোন দহদিন জীয়াই থাকে। ইয়াৰ পাছত প্ৰসূতী অৱস্থাত আনন্দীবাঈ পিতাকৰ ঘৰত থাকেগৈ। দাৰুণ পুত্ৰশোক অতিক্ৰম কৰি শান্ত হোৱাৰ পাছত তেওঁ পুনৰ আগৰদৰে লেখাপঢ়া আৰম্ভ কৰে. তেওঁৰ মাৰাঠী শিক্ষা শেষ হৈছিল, গোপাল ৰাৱে এইবাৰ তেওঁক ইংৰাজী শিকাবলৈ ধৰিলে; আনন্দীবাঈৰো জ্ঞানস্পৃহা ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। এতিয়া আৰু তেওঁৰ গত লৰালিৰ চাঞ্চল্য নাই, তেওঁ স্বামীৰ ইচ্ছানুগামিনী প্ৰকৃত সঙ্গিনীৰ ঠাই অধিকাৰ কৰিলে।

গোপাল ৰাও অৱৰোধ প্ৰথা বা তিৰুতাক পৰ্দ্দাৰ ভিতৰত ৰাখি সংসাৰৰ নানান অভিজ্ঞতাৰপৰা বঞ্চিত কৰা নিয়মৰ পক্ষপাতী নাছিল। তেওঁ জানিছিল যে তিৰুতাৰ মুখৰপৰা ওৰণী গুচাই তিৰুতাক বাহিৰৰ সংসাৰত লৈ ফুৰিলে বিশেষ একো অপকাৰৰ সম্ভাৱনা নাই। সৃষ্টিপাতনিত বিধাতাই যি লীলাৰ দ্বাৰাই পুৰুষ আৰু প্ৰকৃতিৰ মাজত বৈচিত্ৰ্য স্থাপন কৰি থৈছে, তিৰুতাই চোতৰপৰা ওলাই মুকলিমূৰীয়া হৈ ফুৰিলেই যে নাৰীৰ স্বাভাৱিক সংকোচ আৰু সেই বৈচিত্ৰ্য নষ্ট পাব, এনে কেতিয়াও হ'ব নোৱাৰে। সেইদেখি আলিবাগত থাকোঁতে গোপাল ৰাৱে সাগৰৰ দাতিলৈ প্ৰায় আনন্দী বাঈক



লগত লৈ ফুৰিবলৈ গৈছিল। যুৱতী তিৰুতাক এইদৰে মুকলি মূৰীয়াকৈ উলিয়াই লৈ ফুৰাত তেওঁলোকৰ পিনে সকালাৰে চকু পৰে। তাত থকা অসম্ভৱ হৈ উঠাত গোপাল ৰাৱে চেষ্টা কৰি কোহ্লাপুৰলৈ বদলি হৈ গ'ল। তেতিয়া আনন্দী বাঈৰ বয়স তেৰ বছৰ মাথোন।

কোহ্লাপুৰত থাকোঁতে জোছী দম্পতীৰ লগত তাৰ পাদ্ৰীসকলৰ বিশেষ ঘনিষ্ঠতা হয়। তাৰ ছোৱালী স্কুলৰ শিক্ষয়িত্ৰী মিচ্ মাইচীৰ লগত গাড়ীত উঠি আনন্দী বাঈ নিতৌ পঢ়াশালিলৈ যায়। আৰু পাদ্ৰী চাহাবইঁতৰ ঘৰলৈ পতিপত্নী দুয়ো অহাযোৱা কৰে. ইয়াৰ নিমিত্তে তেওঁলোক সকলোৰে হাঁহিয়াতৰ পাত্ৰ হয়। কিন্তু গোপাল ৰাও সেইবোৰলৈ কেৰেপ-কৰা বিধৰ মানুহ নাছিল। তেওঁ মিছনৰীসকলৰপৰা জানিব পাৰিলে যে আমেৰিকালৈ গলে আনন্দীবাঈৰ শিক্ষাৰ বিশেষ সুবিধা হ'ব। তেওঁলোকে গোপাল ৰাওক খৃষ্ট ধৰ্ম্মত দীক্ষিত কৰিবলৈ পাৰে মানে যত্ন কৰিছিল,এনে কি গোপাল ৰাৱে নজনাকৈ আনন্দী বাঈৰ আগতো খৃষ্ট মাহাত্ম্য কীৰ্ত্তন কৰিছিল। কুমলীয়া যদিও আনন্দী বাঈৰ দৃঢ় চিত্তত তেওঁলোকে একো বিকাৰৰ সাঁচ বহুৱাব নোৱাৰিলে। গোপাল ৰাও অগত্যা মিছনৰীইঁতৰ সংস্ৰৱ এৰিবলৈ বাধ্য হ'ল।

১৮৮৯ খৃষ্টাব্দৰ প্ৰাৰম্ভত গোপাল ৰাও বোম্বাইলৈ বদলি হৈ তাৰ মিছনৰ স্কুলত আনন্দী বাঈৰ শিক্ষাৰ বন্ধবস্ত কৰি দিলে। আনন্দী বায়ে দিনৌ অকলৈ স্কুললৈ বাজআলিয়েদি অহা যোৱা কৰে, তেওঁৰ সাজ-পাৰতো পাশ্চাত্যৰ আভাস আছিল। সেইদেখি বাটত বাওঁতে তলশ্ৰেণীৰ মানুহে আৰু সভ্য নামধাৰী নীচ প্ৰকৃতিৰ ভদ্ৰলোকে তেওঁক ঠাট্টা বিদ্ৰূপ কৰিবলৈ নেৰিছিল। ইতিমধ্যে গোপাল ৰাওৰ পিতাক বিনায়ক ৰাৱে লৰা আৰু বোৱাৰীৰ তেনে অদ্ভুত মতি-গতি দেখি বৰ বেজাৰ পায়, আৰু পুত্ৰৰ মুখ নেচাঁও বুলি শপত খায়।

বোম্বেৰ মিছনৰী স্কুলত আনন্দী বাঈৰ পঢ়াশুনাৰ বেছ উন্নতি হবলৈ ধৰিলে। তেওঁ অলপ সময়ৰ ভিতৰতে ইংৰাজীৰে কথা ক'বলৈ শিকিলে। ইংৰাজী ভাষা শিক্ষাৰ লগে লগে ইংৰাজ তিৰুতাৰ দৰে যাতে আনন্দী বায়ে স্বাধীন ভাৱে থাকিব পাৰে, গোপাল ৰাৱে তালৈ বিশেষ দৃষ্টি ৰাখিছিল।

তেওঁক অকলৈ ঘৰত থৈ গোপাল ৰাৱ মাজে মাজে ইফালে সিফালে গৈছিল। বোম্বাইৰপৰা আনন্দী বাঈৰ পিতাকৰ ঘৰ কল্যাণলৈকো তেওঁক অকলৈ অকলৈ ৰেলগাড়ীত পঠিয়াই ছিল।

বোম্বেইৰপৰা গোপাল ৰাও ভোজ নগৰলৈ বদলি হয়। ইয়াত আনন্দী বাঈৰ পঢ়াশলীয়া শিক্ষাৰ সুবিধা নোহোৱাত স্বামীয়ে নিজে শিক্ষাৰ ভাৰ ললে। স্বামীৰ চেষ্টাত আনন্দী বাঈ ইংৰাজী ভাষাত সুপণ্ডিত হয়। লাহে লাহে তেওঁ সংস্কৃতো শিকিবলৈ ধৰিলে।

ভোজ নগৰত থাকোঁতে আনন্দী বায়ে আমেৰিকাৰ নিউজাৰ্চী নিবাসিনী শ্ৰীমতী কাৰ্পেণ্টাৰৰপৰা এখনি চিঠি পায়। গোপাল ৰাও আৰু মিছনৰী সকলৰ মাজত লেখালেখি হোৱা চিঠিবোৰ আমেৰিকাৰ "ক্ৰিশ্চান ৰিভিউ" নামে কাগজত প্ৰকাশ পায়। দৈৱাৎ সেই কাগজ শ্ৰীমতী কাৰ্পেণ্টাৰৰ হাতত পৰাত তেওঁ আনন্দীবাঈলৈ উৎসাহ সহানুভূতিপূৰ্ণ এখন চিঠি দিয়ে। সহৃদয়া শ্ৰীমতী কাৰ্পেণ্টাৰৰ লগত এই ঘনিষ্ঠতা আনন্দীবাঈৰ জীৱনব্যাপী হয়। দুয়োৰে ভিতৰত ঘনাই চিঠিপত্ৰ চলিবলৈ ধৰে। আনন্দী বায়ে মাজে মাজে নিজৰ দেশৰ ভাল ভাল বস্তুৰ চানেকী শ্ৰীমতী কাৰ্পেণ্টাৰলৈ উপহাৰ পঠিয়াই দিছিল।

১৮৮১ খৃষ্টাব্দৰ এপ্ৰিলত ভোজৰপৰা গোপাল ৰাও কলিকতালৈ বদলি হ'ল। কলিকতালৈ আহি আনন্দী বাঈৰ সুখশান্তি নোহোৱা হ'ল। কলিকতাত মানুহৰ সহানুভূতি পাবলৈ নাই, জোছী দম্পতীয়ে মুকলি ভাৱে বাজআলিত ওলাই ফুৰাত মানুহে তেওঁলোকৰ পিনে সন্দেহৰ চকুৰে কেৰা-কেৰি কৈ চায়, সেইটোতে তেওঁ বিশেষকৈ অসন্তোষ পাইছিল। কলিকতাৰ পৰা গোপাল ৰাও শ্ৰীৰামপুৰলৈ বদলি হ'ল। আনন্দী বায়ে সেই সহানুভূতিবিহীন জনসমাবেশৰ হাত সাৰি শ্ৰীৰামপুৰৰ মুকলি বায়ু পাই অলপ শান্ত হ'ল। ইতিমধ্যে গোপাল ৰাৱে চেষ্টা কৰি আনন্দী বাঈক ডাক বিভাগত চাকৰি এটি দিয়ালে, কিন্তু আনন্দী বাঈ বিশেষ কাৰণত চৰ্কাৰী চাকৰিৰ ওপৰত এক প্ৰকাৰে অসন্তুষ্ট হৈ থকাত তেওঁ ইয়াক গ্ৰহণ নকৰিলে। শ্ৰীৰামপুৰত থাকোতে কেমাহমানৰ ছুটি লৈ গোপাল ৰাৱে সস্ত্ৰীক উত্তৰ-ভাৰতৰ প্ৰধান ঠাইবোৰ চাই ফুৰিছিল। ইয়াৰপৰা আনন্দী



বাঈৰ বিশেষ অভিজ্ঞতা জন্মে। আনন্দী বাঈৰ ভাৰতীয় শিক্ষাৰ এই শ্ৰীৰামপুৰতে সামৰণি পৰে। ইয়াৰপৰাই পাশ্চাত্য চিকিৎসা শাস্ত্ৰ শিকিবৰ নিমিত্তে তেওঁ সুদূৰ আমেৰিকালৈ যায়।

স্বদেশৰ তিৰুতা সমাজৰ মঙ্গল কামনা সৰু কালৰেপৰা গোপাল ৰাওৰ হৃদয়ত বদ্ধমূল আছিল। কিন্তু স্ত্ৰী-শিক্ষা আৰু স্ত্ৰী-স্বাধীনতা সম্বন্ধে তেওঁৰ সমসাময়িক সংস্কাৰকসকলে যি আন্দোলন উপস্থিত কৰে তাৰ তেওঁ পক্ষপাতী নাছিল। মৌখিক আন্দোলনৰ সলনি প্ৰকৃত কাম আৰু আদৰ্শৰ দ্বাৰাই আমাৰ তিৰুতাৰ হিত সাধনত তেওঁৰ বিশেষ মনোযোগ আছিল। এই বিষয়ত নিজৰ সহধৰ্ম্মিণীৰপৰা বিশেষ সহায়তা লাভৰ আশা কৰি তেওঁক একাগ্ৰভাৱে শিক্ষা দি নিজৰ অভীষ্ট সাধনৰ উপযোগিনী কৰি গৈছিল। দেশৰ অৱস্থা আলোচনা কৰি তেওঁৰ এনে ধাৰণা হৈছিল যে উপযুক্ত চিকিৎসয়িত্ৰীৰ অভাৱত ভাৰতৰ তিৰুতাসকলে যেনেকৈ পদে পদে কষ্ট বিড়ম্বনা ভোগ কৰিব লাগে, আন একো অভাৱত তেনেকৈ নেলাগে। এনে মহৎ উদ্দেশ্য আগত ৰাখি এই মহাৰাষ্ট্ৰীয় দম্পতীয়ে আমেৰিকালৈ যাবৰ সংকল্প কৰিলে। দেশী আৰু বিদেশী চিকিৎসাবিজ্ঞানৰ ঐক্য ৰাখি দেশৰ বৰ্ত্তমান অৱস্থাৰ উপযোগী চিকিৎসা প্ৰণালী প্ৰৱৰ্ত্তন কৰাও আনন্দী বাঈৰ প্ৰধান লক্ষ্য আছিল। কিন্তুৰ অৰ্থৰ অভাৱত তেওঁ-লোকে নিজ সংকল্পত বহুত দিনলৈকে গুটি ধৰাব নোৱাৰিলে। শ্ৰীৰামপুৰত থাকোঁতে গোপাল ৰাৱে সস্ত্ৰীক আমেৰিকালৈ যাবৰ নিমিত্তে ছবছৰৰ ছুটি খুজি ডাক বিভাগৰ কৰ্তৃপক্ষলৈ আৰ্জ্জি দিলে, কিন্তু তেওঁৰ আবেদন নামঞ্জুৰ হ'ল। অৱশেষত আনন্দী বাঈক অকলৈ আমেৰিকালৈ পঠিয়াবলৈ তেওঁ থিৰ কৰি কলে,—"মিছাতে সময় নষ্ট কৰাৰ সকাম নাই, তুমি অকলৈ আমেৰিকালৈ যোৱা, মই পাছে ওলামগৈ। আজিলৈকে কোনো ব্ৰাহ্মণৰ জীয়াৰী অকলশৰে বিদেশলৈ যোৱা নাই, তুমি এই বিষয়ে সকলোৰে পথ প্ৰদৰ্শিনী হোৱা। স্বদেশৰ ৰীতিনীতিৰ বিন্দুমাত্ৰ পৰিবৰ্ত্তন নকৰি নিজৰ ব্যৱহাৰ গুণৰে আমেৰিকাবাসীক হিন্দু ৰীতিনীতিৰ পক্ষপাতী কৰা। তিৰুতাৰ দ্বাৰাই কোনো মহৎ কাম সাধিত নহয় বুলি ইদেশত যি প্ৰবাদ আছে তাক তুমি অলীক সাধুকথাত পৰিণত কৰা। এইদেশৰ অনেক

সংস্কাৰকে নাৰীজাতিৰ মঙ্গলৰ নিমিত্তে বহুত দিনৰেপৰা মুখৰে আন্দোলন কৰি ফুৰিছে, কিন্তু কাৰ্য্যত কোনেও বিশেষ একো কৰিব পৰা নাই, মোৰ ইচ্ছা তুমি এই দুস্কৰ কাৰ্য্য সম্পাদন কৰি সকলোৰে উদাহৰণ স্থানীয় হোৱা।" মহানুভৱ স্বামীৰ উপদেশ শুনি দেশহিতৈষিতাৰ অপৰূপ আদৰ্শৰ আবেগেৰে আনন্দী বাঈৰ হৃদয় ভৰপূৰ হবলৈ ধৰিলে। আজিকালি স্ত্ৰীশিক্ষা আৰু স্বাধীনতাৰ বাট আগতকৈ বহুত পৰিমাণে নিষ্কণ্টক দেখা যায়। কিন্তু ডেৰকুৰি বছৰৰ আগেয়ে ইয়াৰ অৱস্থা তেনে নাছিল। গোপাল ৰাও উচ্চমনা দৃঢ়চিত্ত হোৱাৰ কাৰণে হে ব্ৰাহ্মণ কন্যা আনন্দী বাঈক সোতৰ বছৰ বয়সত শিক্ষাৰ নিমিত্তে তেওঁ আমেৰিকালৈ পঠিয়াব পাৰিছিল।

১৮৮৩ খৃষ্টাব্দৰ ৭ এপ্ৰিলৰ দিনা আনন্দী বাঈৰ আমেৰিকা যাত্ৰাৰ দিন স্থিৰ হ'ল। আমেৰিকাত এই দেশৰ বস্ত্ৰ-বহোনি পাবলৈ নাই জানি তেওঁ তিনি বছৰৰ জোখাই খাৰু, কাঁচলি, দেশী কাপোৰ, মাৰাঠী শাৰী, সেন্দুৰ, খোচা, এনে কি ৰামচন্দ্ৰ, শঙ্কৰ, পাৰ্ব্বতী আদি দেৱদেৱীৰ ছবিও লগত ললে। মোটৰ ওপৰত তেওঁৰ আমেৰিকা যাত্ৰাত আজিকালিৰ বিলাসিতাৰ লেশমাত্ৰ নাছিল। তেওঁ আশ্ৰমচাৰিণী তপস্বিনী ঋষিকন্যাৰ দৰে জ্ঞানাৰ্থিনী হৈ অতি পৱিত্ৰচিত্তেৰে খৃষ্টৰাজ্য মাৰ্কিন দেশলৈ গৈছিল। যৌৱনত চিত্তৰ এনেকুৱা সংযম অতি বিৰল। প্ৰিয়তম স্বামী আৰু মাতৃস্বৰূপা জন্মভূমিৰ শান্তিময় কোলাৰপৰা আঁতৰি বহুত দিন বিদেশত থাকিব লাগিব ইত্যাদি চিন্তাত আনন্দীবাঈ কাতৰ হৈ পৰিল। ইপোনে গোপাল ৰাৱো বলিয়া যেন হ'ল;—নিজৰ হৃদয়ৰ স্নেহ সৰ্ব্বস্ব দান কৰি যাক তেওঁ ইমান দিন পালন কৰি আহিছে, অপৰিচিত বিদেশত কোনেই বা তেওঁক চাব, তেৱেঁই বা কিৰূপে প্ৰিয়তমা পত্নীৰ বিৰহত অকলৈ কাল কটাব এইবোৰ চিন্তাত তেওঁৰ হৃদয় বিদীৰ্ণ হবলৈ ধৰিলে। ৭ এপ্ৰিলৰ দিনা গোপাল ৰাৱে বোম্বেৰ বন্দৰলৈ গৈ লগৰীয়া যাত্ৰী শ্ৰীমতী জন্সনৰ হাতত নিজ পত্নীক সমৰ্পণ কৰিলে, আনন্দী বাঈক মাথোন এই কথাষাৰ কলে,—"তুমি করুণাময় সৰ্ব্বসাক্ষী পৰমেশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিবা।" এই বুলি কৈ তাত থিয় হৈ থাকিব নোৱাৰি গোপাল ৰাও ঘৰলৈ গুচি আহিল। তেওঁ গুচি অহাৰ পাছত ভালেমান পৰলৈকে আনন্দীবাঈ স্বামীৰ ধ্যানত মগ্ন হৈ আছিল।



এইদৰে দেশৰ হিতকৰ কামত প্ৰাণৰ প্ৰতিমাক বিসৰ্জ্জন দি গোপাল ৰাৱে শূন্য হৃদয় লৈ ঘৰলৈ উভতি আহে। পত্নীৰ বিৰহত তেওঁ ইমান মৰ্ম্মান্তিক শোক পায় যে তিনি মাহৰ ছুটি লৈ বৈৰাগীৰ বেশ ধৰি ভাৰতৰ নানান ঠাইত ঘূৰি কোনোমতে হৃদয়ক সান্ত্বনা দিবলৈ চেষ্টা কৰিছিল।

জাহাজত উঠাৰ পাছৰপৰা আনন্দী বাঈৰ ভীষণ পৰীক্ষা আৰম্ভ হয়। এনেয়ে পতি-বিৰহ-কাতৰা যুৱতী, তাৰ ওপৰত সাগৰত হোৱা নৰীয়াৰ নিমিত্তে তেওঁৰ শৰীৰ একেবাৰে অসুস্থ হৈ পৰে। তাৰ ওপৰত আকৌ শ্ৰীমতী জন্সনৰ হৃদয়হীন অমানুষিক ব্যৱহাৰ। শ্ৰীমতী জন্সন মিছনৰী তিৰুতা। মিছনৰী সম্প্ৰদায়ত অনেক স্বাৰ্থত্যাগী জগৎ-প্ৰেমিক দেৱদুৰ্ল্লভ পুৰুষ আৰু তিৰুতা দেখা যায়, কিন্তু শ্ৰীমতী জন্সন এই মিছনৰী সমাজৰ কলঙ্কস্বৰূপ আছিল। জাহাজত থাকোঁতে তেওঁ পোনতে মিঠা উপদেশেৰে, গালি-শপনি পাৰি নানান ভয় দেখুৱাই অবলা অসহায়া আনন্দীবাঈক স্বধৰ্ম্মচ্যুত কৰাৰ ভীষণ চেষ্টাত লাগিল। শ্ৰীমতী জন্সন, তুমি ভাটৌ পোৱালিৰদৰে খৃষ্টৰ মহিমা মাথোন কীৰ্ত্তন কৰিবলৈ শিকিছা, হিন্দুনাৰীৰ অন্তৰত স্বধৰ্ম্মনিষ্ঠাৰ যি দাবানল নিতৌ জ্বলিব লাগিছে বিলাস-বিভ্ৰম চকুৰে তুমি তাৰ গম পাবা কি? সেই দাবানলৰ অপৰিমেয় জ্যোতিত তোমাৰ নিজৰ চকু অন্ধ হব, তুমি জ্বলি ছাই-ভস্ম হবা, কিন্তু সেই অগ্নি মুমুৱাব নোৱাৰা। তুমি যদি ভাৰতৰ বুৰঞ্জী মেলি চাইছিলা তাত পঢ়িব পোৱা যে হিন্দুৰমণীয়ে জ্বলন্ত অগ্নিত জাপ মাৰি মৰণ আলিঙ্গন কৰিবলৈ ভাল পায়, তেওঁলোকে নিজৰ ধৰ্ম্মত্যাগ কৰিব নেজানে। কাৰণ এই ধৰ্ম্মনিষ্ঠা অকল বাহিৰৰ বক্তৃতাৰে তেওঁলোকৰ অন্তৰত ঠাই পোৱা নাই, এই ধৰ্ম্মনিষ্ঠা তেওঁলোকৰ মজ্জাগত, তেওঁলোকৰ অমলিয়ন বিশুদ্ধ আত্মাৰ সাৰাংশ।

ইয়াৰ পাছত আন প্ৰকাৰ বিপদৰ সূত্ৰপাত হয়। জাহাজৰ ইঞ্জিনীয়াৰ চাহাবে শ্ৰীমতী জন্সনৰ সহায়তাত আনন্দী বাঈক বিপথগামিনী কৰাৰ চেষ্টাত লাগিল। পাপিষ্ঠই তেওঁক অকলশৰে দেখিলেই কাষ চাপি গৈ ভালৰী লগাই নানান কথা কয়, আৰু তলত থকা ইঞ্জিন প্ৰভৃতি যন্ত্ৰাদি চাবলৈ অনুৰোধ কৰে। তেওঁৰ অসদ্ ইচ্ছা বুজ পাই আনন্দীবায়ে অসম্মতি দেখুৱাত, শ্ৰীমতী জন্সনে গালি শপনি পাৰি তললৈ যাবলৈ তেওঁক পেৰিবলৈ

ধৰিলে। খৃষ্টমহিমা প্ৰচাৰিকা শ্ৰীমতী জন্সনে খৃষ্টৰ কোনটো আদেশমতে স্বামিবিৰহ-বিধুৰা অসহায়া জ্ঞানাৰ্থিনী যুৱতীক এইদৰে বিপথগামিনী কৰিবলৈ চেষ্টা কৰিছিল আমি কব নোৱাৰোঁ।

জাহাজত দাঁতৰ বেমাৰৰপৰা আনন্দীবায়ে বিষম কষ্ট পায়, কিছুমান দিন তেওঁ অনাহাৰে থাকিবলৈ বাধ্য হয়। শ্ৰীমতী জন্সনে এদিনো তেওঁক চাবলৈ যোৱা নাছিল। ষ্টিমাৰত থকা আন আন বিদেশী তিৰুতায়ো নিৰ্দ্দয়া জন্সনৰ পথ অনুসৰণ কৰে। তেওঁলোকে আনন্দী বাঈক দাসদাসীৰ দৰে ব্যৱহাৰ কৰে। তেওঁ অখাদ্য নেখাও বুলি কোৱাত তেওঁৰ ওপৰত জাহাজৰ তিৰুতা সম্প্ৰদায়ৰ বিদ্ৰূপৰ বাণ পৰিবলৈ ধৰে। জাহাজত থাকোঁতে আনন্দীবায়ে দিনে দুটা তিনটা সিজোৱা আলুৰ বাহিৰে আন একো নেখাইছিল।

এইদৰে বাটত নানান নিৰ্য্যাতন সহি ১৮ মেৰ দিনা আনন্দী বাঈ আহি লিভাৰপুল পায়হি, তাত দিনদিয়েক থকাৰ পাছত আমেৰিকালৈ যোৱা জাহাজত উঠে। শ্ৰীমতী জন্সনে তেতিয়াও কুব্যৱহাৰ এৰা নাছিল। আমেৰিকা পাওঁ পাওঁ হওতে তেওঁ আনন্দী বাঈক কয়,—"মিচেচ জোছী, তোমাৰ স্বামীয়ে তোমাক মোৰ হাতত গতাই দিছে, তোমাৰ ওপৰত মিচেচ কাৰ্পেণ্টাৰৰ কোনো অধিকাৰ নাই।" আৰু শ্ৰীমতী কাৰ্পেণ্টাৰৰ কুৎসা-নিন্দা তেওঁ ৰটিবলৈ ধৰে। বোষ্টন নগৰলৈ নি আনন্দী বাঈক খৃষ্টান কৰিবলৈ জন্সনে পুনৰ্ব্বাৰ চেষ্টা কৰিছিল। কিন্তু তেওঁৰ সকলো অসদভিপ্ৰায় ব্যৰ্থ হল। আচৰিত বিষয় এই যে আনন্দীবায়ে বহুত দিনলৈকে এই অত্যাচাৰৰ কথা গোপাল ৰাওলৈ লেখা নাছিল। ধৰ্ম্মপ্ৰাণা মনস্বিনী নাৰী, তেওঁৰ মুখেদি সতকাই আনৰ নিন্দাই বা ওলাব কেনেকৈ? পাছলৈ এই অত্যাচাৰৰ কথা সুঁৱৰিলে তেওঁৰ চকুপানী ওলাইছিল।

আমেৰিকা পাই তেওঁ শ্ৰীমতী কাৰ্পেণ্টাৰৰ নিউজাৰ্চিৰ ঘৰত অতিথি হয়গৈ। বন্দৰৰপৰা শ্ৰীমতী কাৰ্পেণ্টাৰে তেওঁক আগ বঢ়াই লৈ যায়হি। বাটত যাওঁতে তেওঁ ভাবিছিল আন কৌতুহলী ছোৱালীৰদৰে গাৰীৰ খিলিকিয়েদি আনন্দীবায়ে জুমি জুমি চাব. নাইবা নতুন নতুন বস্তু দেখি তেওঁক প্ৰশ্ন সুধি হাৱাশাস্তি কৰিব। কিন্তু আনন্দী বাঈ ইমান গম্ভীৰ



স্বভাৱা যে তেনে প্ৰশ্নাদি কৰি মিচেচ কাৰ্পেণ্টাৰক কেতিয়াও আমনি কৰা নাছিল। অসাধাৰণ বুদ্ধিৰ প্ৰভাৱত তেওঁ সহজেই দেখামাত্ৰে সকলো বুজিছিল। তেওঁৰ নিচিনা গাম্ভীৰ্য্য বয়সস্থা অনেক তিৰুতাৰ চৰিত্ৰতো দেখা নেযায়।

শ্ৰীমতী কাৰ্পেণ্টাৰৰ ঘৰত থাকোঁতে তেওঁ সকলোৰে প্ৰিয় হৈ উঠে। লৰাছোৱালীবিলাকে তেওঁৰ লগ নেৰিছিল। ওচৰচুবুৰীয়া তেওঁৰ গুণত মুগ্ধ হৈছিল। দূৰ বিদেশতো তেওঁ সদাই হিন্দুৰীতিনীতি মানি আছিল। আমাৰ দেশত গুৰুজনক নাম ধৰি মতাৰ নিয়ম নাই, সেইদেখি মিচেচ কাৰ্পেণ্টাৰক তেও 'মাহী' বুলি সম্বোধন কৰিছিল। হাত জোকৰাৰ ('ছেক্ হাণ্ড') সলনি তেওঁ প্ৰণাম কৰিবলৈ ভাল পাইছিল। তেওঁৰ অনেক সঙ্গিনীয়ে তেওঁক দেখি শাৰী ব্যৱহাৰ কৰিছিল, আৰু মহাৰাষ্ট্ৰীয় মতে খোপা বান্ধি কপালত আৰু দেওঁতাত সেন্দুৰৰ ফোট লবলৈ আৰম্ভ কৰিছিল। কাৰ্পেণ্টাৰ পৰিয়ালত শাৰীৰ মাহাত্ম্য ইমান প্ৰচাৰ হয় যে লৰাছোৱালী বিলাকে পুতলাক শাৰী পিন্ধাইহে ৰং পাইছিল।

ভাৰতবৰ্ষ এৰাৰ প ছত গোপাল ৰাৱে এখন চিঠিত তেওঁৰ দৰ্কাৰ হলে বিদেশী সাজপাৰ আৰু মাংসাহাৰ কৰিবলৈ অনুমতি দিয়ে। কিন্তু আনন্দী বাঈৰ নিজদেশৰ নীতি-নিয়মৰ ফালে ইমান শ্ৰদ্ধা আছিল যে আমেৰিকাত থকা কেবছৰ তেওঁ দেশীয় সাজপাৰকে ব্যৱহাৰ কৰিছিল, আৰু নিজহাতে 'ডাইল ৰুটি' ৰান্ধি খাইছিল।

সঙ্গীত বিদ্যাত তেওঁ সুনিপুণা আছিল, তেওঁৰ মাতো সঙ্গীতৰ উপযোগী কোমল আছিল। মাজে মাজে তেওঁ ব্ৰহ্মজ্ঞান আৰু ভক্তিবিষয়ক মহাৰাষ্ট্ৰীয় সঙ্গীত শুনাই অভ্যাগতসকলক তৃপ্ত কৰিছিল। আনন্দীবাঈ যে বিশেষ সুন্দৰী আছিল এনে নহয়, কিন্তু তেওঁৰ মুখত গাম্ভীৰ্য্য আৰু দিব্য জেউতিৰ এটি আভা আছিল। শ্ৰীমতী কাৰ্পেণ্টাৰে কৈছিল,—"আনন্দী বাঈক নিজ দেশীয় সাজপাৰত সজ্জিতা দেখিলে তেওঁৰ লাৱণ্য-জেউতিত মোৰ চকু জলক-তৰক কৰিবলৈ ধৰে। এনেহে অনুমান হয় যেন দেৱলোকৰপৰা কোনোবা সুৰসুন্দৰী মৰ্ত্ত্যলৈ নামি আহিছে।" তেওঁৰ সদাপ্ৰসন্ন প্ৰফুল্ল ভাব দেখি মিচেচ কাৰ্পেণ্টাৰে তেওঁক 'আনন্দ-নিজৰা' আখ্যা দিয়ে।

ডাক্তাৰী শিক্ষাৰ সুবিধাৰ নিমিত্তে ১৮৮৩ চনৰ চেপ্টেম্বৰ মাহত আনন্দী বাঈ নিউ-জাৰ্চীৰপৰা ফিলাডেল্‌ফিয়ালৈ যায়। তাত থকা মেডিকেল কলেজৰ প্ৰধান অধ্যাপিকা মিচ বেছেল বড্‌লেৰ অনুগ্ৰহ আৰু চেষ্টাত এটি বৃত্তি লাভ কৰে। তাত থাকোঁতে তেওঁ দিনে দহ-এঘাৰ ঘণ্টাকৈ পঢ়িছিল, আৰু উপৰি ঘৰৰ সকলো কাম নিজেই কৰিব লগাত পৰিছিল। পিছ বছৰৰ ফেব্ৰুৱাৰী মাহত তেওঁৰ 'ডিপ্‌থিৰীয়া' বেমাৰে দেখা দিয়ে। ডিঙ্গিৰ ভিতৰত এটা ফোঁহা হৈ তেওঁ অসীম যন্ত্ৰণা ভোগ কৰে। সেই যাত্ৰাৰপৰা যে তেওঁ নিস্তাৰ পাব এনে আশা নাছিল। কিন্তু তেওঁ সহপাঠিকাসকলৰ যত্ন আৰু শুশ্ৰূষাৰ গুণত অতি কষ্টে আৰোগ্য লাভ কৰিলে। এই বেমাৰৰ পাছত তেওঁ ইমান দুৰ্ব্বল হৈ পৰে যে বহুদিনলৈকে তেওঁ গৈ স্কুল-বোর্ডিং ঘৰত নিৰামিষ ভোজন কৰিব লগাত পৰে। তাৰ উপৰি মিচ বড্‌লেৰ হাতত তেওঁ নানা প্ৰকাৰ কষ্ট পালে। আনন্দী বাঈক খৃষ্টধৰ্ম্মলৈ আনিবলৈ এওঁ যত্নৰ ক্ৰুটি কৰা নাছিল, কিন্তু বিফল মনোৰথ হৈ আনন্দীবাঈৰ প্ৰতি নানা প্ৰকাৰে বিৰাগ দেখুৱাবলৈ ধৰিলৈ। সেইদেখি আনন্দীবায়ে মাজে মাজে লঘোনেও থাকিব লগাত পৰিছিল।

এই সময়ত ভাৰতবৰ্ষৰপৰা কোনো দুৰ্ম্মা নৰপশুৱে তেওঁলৈ অতি কদৰ্য্য ভাষাত এখন চিঠি লেখি তেওঁক অশেষ মনোকষ্ট দিয়ে, এই চিঠি পঢ়ি আনন্দীবায়ে ভালেমান দিন ভালকৈ খাব-বব নোৱাৰিছিল। এই শোকৰপৰা নিস্তাৰ পাওঁতে নেপাওঁতেই গোপাল ৰাও তেওঁৰ প্ৰতি বিমুখ হয়। আনন্দী বাঈৰ শৰীৰ অসুখ থকাত মাজে মাজে চিঠি-পত্ৰ দিয়াত পলম ঘটিছিল। তাৰ উপৰি গোপাল ৰাওৰ নকৈ অনুমতি নলৈ আন্দীবায়ে গুজৰাটী ধৰণে শাৰী পিন্ধিবলৈ ধৰে, কাৰণ মহাৰাষ্ট্ৰীয় ধৰণে শাৰী পিন্ধিলে ভৰিৰ তল ডোখৰ অলপ উদং হৈ থাকে। ইত্যাদি কাৰণত অসন্তুষ্ট হৈ আনন্দী বাঈক "গৰ্ব্বিতা, অবাধ্যা, বিশ্বাসঘাতিনী" বুলি গোপাল ৰাৱে এখন হৃদয়-বিদাৰক চিঠি লেখে। গোপাল ৰাৱে পাছত স্বীকাৰ কৰিছিল যে পত্নীৰ চৰিত্ৰ লক্ষ্য কৰি তেওঁ এই কঠোৰ শব্দ প্ৰয়োগ কৰা নাছিল, আনন্দীবাঈৰ ওপৰত তেওঁৰ গভীৰ অটল বিশ্বাস নহলে পাতালপুৰী মাৰ্কিনদেশলৈ এইদৰে অকলশৰে পঠিয়াই নিদিলেহেঁতেন। পঢ়াশুনাত অমনোযোগিতা, আৰু



তেওঁৰ অনুমতি নলৈ দেশীয় প্ৰথা এৰি গুজৰাটী সাজপাৰ পিন্ধাৰ কাৰণে হে আনন্দীবাঈ তেওঁৰ কাষত "বিশ্বাসঘাতিনী" বুলি বিবেচিত হৈছিল। এইবোৰ পঢ়ি আনন্দী বাঈৰ শোকৰ অৱধি নৰল। সুখৰ বিষয় যে সহধৰ্ম্মিণীৰ ক্ষমাপ্ৰাৰ্থনা আৰু অভিমানপূৰ্ণ চিঠি পাই গোপাল ৰাওৰ আগৰ ভাব দূৰ হল। তেওঁ আদৰ কৰি এখনি স্নেহপূৰ্ণ চিঠি লেখে, আৰু আনন্দীবাঈক উৎসাহ দিবৰ নিমিত্তে 'সৰস্বতী' বুলি তেওঁক সম্বোধন কৰিবলৈ ধৰে। গোপাল ৰাওৰ নিচিনা মানুহৰ মনৰ অৱস্থা বুজা বৰ টান, তেওঁলোক কেতিয়া কোন কথাত অসন্তুষ্ট হয় কোনেও তৎধৰিব নোৱাৰে। এওঁলোকৰ চিত্ত-বিকৃতিৰ আইন-কানুন একেবাৰে দুৰ্জ্জেয় বাদ্‌ছাহী ধৰণৰ।

লাহে লাহে আনন্দীবাইৰ পক্ষে গোপাল ৰাওৰ বিচ্ছেদ অসহ্য হৈ উঠিল। অৱশেষত তেওঁ গোপাল ৰাওলৈ চিঠিত লেখিলে,—প্ৰিয়তম আজি এবছৰ দুমাহ কুৰি দিন হ'ল আপোনাক এৰি আঁতৰত আছোঁ। কিতাপ-পত্ৰত মন দি কোনোমতে কষ্ট পাহৰিবৰ যত্ন কৰোঁ। কিন্তু দুৰ্ব্বল নাৰী, মনক কোনো মতে প্ৰবোধ দিব নোৱাৰোঁ। আপোনাক নেদেখি থকাটো মোৰ পক্ষে অসম্ভৱ হৈ উঠিছে। আপোনাৰ পইচা কড়িৰ নাটনি হব পাৰে, মোক কওক মোৰ অলঙ্কাৰ-পাতি আপোনালৈ এই মুহূৰ্ত্তে পঠিয়াই দিওঁ। তাক বেচিলে জাহাজ ভাৰাৰ খৰচ অন্ততঃ ওলাব। যদি কয় মই সেইবোৰ ইয়াতে বেচি আপোনালৈ টকা পঠিয়াই দিওঁ।"

গোপাল ৰাৱো প্ৰিয়তমা পত্নীক চাবৰ নিমিত্তে উত্ৰাৱল হৈ আছিল, ১৮৮৪ চনৰ জুন মাহত তেওঁ ছমাহৰ ছুটি লৈ পৃথিবী প্ৰদক্ষিণ কৰিবৰ ইচ্ছাৰে আমেৰিকাৰ ফালে যাত্ৰা কৰিলে। প্ৰবাসত থাকোঁতে ভাৰতবৰ্ষৰ কপৰ্দ্দক এটিও খৰচ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিছিল। সেইদেখি তেওঁ গৈৰিক-বসন পিন্ধি সন্ন্যাসীৰ বেশ ধৰি নানা ঠাইত বক্তৃতাৰ দ্বাৰাই টকাৰ ব্যৱস্থা কৰিবলৈ বাধ্য হৈছিল।

গোপালৰাৱে ব্ৰহ্মদেশ, শ্যাম, চিন, আৰু জাপান দেশ ভ্ৰমণ কৰি মাৰ্কিন দেশ পালেগৈ। আমেৰিকাত গৈ তেওঁ নানা ঠাইত বক্তৃতা কৰি ফুৰিছিল। ইফালে স্বামী অহাৰ কথা শুনি আনন্দীবাঈ আনন্দত উতলা হ'ল। তেওঁ তাত থকা কলেজৰ কৰ্ত্তৃপক্ষক কৈ-মেলি গোপাল ৰাওৰ নিমিত্তে এটি সংস্কৃত

অধ্যাপকৰ পদো স্থিৰ কৰি ৰাখিছিল। কিন্তু সোনকালে গোপাল ৰাওক দেখা তেওঁৰ ভাগ্যত নঘটিল। গোপালৰাওৰ আন্তৰিক ইচ্ছা আছিল যে আনন্দীবাইৰ পৰীক্ষা শেষ নোহোৱালৈকে তেওঁৰ লগত দেখা নকৰে।

এদিনা আনন্দীবায়ে শ্ৰীমতী কৰ্পেণ্টাৰৰ জীয়েক আমিৰ লগত ফুৰি আহি দেখে যে তেওঁৰ খোটালীত মেজৰ ওচৰত চকি এখনত বহি গেৰুৱা বসনধাৰী সন্ন্যাসী গোপালৰাৱে একান্ত মনে কিতাপ পঢ়ি আছে। এই কল্পনাসুলভ সম্মিলনত আনন্দীবাঈৰ হিয়া বিস্ময় পুকলত নাচিবলৈ ধৰিলে। তাৰ পাছত চাৰি মাহ দুয়ো একেলগে থাকে। আনন্দীবায়ে এদিন ক'লে—"আমাৰ ভাৰতৰ বিষয়ে আমেৰিকাবাসীৰ বহুতৰ অদ্ভুত অদ্ভুত ধাৰণা আছে। আপুনি যদি বক্তৃতা দি সেইবোৰ দূৰ কৰিবলৈ চেষ্টা কৰে তেন্তে বৰ ভাল হয়।" গোপালৰাৱে স্বদেশ-হিতৈষিণী পত্নীৰ এই উপদেশ শুনি নগৰে নগৰে বক্তৃতা দি ফুৰিবলৈ ধৰিলে। আনন্দীবায়ে পৰীক্ষাৰ নিমিত্তে পঢ়াশুনা কৰিবলৈ ধৰিলে।

পৰীক্ষাৰ নিমিত্তে উৎকট পৰিশ্ৰম কৰোঁতে তেওঁৰ স্বাস্থ্য ভঙ্গ হয়। ইয়াৰ পূৰ্ব্বে তেওঁ ইংৰাজী ভাষাত "হিন্দু ধাত্ৰী বিদ্যা" বিষয়ে এখনি গ্ৰন্থ লেখে। যথাসময়ত আনন্দীবাঈ ডাক্তৰী শিক্ষাৰ সৰ্ব্বোচ্চ পৰীক্ষাত উত্তীৰ্ণ হ'ল! ১৮৮৬ চনৰ ১১ মাৰ্চ্চৰ দিনা ফিলাডেলফিয়া কলেজৰ অধ্যক্ষ, অধ্যাপক আৰু তাত থকা ভালেমান সম্ভ্ৰান্ত মানুহে গোট খাই মহা-সমাৰোহেৰে তেওঁক এম্ ডি ( ভিষগাচাৰ্য্যা ) উপাধিৰ চনদ কাকত প্ৰদান কৰিলে।

ফিলাডেল্‌ফিয়া কলেজত এম্, ডি উপাধি পোৱাটো বৰ সন্মানৰ কথা। এই কলেজৰ উপাধি পাবৰ নিমিত্তে ৰুচিয়া, জৰ্ম্মাণী, ফ্ৰান্স, এনে কি ইংলণ্ডৰ তিৰুতায়ো বিশেষ আগ্ৰহ দেখুৱাই থাকে। ইমান বাধা বিঘ্ন প্ৰলোভন অতিক্ৰম কৰি হিন্দু ৰমণী আনন্দীবায়ে মথোন একুৰি এবছৰ বয়সত এই সৰ্ব্বোৎকৃষ্ট কলেজৰপৰা সৰ্ব্বোচ্চ উপাধি লাভ কৰিব পাৰিছিল, ই সামান্য গৌৰৱৰ বিষয় নহয়। এই উৎসৱত যোগ দিবলৈ, কলেজৰ গৱাক্ষীসকলৰ অনুৰোধ আৰু খৰচত মহাৰাষ্ট্ৰীয় ৰমণী-কুলৰ দ্বিতীয় শিৰোমণি পণ্ডিতা শ্ৰীমতী ৰমাবাঈ সৰস্বতী সত্যনাৰম ইংলণ্ডৰপৰা গৈ ফিলাডেল্‌ফিয়া নগৰত



উপস্থিত হয়গৈ। ইমান কম বয়সত এনে গৌৰৱ লাভ অতি কমৰ ভাগ্য-তহে ঘটিছে।

আগৰেপৰা আনন্দীবাঈৰ স্বাস্থ্য হানি হয়। পৰীক্ষাৰ হেচাত তেওঁ আৰু দুৰ্ব্বল হৈ পৰে। এম্, ডি উপাধি পোৱাৰ পাছত কাৰ্য্যমূলক (practical) জ্ঞান লাভৰ নিমিত্তে তেওঁ কিছুমান দিন নিউ-ইংলণ্ডৰ ত্ৰাণ্ডে হাচপতালত কাম কৰিব লগাত পৰে। তাত দিনে ৰাতিয়ে বেমাৰী চাওঁতে তেওঁৰ শৰীৰ আগতকৈও বেয়া হয়। সোনতে মূৰ কমোৰণি, পাছত কাহ, আৰু তাৰ লগে লগে জ্বৰে দেখা দিলে। তেওঁ আমেৰিকাৰ নানা ঠাইত স্বামীৰ লগত হেৱা পানী বদলাই ফুৰিবলৈ ধৰিলে, কিন্তু তাৰপৰা একো ভাল ফল নহল।

এই সময়ত বোম্বেই প্ৰদেশৰ অন্তৰ্গত কোল্হাপুৰ নামে ঠাইত দেশীয় ৰাজন্যসকলে ৰাজধানীত এটি হাচপতাল খোলে। সেই হাচপতালত চিকিৎসয়িত্ৰীৰ পদ গ্ৰহণ কৰিবলৈ তেওঁলোকে আনন্দীবাঈক মাতি পঠিয়ালে, আৰু আমেৰিকাৰপৰা আহিবৰ খৰচ-পত্ৰও পঠিয়াই দিলে।

কিন্তু আনন্দীবাঈৰ শৰীৰৰ অৱস্থা লাহে লাহে বেয়াৰ ফালেহে যাবলৈ ধৰিলে। তথাপি তেওঁ আনৰ বিপদ শুনিলে নিশ্চিন্ত হৈ থাকিব নোৱাৰি-ছিল। পণ্ডিতা ৰমাবাঈৰ জীয়েক মনোৰমাৰ এবাৰ বৰ নৰীয়া হয়, আনন্দীবায়ে প্ৰাণপণে খাটি তেওঁক ভাল কৰে। আৰু এবাৰ, তেওঁৰ নিজৰ গা বেয়া হৈ থাকোঁতেই এটি সংকটাপন্না প্ৰসূতিক প্ৰসৱ কৰাবৰ নিমিত্তে সকলোৰে নিষেধ মানা লঙ্ঘন কৰি ৰোগীৰ ঘৰলৈ যায়। ৰোগীৰ ঘৰত বিষম পৰিশ্ৰম কৰি আহিবৰ সময়ত বাটত বৰষুণত তিতাত নিজৰ নৰীয়া আগ-তকৈ বাঢ়িল। উক্ত প্ৰসূতি আৰু তেওঁৰ কেচুৱাৰ প্ৰাণ ৰক্ষা পালে সঁচা, কিন্তু তাৰ বাবে তেওঁ অৱশেষত নিজৰ প্ৰাণ বিসৰ্জ্জন দিব লগাত পৰিল।

তেওঁৰ নৰীয়া লাহে লাহে ইমান টান হৈ আহে যে কিছুমান দিন ফিলাডেল্‌ফিয়াৰ তিৰুতা হাচপাতালত ৰাখি তেওঁৰ চিকিৎসা কৰোৱা হয়। তাৰপৰা বিশেষ একো লাভ নহ'ল। অৱশেষত গোপালৰাৱে স্থিৰ কৰিলে ভাৰতবৰ্ষলৈ গৈ কবিৰাজী চিকিৎসাত আনন্দীবাঈৰ ভাল হব পাৰে। এনে আশা আনন্দীবাঈৰ মনতো বৰ প্ৰবল আছিল।

৬

১৮৮৬ খৃষ্টাব্দৰ অক্টোবৰ মাহত জোছীদম্পতীয়ে আমেৰিকা এৰিলে। মাতৃতুল্যা শ্ৰীমতী কৰ্পেণ্টাৰক এৰি অহাত তেওঁলোকৰ শোকৰ সীমা নাছিল। যাত্ৰাৰ সময়ত আনন্দীবাঈৰ বাওঁ চকু লৰে, ইয়াৰপৰা তেওঁলোকৰ মনত দুঃচিন্তা সোমাবলৈ ধৰিলে।

১৬ নৱেম্বৰৰ দিনা গোপালৰাওৱে সৈতে বেমাৰী অৱস্থাত আনন্দীবাঈ বোম্বে নগৰীত উপস্থিত হয়। গোপালৰাওৰ বন্ধুসকলে বন্দৰত আনন্দেৰে বাট চাই আছিল। স্বদেশী সাজ পাৰেৰে সজ্জিতা আনন্দীবাঈ জাহাজৰপৰা নামোতে তেওঁৰ ওপৰত পুষ্প-বৰিষণ কৰি তেওঁক অভিনন্দন কৰা হয়। বিদেশৰপৰা সন্মান-গৌৰৱ লৈ আনন্দীবাঈ উভতি অহাৰ কথা ৰাষ্ট্ৰ হোৱাত নানা ঠাইত শিক্ষিত-সম্প্ৰদায়ে সভা-সমিতি পাতি তেওঁলৈ অভিনন্দন পত্ৰাদি পঠিয়ালে। খবৰ-কাকতত আনন্দীবাঈৰ যশোগান উপচি পৰিল।

কিন্তু দেশবাসীৰ অজস্ৰ আনন্দ-সন্মান প্ৰশংসা-আশীৰ্ব্বাদেও আনন্দীবাঈক ক্ষয়ৰোগৰ দুৰন্ত আক্ৰমণৰপৰা ৰক্ষা কৰিব নোৱাৰিলে। তাৰ পাছত তেওঁ পুনালৈ আহে। ইয়ালৈ আহি আত্মীয়-স্বজনৰ মৰম শুশ্ৰূষাত অলপ গা টঙাবলৈ ধৰিলে। কিন্তু সি বন্তি মুমুৰাৰ আগেয়ে শেষবাৰ উজ্জ্বল শিখা বিস্তাৰ কৰাৰদৰে মাথোন। লাহে লাহে তেওঁৰ শৰীৰ দুৰ্ব্বল হৈ আহিবলৈ ধৰিলে। অনেক প্ৰকাৰ ডাক্তৰী কবিৰাজী চিকিৎসা কৰা হল, একোতে ফল নেদেখুৱালে। বামুণৰ হতুৱাই শান্তি, স্বস্ত্যয়ন, শিৱ-পূজাও কৰা হ'ল; কিন্তু সকলো চেষ্টা ব্যৰ্থ হ'ল। সেই সময়ত আনন্দীবাঈৰ শুশ্ৰূষাত গোপালৰাৱে যেনেকৈ প্ৰাণপণে খাটিছিল, অনেক জননীয়েও বোধ কৰোঁ সন্তানৰ শুশ্ৰূষাত ইমান যত্ন নেদেখুৱায়। খন্তেকৰ কাৰণেও তেওঁ আনন্দীবাঈৰ কাষ এৰা নাছিল। আহাৰ নিদ্ৰা এৰি তেওঁ সহধৰ্ম্মিণীৰ শুশ্ৰূষা কৰিছিল, ইমান যত্ন কৰিও তেওঁ প্ৰাণৰ পুতলিক নিৰ্ম্মম কালৰ হাতৰপৰা উদ্ধাৰিব নোৱাৰিলে।

আনন্দীবাঈৰ নৰিয়া শুনি পুনাৰ বহুত মানুহে তেওঁক নিতৌ চাবলৈ গৈছিল। মহাৰাষ্ট্ৰৰ গৌৰৱ-তিলক শ্ৰীযুক্ত বাল গঙ্গাধৰ তিলক ডাঙৰীয়াই এই দুৰ্ৰোগত আনন্দীবাঈৰ চিকিৎসাৰ কাৰণে নিজৰ শক্তিৰে অধিক অৰ্থ সাহায্য কৰিছিল।



১৮৮৭ চনৰ ২৬ ফেব্ৰুৱাৰীৰ দিনা ৰাতি আনন্দীবাঈৰ অৱস্থা টান হৈ আহে। যি খাদ্য মুখত দিয়া হয়, তেওঁ ততালিকে বমিয়াই পেলায়। কিন্তু সেই দিনা ৰাতি গোপালৰাৱে দিয়া গাখীৰ তেওঁ বমি নাছিল। ৰাতি দহমান বাজি যোৱাত আনন্দীবাৱে হঠাৎ বমিয়াই "আই মৰিলোঁ।" বুলি চিঞৰ মাৰি উঠে। ভগৱানৰ কি ইচ্ছা, গোপাল ৰাওৰ তেতিয়া দোৰ্ঘোৰ টোপনি, শহৰেকে হেজাৰ চিঞৰিও তেওঁক শোৱাৰপৰা তুলিব নোৱাৰিলে। মাকে আহি আনন্দীবাঈক গৰা মাৰি ধৰে। তেতিয়া "মোৰ দ্বাৰাই যিমান দূৰ সম্ভৱ মই কৰিলোঁ।" এইকেইটি শব্দ তেওঁৰ কাণত পৰে, এয়ে আনন্দীবাঈৰ শেষ কথা। মাকে আহি দেখে যে তেওঁৰ প্ৰাণ-প্ৰিয় সন্তানৰ জীৱন-লীলা সমাপ্ত হৈ গ'ল! স্ত্ৰী-শিক্ষাৰ যি বিজয় নিচানে ইমান দিন পাশ্চাত্য সমাজকো বিস্ময়ত স্তম্ভিত কৰি ৰাখিছিল, নিষ্ঠুৰ কালে তাক আজি অকালত হৰি নিলে। ভাৰতৰ স্ত্ৰীসমাজৰ মঙ্গলাকাঙ্ক্ষী স্বাৰ্থত্যাগী দেশ-প্ৰেমিক গোপাল ৰাওৰ আশা-তৰুৱে পুষ্পিত মুকুলিত হৈ ফল দান কৰাৰ পূৰ্ব্বেই মৃত্যুৰ বজ্ৰপাতে পুৰি তাক ছাৰখাৰ কৰি পেলালে।

যথাশাস্ত্ৰ মৃতকৰ অন্ত্যেষ্টি-ক্ৰিয়া সম্পাদন কৰা হল। গোপাল ৰাও তাৰ নিমিত্তে চিন্তিত হৈছিল। কিন্তু ভাৰতলৈ উভতি অহাৰ পাছৰেপৰা আনন্দীবাঈ বৰ নৈষ্ঠিক হৈ পৰিছিল। তল শ্ৰেণীৰ মানুহ আৰু খৃষ্টান আদিক তেওঁ আগৰদৰে ছুই-গাজি শুশ্ৰূষিছিল। তেওঁৰ সৰল মত আছিল যে হিন্দু সমাজত হিন্দুৰদৰে থকাটো বাঞ্ছনীয়। সহজ বিশ্বাসত নৈষ্ঠিক আচাৰ-ব্যৱহাৰ মানি চলোতা হিন্দু সমাজত, বিদেশৰপৰা আমদানি কৰা উদাৰ অনৈষ্ঠিক প্ৰথা প্ৰৱৰ্ত্তন কৰাৰ তেওঁ বিশেষ পক্ষপাতিনী নাছিল; এনে কাৰ্য্যত তেওঁ আত্মম্ভৰিতাৰ গোন্ধ পাইছিল। সেইদেখি তেওঁৰ জীৱিতাৱস্থাত কোনেও তেওঁলোকৰ সৈতে অনাত্মীয়ৰদৰে ব্যৱহাৰ কৰা নাছিল, সকলোৱে মুকলি ভাবে তেওঁলোকৰ লগত খোৱা-মেলা কৰিছিল, আৰু সকলো প্ৰকাৰৰ সামাজিক অনুষ্ঠানত যোগ দিছিল। পত্নী বিয়োগৰ পাছত গোপাল ৰাৱে শ্ৰীমতী কাৰ্পেণ্টাৰলৈ চিঠিত লেখিছিল,—"সমাজৰপৰা যি নিৰ্য্যাতন আমি সহিব লাগিব বুলি ভাবিছিলো। তাক আমি নিৰ্ব্বিঘ্নে জয়

কৰিলোঁ, কিন্তু মৃত্যুৰ আকস্মিক আক্ৰমণ ব্যৰ্থ কৰিব নোৱাৰিলোঁ" •।

শ্ৰী সূৰ্য্যকুমাৰ ভূঞা।

---

# কৃপাবৰ বৰুৱাৰ হাতত বিষ।

( ববৰুৱা আৰু প্ৰিয়দৰ্শন শৰ্ম্মণঃ )

প্ৰিয়দৰ্শন। ববৰুৱা ডাঙৰীয়া, কেঁকাইছে দেখোন ?

কৃপাবৰ। খালত পৰি। "বোলে বুঢ়াৰ কথা নুশুন ডেকা। খালত পৰি কিয় কেঁকা॥"

প্ৰিয়দৰ্শন। কোন নো বুঢ়াৰ কথা আপুনি নুশুনিলে, আৰু কৰ নো খালত পৰিল আপুনি ?

কৃপাবৰ। উৰহি-গছৰ ওৰটো নেপালে তুমি নেৰা। তোমাক ভবিয়াই দিলেও তোমাৰ কু স্বভাৱ নাযায়! "স্বভাৱো মূৰ্দ্ধনি বৰ্ত্ততে।" শুনা কওঁ—বুঢ়াজন হৈছে, অন্তৰত থকাজন। তোমাৰ বুঢ়াজনো তোমাৰ অন্তৰত থকাজনেই হে। দাড়ি চুলি দুডাল-চাইডাল পকিলেই বা দাঁত দুটা চাইটা সৰিলেই যে বুঢ়া হয় এনে নহয়, যদিও সুবিধা পাই তেনেকুৱাকে সকলোৱেই ভুমুৰি দি ধৰি বুঢ়া পাতি বলৈ ওলায়। বুঢ়া হোৱা বৰ উচ্চ কথা নহয়। সৃষ্টি-পাতনিৰেপৰা ইমানবোৰ মানুহ আহিছে গৈছে, কিন্তু বুঢ়া কেইটা হৈছে ? থিউ পকিব লাগে, তেহে তাত ইহকাল পৰকালৰ কথাৰ পিঠা ভাজিব পাৰি ; ওপৰে ওপৰে পক ধৰি চুলি কেইডাল বগা পৰিলেই নহয়। মই তোমাক খুটি পুতি কব পাৰোঁ যে এই পৃথিৱীত এক লক্ষ মানুহৰ ভিতৰত এটা বুঢ়া হয় নে নহয় তাত মোৰ খুকুৰি হয়। এতিয়া বুজিলা বুঢ়া কাক বোলে ? মোৰ বুঢ়াজনে মোক সততে কয় যে, "কায়-বাক্য-মনে তুমি এহাতুৰীয়া হোৱাঁ,কুভাব কুচিন্তা মনলৈ আনি তল-যাত্ৰা নকৰিবা" । বুঢ়াৰ মই এই কথা নুশুনি দিনত যত কুভাব ভাবোঁ, কুচিন্তা কৰোঁ,— ফলত

---

•কৃতজ্ঞতাৰে জনাওঁ যে এইপ্ৰবন্ধ যুগুত কৰোঁতে স্বৰ্গীয় পণ্ডিত সখাৰাম গণেশ দেউস্কৰৰ "আনন্দীবাঈ" গ্ৰন্থৰ বিশেষ সহায় লোৱা হৈছে। দুখৰ বিষয়, দেশভক্ত দেউস্কৰ ডাঙৰীয়া আমাৰ কৃতজ্ঞতা গ্ৰহণৰ সীমাৰ সিপাৰ।—



ৰাতিও সেইবোৰে মোৰ মূৰত তোলপাৰৰ বৰ ধেমালি বজাই মোৰ টোপনিত সমাজিকৰ ৰাজসূয়-ভাওনা পাতে।

প্ৰিয়দৰ্শন। সিদিনাৰদৰে কিবা সমাজিককে দেখিছিল নে কি ?

কৃপাবৰ। নেদেখিছিলোঁ নো কি ? তস্য ফলং মম দক্ষিণ হস্তে বিষং।

প্ৰিয়দৰ্শন। কওকচোন কওক, মই উত্ৰাৱল হৈ পৰিছোঁ। মই বৈকা বাটেদি প্ৰশ্ন কৰিবলৈ পাহৰিছোঁ, ক্ষমা কৰিব ববৰুৱা ডাঙৰীয়া !—বোলোঁ কিনো সমাজিক ববৰুৱা ডাঙৰীয়াৰ দৃষ্টিগোচৰ হৈছিল, যি প্ৰকাশিত হলে এই জিজ্ঞাসু পিপাসুৰ মনত সন্তোষ উৎপন্ন হবৰ সম্পূৰ্ণ সম্ভৱ বুলি মোৰ দ্বাৰাই বিবেচিত হৈছে ?

কৃপাবৰ। Bravo! ক্যা বাত ! প্ৰিয়দৰ্শন তুমি মোৰ স্ফুটত উঠিলা। মই মৰি গলেও তুমি লুকাই মোৰ বহাৰ ভেটিত নেজ পাৰি বহি, নিশ্চয় সুৰীয়াকৈ ৰাগ দিব পাৰিবা, তোমাক কোনেও নেদেখেও আৰু ধৰিবও নোৱাৰে।—শুনা, সমাজিক শুনা। বাস্তবিক পক্ষত মোৰ আগৰটো সমাজিকৰে এই ডাল নেজহে, তাৰ গাডোখৰ সেইদিনা দেখিলোঁ আৰু গল কথা শুচিল; কিন্তু কোনে ভাবিছিল, তাৰ নেজডাল আকৌ এদিন দেখিবলৈ মোৰ হাতত এইদৰে বৈ যাব ?

প্ৰিয়দৰ্শন। বোলোঁ, আগৰ সমাজিকটোক পেপাকঢ়াই পালে, তাহানিৰ সেই সাধুকথাৰ ৰাখক পোৱাদি।

কৃপাবৰ। Silence, চুপ !—মই হেনো সেই নৈৰ ঘালিতে। তুমি হেনো কলিকাতাত স্যাৰ ঘোষ আৰু স্যাৰ সিংহেৰে সৈতে consult কৰি "ষ্টীম বোনাৰ" নানি তেওঁলোক দুইবো পৰামৰ্শমতে মোলৈ এখন হোলোং নাও ঠিক কৰি আনিলা আৰু তাতে মোক মোৰ বই-বস্তুৰ বোজাবোৰেৰে সৈতে তুলিলা ! মই নাৱত উপবেশন কৰি দেখিলোঁ, নাওখন ভালেখিনি খালি, তাত ভৰাবলৈ আৰু বই-বস্তু লাগিব, নহলে সেইখনে কথায় কথায় টুলুংবুলুং কৰি থাকিব, আৰু কেতিয়াবা মন গলে সি নিজৰ ঔদ্ধত্য প্ৰকাশ কৰি উবুৰি খাই মোকে বুৰাই থব। এতেকে তাক ঠিক কৰি ৰাখিবলৈ তাৰ তলিত বই-বস্তু ৰূপ-বানৰ আৰু ballast বোজা লাগিল। মই তোমাক কলোঁ "বোপা প্ৰিয়দৰ্শন শৰ্ম্মণঃ ' বিপদ বাঢ়িল হে। নাৱত আৰু বোজা

নিদিলে নাও থিৰ নাথাকে, সি কচ্কচীয়া লৰাবদৰে টুলুং বুলুং কৰি কচ্কচাব লাগিছে, কেতিয়াবা নিজেও বুৰিব মোকো বুৰাব"। তুমি কলা, "তেনেহলে মই আকৌ লৰি যাওঁ, ককাইদেওক মাতি আনোগৈ, এনে টান মস্কিলত ককাইদেৱেহে কিবা এটা বুধি উলিয়াব পাৰিব।" এই বুলিয়েই লৰি গৈ তুমি ককাইদেৱাক আনিলাগৈ মাতি। আহিল ককাইদেৱা, এইবাৰ কামৰ দুটা বোজা দুফালে ওলোমাই। মই তেওঁক কলোঁ, "বৰ শৰ্ম্মণঃ! আঁহা, তোমাৰ বোজা দুটা হোৱাত এইবাৰ মই ভাল পাইছোঁ, তুমি কাৰ্য্যত শীঘ্ৰে জয়যুক্ত হবা। তোমাৰ গুৰুতৰ বোজা দুটাকো মোৰ নাৱৰ কুম্বিতে ভৰা দিয়াঁ, নাওখন যদি থিৰ হয় হওক।" ককাইদেৱাই তেওঁৰ বোজা দুটাও থলে নাৱতে। কিন্তু নাও যেই টুলুং বুলুং সেই টুলুং বুলুং। মই তেওঁক কলোঁ "বোপা, চাই পঠিয়াচোন, এতিয়াও নাও প্ৰায় তেনেই খালি।" ককাইদেৱাই কলে "বৰবৰুৱা ডাঙৰীয়া, সেইটো মই দেখিছোঁ। নাৱত আৰু বোজা লাগে। কিন্তু আপোনাৰ এইখন গাওঁৰপৰা আৰু বোজা সংগ্ৰহ কৰিবৰ তো উপায় নাই, আকৌ ইহঁতক ধন-বস্তু খুজিলে ইহঁতে বলিয়া হৈ এইবাৰ আমাক কিলাইহে দিব; সেইদেখি আমি ইয়াৰপৰা আন এখন গাওঁলৈ যাওঁহক; আপোনাৰ তিনি-শ-তিনি কুৰি গাওঁ আছে, চিন্তা কি?" এই কথা যুক্তিসংগত যেন দেখি মই নাও মেলিবলৈ হুকুম দিলোঁ। এনেতে সেই টিথামোখৰা বেঙকেইটা আকৌ কৰবাৰপৰা ওলালহি। সিহঁতে লৰি আহি কলে "বৰবৰুৱা ডাঙৰীয়া, নাও মেলি দি কলৈ পলাব খুজিছে? আপুনি আমাৰ গাওঁখন মাউৰে চোচা পেট যেনকৈ চুচি ধন বস্তুবোৰ লৈ পলালে নচলে, আমাক পালী ভাষাৰ পঢ়াশালি আৰু একমেৰা দ্বিতীয়ং ধৰ্ম্মৰ মন্দিৰ সাজিবলৈ টকা দিলেহে আমি আপোনাক যাবলৈ এৰি দিব পাৰোঁ।" তোমাৰ ককাইদেৱাই সিহঁতৰ কথালৈ কাণ নিদি নাওখন দিলে ঠেলি পানীৰ মাজলৈ। মই হাঁহিবলৈ ধৰিলোঁ, আৰু সিহঁতক বুঢ়া-আঙুলিটো দেখুৱালোঁ; তোমাৰ ককাইদেৱাইও কেকোজেকোকৈ তুলি সিহঁতৰফালে তেওঁৰ কৰ্ম্ম-বোজাৰ ডাঙৰ টোপোলা দুটা দেখুৱাই দিলে। মই তোমাৰ ককাইদেৱাক কলোঁ "ই কথাই কথা নহয়, বৰ শৰ্ম্মণঃ। এই বেঙকেইটাক একোসেকা দিব লাগিল। মই লগুণত ধৰি শপত খাই প্ৰতিজ্ঞা কৰিছোঁ, যদি মই ব্ৰাহ্মণ হওঁ,তেন্তে মই ইহঁতৰ ওপৰত গোটাচেৰেক ফৌজদাৰি মকৰ্দ্দমা কৰি ইহঁতক ফাটেকত দিয়ামেই দিয়াম। তুমি ইয়াৰ বন্দবস্ত কৰাঁ। ধন খৰচলৈ তুমি ভাবিব নেলাগে, যি ধন লাগে, মোৰ এই ধনৰ টোপোলাৰপৰা উলিয়াই তুমি ভাঙি থাকা, মই একলাখ টকালৈকে গাত লৈছোঁ।" তোমাৰ ককাইদেৱাই কলে "ডাঙৰীয়াৰ অনুগ্ৰহ। মই সুন্দৰকৈ ফৌজদাৰী গোচৰ সাজি সাক্ষী-বাদী যত যি যি শিকাই-বুজাই ঠিক কৰিব লাগে কৰিম। মোৰ ভাইক আকৌ ৪০০০ ৰূপ দি কলিকতালৈ লৰুৱাই পঠিয়াম; কলিকতাৰ যতবোৰ ডাঙৰ ডাঙৰ উকিল বাৰিষ্টৰ আছে, এইবাৰ এটাইবোৰকে এই মকৰ্দ্দমাৰ নিমিত্তে বইনা দি ধৰি থম, ডাঙৰীয়াই একো চিন্তা নকৰিব।" মই কলোঁ, "বোপা, যেনেতেনেমতে ইহঁতক নিৰ্ম্মূল কৰিবই লাগে। আন এখন গাৱাত নাও লগা মাত্ৰকতে তোমাৰ ভায়াই, চাৰি হেজাৰ কিয়, পাঁচ হেজাৰ ৰূপ লৈ কলিকতালৈ লৰ ধৰক, একো কথা নাই; ইফালে তুমি যিমান খৰচ লাগে কৰি, সাক্ষীবাদী শিকাই বুজাই ঠিক কৰাঁ। আৰু মই চিফ কমিচ্চনৰ আৰু কমিশ্যনৰ চাহাবলৈকো টেলিগ্ৰাফ কৰোঁ, এই মানুহমখাই মোক ইয়াত খুন কৰিবলৈ ষড়যন্ত্ৰ কৰিছিল বুলি, যাতে ইহঁত "চেচনলৈ চোৰ্ফৰ্দ্দ" হৈ ফাঁচী যায়।" তোমাৰ ককাইদেৱা আৰু তুমি দুয়ো মোৰ কথাত আনন্দ প্ৰকাশ কৰি থাকোঁতেই আমাৰ নাও মোৰ আৰু এখন গাওঁৰ ঘাটত লাগিল। তুমি ককাইদেৱাৰ ইঙ্গিতমতে মোৰ ৰূপৰ টোপোলাৰপৰা ৫০০০ টকা লৈ কলিকতালৈ যাবলৈ বুলি জঁপিয়াই বামত উঠিলা, আৰু পিছলৈ নেচাই তীৰ্‌তীৰকৈ লৰ ধৰিলা।

তুমি যোৱাৰ পিছত তোমাৰ ককাইদেৱাক কলোঁ, "বোপা বৰ শৰ্ম্মণঃ! আজিকালি মোৰ গাওঁৰ মানুহবোৰ বৰ টেঙৰ আৰু চতুৰ হৈ পৰিছে,সিহঁতৰ ভিতৰত ডেকালৰাবোৰে ইংৰাজী পঢ়ি লাহে লাহে মগ্ৰামী হৈ গাঁওগোটেইখনত মোৰ বিপক্ষে বিদ্ৰোহৰ কঠিয়া সিঁচিছে. তাৰ প্ৰমাণ আমি এৰি থৈ অহা গাওঁতে পালোঁ। তাৰ উপৰি কুলাধম এটাই সুতুলী নে কি কাকত এখন লেখি ছপাই উলিয়াই দেশ গোটেইখনলৈকে পঠিয়াব লাগিছে। তাৰে একোখন গাওঁৰ মানুহবোৰৰ হাততো যে নপৰে এনে নহয়। সেই

খন পঢ়ি ইহঁত আৰু উন্মত্ত হৈ মোক নমনা হৈ উঠিছে। সেইদেখি অকল মুখৰ কথাৰেই যে মই ইহঁতক আৰু বশ কৰি ৰাখিব নোৱাৰোঁ এইটো ঠিক; গতিকে আন উপায় উলিয়াবৰ কাল পালেহি।” তোমাৰ ককাইদেৱাই কলে,“হয় ডাঙৰীয়া হয়। ডাঙৰীয়াৰ খাটৰ নৰ নাৰীক ন নকৈ আকৰ্ষণ কৰি আনিবলৈ ন ন ভাল উপায় উলিয়াব লগা নিশ্চয় হল। ডাঙৰীয়াৰ মূৰ সাৰুৱা, এতেকে ডাঙৰীয়াই নো কি ভাবিছে?” মই কলোঁ “মই নিশ্চয় ভাবিছোঁ,ভাবি পাইছোঁও।—গান বাজনা আৰু আমোদ প্ৰমোদ। গান বাজনাই সাপকো আকৰ্ষণ কৰে। মই মোৰ নাৱৰ কাষৰ বালিতে দিন-চেৰেক থাকি গান বাজনাৰ হাট বহুৱাই দিওঁ। সেই হাটলৈ এইখন বহ-গাঁৱৰ নৰ নাৰীক সেই দোলৰে টানি আনিম আৰু সিহঁত টান খাই নাহি নে থাকে, আহিবই। যদি আহিল,তেন্তে সিহঁত শুদা হাতে কেতিয়াও আহিব নোৱাৰে, নাহেও,—টকাটো শিকাটো, চাউলৰ টোমটো, গাখীৰৰ চুঙাটো হাতত লৈ আহিবই আহিব; তাৰ লঘুৰ গুৰুত্বৰ হিচাপ অনুসৰি সিহঁতক আদৰ অভ্যৰ্থনা কৰিবলৈ ধৰিম। সেইদৰে পোৱা টকাত এক পইচাকৈ সেই কাৰ্য্যত মোৰ খৰচ হলেও বাকী ৷৵৹ মোৰ হাতত “তিফাইত” থাকি যাব। সেই লাহি হোৱা লাভেৰে অনতিবিলম্বে মোৰ নাৱৰ কুন্ধি যে ভৰিবই, তাৰ একাংশেৰে মই কলিকতাৰপৰা নানা তৰহৰ সুন্দৰ বস্ত্ৰ, যেনে,– পাটৰ মিহি চুৰিয়া, পাটৰ মিহি চোলা, জাপানী পাটৰ উৰমাল “দেলখোস” “চেৰি-ব্লচম” “হাস্নাহানা” কলিকতীয়া আৰু বিলাতী সুগন্ধি “এচেঞ্চ” আৰু সুগন্ধিত চাবোন, “পম্প চু” জোতা, ৰেচমী মোজা, ছাগলীৰ ছালৰ কোমল হাত-মোজা, তামোলৰ লগত খাবলৈ ‘তাম্বুল বিহাৰ’, দেখুৱাই খাবলৈ কামেশ্বৰ মোদক, আৰু লুকাই খাবলৈ • • ইত্যাদি আনি সুখ কৰিব পাৰিব।” মোৰ কথা শুনি ককইদেৱা জঁপিয়াই উঠিল। তেওঁ কলে “ধইন ধইন, ৰবৰুৱা ডাঙৰীয়া ধইন। মই জানো, ৰবৰুৱা ডাঙৰীয়াৰ মূৰ সাৰুৱা। সুন্দৰ বুধি ওলাইছে। মোৰ ভায়াই কলিকতাৰপৰা উভতি আহোঁতে এইবোৰ “অগ্ৰিম” (in advance) কিনি লগত লৈ আহিবলৈ আজিয়েই চিঠি লেখি নিদিওঁ কিয়? তেনেহলে দেখোন কথা চমু চাপি আহে।” মই কলোঁ, “দিয়া দিয়া। আৰু এটা বস্তু আনিবলৈকো লেখি



দিয়া, আজিকালি ওলোৱা গানৰ কল এটা। ঘোষ বাবুৱে আনোৱা তেনেকুৱা কল এটাত সিদিনা মই বঢ়িয়া বঢ়িয়া বঙ্গলা গান গোটা-চেৰেক শুনিছিলোঁ, তাৰ তিনটা গান মই নৱৰোঁ মানে নেপাহৰোঁ; এটাৰ প্ৰথম ফাকি এতিয়াও মোৰ মনত আছে—“তুমি কাদেৰকুলেৰ বৌ?” আনটোৰ মূৰৰ ফাকি “অ আমাৰ সাধেৰ বকুল ফুল। দুপুৰ বেলা নাইতে গিয়ে হাৰালেম দুকুল॥” আৰু এটাৰ এফাকি –“দিদি লো আৰ একাদশী কৰব না।” তেনে এটা গানৰ কল ইয়াত উলিয়াই বজাই দিলে,জুলীয়া গুড়ত জাকে জাকে মাখি উৰি আহি পৰাদি মোৰ ওচৰত নৰ নাৰী উপচি পৰিবহি, চাই থাকিবা। এইবোৰ কিনি আনিবলৈ আৰু দুহেজাৰ টকা মোৰ এই টোপোলাৰপৰা তোমাৰ ভায়ালৈ মণিঅৰ্ডৰ কৰি আজিয়েই পঠিয়াই দিয়া।” তোমাৰ ককাইদেৱাই কলে ‘‘ৰবৰুৱা ডাঙৰীয়াৰ অনুগ্ৰহ। যেয়ে যিহকে কওক, এইটো নিশ্চয় যে ৰবৰুৱা ডাঙৰীয়াৰ নিচিনা বুদ্ধিমান লোক আমাৰ আসাম দেশত নাই,—আসামত নেলাগে, ভাৰতবৰ্ষতে নাই। ভাৰতবৰ্ষতে বা বুলিছোঁ কিয়? য়ুৰোপতো নাই। ৰবৰুৱা ডাঙৰীয়া ঐশ্বৰিক শক্তিৰ লোক।” এই কথা শুনি মই পৰম সন্তোষ পাই ককাইদেৱাক কলো—‘‘এ বোলোঁ হেৰা বৰ শৰ্ম্মণঃ বোপা! য়ুৰোপত আজিকালি ইমানকৈ যুদ্ধ লাগি মানুহবোৰ কটাকটিকৈ মৰি উপাস্ত হব লাগিছে, মোক তোমালোকে তালৈ পঠিয়াই দিব নোৱাৰা নে? মই যদি এবাৰ তালৈ যাব পাৰোঁ, মই জৰ্ম্মানীৰ সম্ৰাটক বুজাই হেঁচামাৰি ধৰি, তত্তালিকে যুদ্ধখন মিটাই দিব পাৰোঁ নহয়। যাম নে হে বোপা! কি বোলা?’’ ককাইদেৱাই কলে—“ডাঙৰীয়াৰ যেনেহে তীক্ষ্ণ বুদ্ধি, আৰু সাৰুৱা মূৰ, আৰু ঐশ্বৰিক শক্তি, ডাঙৰীয়াই সেই কাম অনায়াসে কৰিব পাৰে বুলি মই দৃঢ় বিশ্বাস কৰোঁ। মই ডাঙৰীয়াক খোচামোদ কৰি এইধাৰ কৈছোঁ বুলি ডাঙৰীয়াই নাভাবিব, মই ধৰ্ম্মতঃ বিশ্বাস কৰোঁ। আমাক ভাটীলৈ টানি লৈ যাবলৈ মোৰ ভায়াই নো কি আনে বাৰু আনক; ঠিক ডাঙৰীয়াক যুদ্ধখন মিটাই দিবলৈ য়ুৰোপলৈ পঠিয়াই দিম। পঠিয়াই দিমেই বা বুলিছোঁ কিয়, মইয়ো ডাঙৰীয়াৰ লগতে আছোঁ নহয়, মোক নো ডাঙৰীয়াই কত দলিয়াই পেলাই যাব? মোৰ চুৰিয়াৰ ঠোৰটো ডাঙৰীয়াৰ পোচ্চত গাঁঠি দি লবলৈ তো ডাঙৰীয়াই মোক

কৈয়ে থৈছে। ময়ো বিলাতলৈ এবাৰ যাব পাৰিলে বেৰিষ্টৰ হৈ আহিব পাৰোঁ। হাইকোৰ্টত সিংহ আৰু চক্ৰবৰ্ত্তী বাৰিষ্টৰে দেশৰ টকা লুটিব লাগিছে, মই আহি এবাৰ তেওঁলোকৰ সমুখ হৈ তাত থিয় হবৰ মোৰ মনটো আছে; এবাৰ চায়ে লওঁচোন তেতিয়া নো তেওঁলোকে কিমান টকা লুটিব পাৰে।" ডাঙৰীয়া, মই "ফিল্ড" (field) নাপালোঁ মোৰ বুদ্ধিবিস্তাৰ বল দেখুৱাবলৈ,—এয়ে বেজাৰ"! মই কলোঁ তুমি বেৰিষ্টৰ হৈ আহিলে মোৰ মানুহেই বা আন বেৰিষ্টৰক ফিজ দি "কন্‌চল্‌টেশ্যন" কৰিবলৈ যাব কিয়? আমাৰ ঘৰৰে এটা বেৰিষ্টৰ হাইকোৰ্টত হলে দিনো মই তিনি বুৰিকৈ ফৌজদাৰি মকৰ্দ্দমা কৰি সকলোকে জব্দ কৰি থাকিম নহয়। বোপা নিশ্চয় জানিবা, তোমাকো মই লগতে লৈ গৈ বেৰিষ্টৰ কৰি আনিমেই আনিম। সম্প্ৰতি কলিকতাৰ গানৰ কল নেপাইহিমানে আমাৰ দেশী গান বাজনাৰ কলকে যুগুত কৰি হাট বহুৱাই দিয়া হওক। আজিয়েই বাঁহৰ টকা এটা, পেঁপা এটা, ঢোল এটা, খুটিতাল তিনিখোৰ অনোঁৱা। গান বাজনাৰ হাট আজিয়েই বহুৱাই দিয়া কাৰ্য্যৰ আৰম্ভন হওক। টকা, পেঁপা, ঢোল, খুটিতাল বজোৱা মানুহ কেইটাক নতুনকৈ ৰঙা চোলা আৰু পটলুং একোটা পিন্ধাই দেখিবলৈ শুৱনি কৰি দিয়া হওক; সিহঁতৰ মূৰত পাহকটা চুলিৰে বৰ খোপা আছে যেতিয়া তাৰ ওপৰতে একোটা মখমলৰ টুপি (কেপ) দিলেই হব। সিহঁতৰ ভৰিত জোতা নালাগে; সিহঁতে নো মোৰ আগত জোতা পিন্ধিব কেনেকৈ?—আৰু হেৰিয়াৰ পো হেৰিহঁতে নো কোন পুৰুষত ভৰিত জোতা পিন্ধিছিল?" মোৰ কথা শুনি ককাদেৱাই মোৰ ভৰি দুটা সাবট মাৰি ধৰি গদ্গদ হল। মই সুধিলোঁ "ব্যাপাৰ কি বৰ শৰ্ম্মণঃ বোপা?" তেওঁ কলে "ডাঙৰীয়া সাক্ষাৎ বুদ্ধিৰ অৱতাৰ; নতুবা ইমানখোৰ অত্যাশ্চৰ্য্য বুদ্ধি এটা মূৰৰপৰা ওলোৱা অসম্ভৱ।" মই সন্তোষ পাই তোমাৰ ককাইদেৱাৰ মূৰত মোৰ হস্তপদ্ম বুলাই দিলেোঁ, তেওঁ ঠন ধৰি মূৰ দাঙিলে।

ইয়াৰ পিছত দেখিলোঁ, মোৰ সকলোবোৰ হল। কলিকতাৰ গানৰ কল আদি আহিল; ভৰা হাট বহিল; গাৰ্ডৰ মতা তিকতা লৰা ছোৱালীয়ে মোৰ ওচৰত গিজ্‌গিজাবলৈ ধৰিলে, আৰু সিহঁতে অনা বই-বস্ত্ৰ ৰূপ-বান-বোৰ কোঢ়োনাৰেহে চপাৰ পৰা হল; টকা-পেঁপাদলৰ (পাটি) গান



বাজনাই গোটেইখন জমজমাবলৈ ধৰিলে। মই মোৰ গানৰ কলটো পায়েই তাৰ নাম "মদন মোহন" দিলোঁ। মোৰ বস্তবোৰৰ নাম একোটা দিয়াটো মোৰ অভ্যাস তুমি জানায়েই। "মদনমোহন" আপুৰুগীয়া দেখি তাক বাজহুৱা নকৰি বাছকবনীয়াসকলৰ নিমিত্তে মোৰ ওচৰতে ৰাখি, তাৰপৰা তাৰ মোহন সুৰ এৰি দি তাৰে গোপ গোপিনী গৰু গাই ফন্দিয়াবলৈ ধৰিলোঁ; সি "কাদেৰ কুলেৰ বৌ" কৈ কুলবধূসকলক সুৰীয়া মাতেৰে মাতিবলৈ ধৰিলে, আৰু হাটলৈ অহা গোপিনীসকল উত্ৰাৱ হৈ—যাৰ যাৰ কোলত কেচুৱা আছিল কোনোৱে তাক মাটিত থেকেচ কৰে পেলাই, কেনোৱে তাক গিৰিয়েকৰ কোলাত দি, মোৰ ফালে লৰ ধৰিলে। লৰত কাৰো খোপা শুলকি তাত গুজি থোৱা ফণি আৰু কাকৈ সৰি পৰিল; যাৰ খোপাত মালতী ফুলৰ চাকি আছিল সিও সৰি পৰিল। লৰৰ তাপত কাৰো হাতৰ খাৰু শুলকি পৰিল, কাৰো কেৰু স্থানচ্যুত হল; কাৰো কাণৰ কঁৰীয়া চিটিকি কৰবাৰ্লৈ গল; কাৰো বিহাৰ আঁচল মাটিত চুচৰি আহিবলৈ ধৰিলে; কাৰো মুখৰ ঘামৰ বিন্দুবোৰেসৈতে কপালৰ সেন্দুৰৰ ফোট লগ লাগি মুখখনিহঁত বাঙল ফুলৰ খোপা একোটি যেন হল। মোৰ ওচৰত তেওঁলোক থুপ খাই থিয় হলত মোৰ যে কি সন্তোষটো হৈছিল, হে মোৰ প্ৰিয় প্ৰিয়দৰ্শন শৰ্ম্মণঃ! মই আৰু তোমাক সেই সন্তোষৰ সুখ বাক্যেৰে প্ৰকাশ কৰিব নোৱাৰোঁ, তুমি বুজি লোৱা। মই সেই ললনাকুলৰ মুখৰ ফালে চাই গ্ৰীৱা বঙ্কিম কৰি ঈষৎ হাস্য কৰি তেওঁলোকক মধুৰ বচনেৰে সাদৰি, কবীন্দ্ৰ ৰবীন্দ্ৰ ৰচিত বঙলা গান ধৰিলোঁ—

"আমি স্বপনে ৰয়েছি ভোৰ,
সখি, আমাৰে জাগাইও না, না।"

ইয়াৰ পাছত "মদনমোহনে" ভালকৈ ডিঙি মেলিলে। ললনাকুলৰ "মদন মোহন" পৰিদৰ্শনৰ আগ্ৰহ দেখি, বাছি বাছি "বাম, দুই, তিনি" কৈ তেওঁলোকৰ ভিতৰৰপৰা একো একোজনাক তাৰ ওচৰত স্থান দান কৰিলোঁ, সেইসকলৰ ব্ৰীড়াবিমণ্ডিত মুখৰপৰা সুমধুৰ কলধ্বনি মদনমোহনৰ তান লয়যুক্ত কলধ্বনিৰে মিলি এক স্বৰ্গীয় অমিয়া মাধুৰী বোৱাবলৈ ধৰিলে যাৰ বিষয়ে কবলৈ মোৰ বৰ্ণনাশক্তি অপাৰগ। শেহত তেওঁলোকৰ ভিতৰত এজনে মদনমোহনক হাতেৰে চুই পৰীক্ষা কৰিবৰ অভিলাষ কৰা দেখি তেওঁৰ আগলৈ মদনমোহনক আগবঢ়াই দি মই বলেৰে তাত সৰহকৈ "দম" দিবলৈ ধৰিলোঁ। তেওঁ মদনমোহনক তেওঁৰ বগা লুহুৰী হাতখনিৰে ধৰিলে। তেওঁ ধৰিলতে মই উছাহত কলটোত মোৰ সমস্ত বল প্ৰয়োক কৰি আৰু সৰহকৈ দম দিবলৈ ধৰিলোঁ, মোৰ হাত ৰেলগাড়ীৰ চকৰি ঘূৰাদি ঘূৰিবলৈ

ধৰিলে, সি নৰয় হে নৰয়। ফলত মদনমোহনৰ দম্-কল ভাগি মদনমোহন একেচাৰেই নিমাত হল, আৰু মোৰ হাতত বিষ হল!

প্ৰিয়দৰ্শনে কলে "বাতি একতীয়াকৈ শোওঁতে টান পাইছিল হবলা, সেইদেখি আপোনাৰ হাতত বিষ হৈছে।" মই কলোঁ সম্ভৱ সেইটোৱেই হে; তাতে এই উদ্ভট সমাজিকে এইখন নিজৰ মায়াজাল ৰচনা কৰিলে। ক্ৰবলৈ পাহৰিছোঁ, সামাজিকতে মই তোমাক সুধিছিলোঁ—"মোক ভাটীলৈ টানি নিবলৈ স্তৰ সিংহ আৰু স্তৰ ঘোষে এইবাৰ কি পৰামৰ্শ দিলে?" তুমি কলা তেওঁলোকে আকৌ তিনি হেজাৰ টকা ফিচ লৈ কলে,—"ডাঙৰীয়া যতে আছে, ততে থাওক।" সেইবাবেই হবলা মই ৰাতি যিখন শোৱা-পাটীতে শুই আছিলোঁ, পুৱাও তাতে মোক পালোঁ। মই কেনে বাধা লবা দেখিলা?

প্ৰিয়দৰ্শন। দেখিলোঁ।

ৰবৰকৰা। দেখিলা যদি উঠাঁ এতিয়া। ক্ৰুপাবৰ।

---

## বাট-চৰা।

ইংলণ্ডৰ বিখ্যাত novelist উপন্যাস গ্ৰন্থ ৰচয়িত্ৰী মাৰী কৰেলীয়ে বাইৰণৰ (Byron) বিষয়ে সম্প্ৰতি এটা বক্তৃতাত কোৱা কথাৰপৰা মাজে মাজে খাৰীচেৰেক তলত টুকি দিলোঁ।—"Lord Byron, who from his first appearance in the field of literary effort was made a target for the arrows of the envious, and an object for the slanders of malignant persons who, as far as intellect and ability are concerned, were not worthy to tie his shoe. • • I consider that a man's "work" is a man's true self. It is by the work which he gives to the world, and by the work which he leaves with the world that he should alone be judged • • His gifts were so remarkable and his personality so magnetic that all the lesser men of literature were jealous of him in his own day—they are jealous still! They cannot abide his dazzling supremacy. They would like to smother his very memory if they could! When they are compelled to mention him, they use a 'high and mighty" tone of condescension, not to say superciliousness, hinting that "after all" Byron was a very inferior poet, and that they themselves could do as well, if not better. But they offer no proof of this assertion." ইয়াৰ অসমীয়া ভাঙনি নিদিওঁ, কাৰণ আজিকালি ইংৰাজী শিক্ষিত সকলনৈহে এই কেইষাৰ কথা লাগতিয়াল।

• • •



কি বেজাইৰ কথা যে আজিকালি অসমীয়া তিৰুতাবোৰে লাহে লাহে তেওঁলোকৰ জাতীয় সুন্দৰ সাজ বিহা মেখেলা এৰি বিজাতীয় শাৰী পিন্ধিবলৈ ধৰিছে। কিয়, কেনেকৈ, আৰু কোনে যে এই অজাতৰীয়া শাৰীখনত তেওঁলোকৰ মৰম সুমাই দিলে, ভাবি নাপাওঁ। নিশ্চয় তেওঁলোকে ভাবে আৰু তেওঁলোকৰ স্বামী, পিতৃ, প্ৰভৃতি অভিভাবকসকলে ভাবে, যে শাৰীখন দেখিবলৈ ধুনীয়া; আৰু সি নানা বৰণীয়া হব পাৰে, তাত নানা বৰণৰ খেল থাকিব পাৰে, তাক পিন্ধিলে বঙ্গালী শিক্ষিতা ভদ্ৰ মহিলাৰ নিচিনা দেখি; ইত্যাদি, ইত্যাদি; আৰু অসমীয়া বিহা মেখেলা সেইবোৰ গুণ-বিবৰ্জ্জিত। কি ভ্ৰম! কি অজাতৰীয়া ভাব! আগৰ পুৰণি গঢ়ৰ বিহা মেখেলাই যদি তেওঁলোকৰ সৌন্দৰ্য্যজ্ঞানক নাটে, তেন্তে সেই বিহা মেখেলাত (Silk) ৰেচমৰ বা গুণাৰ কাম কৰি তাত গুণাৰ বা ৰেচমৰ ফুল বাছি, পাৰি দি, তেওঁলোকে নিজৰ মনৰ নিচিনাকৈ উন্নত কৰি নলয় কিয়? লোকৰ ফটাকানি বুটলি পিন্ধি যে তেওঁলোকে নিজক শুৱনী কৰিবলৈ যায়, নিজৰ ধনকে উন্নত কৰি নলয় কিয়? সুন্দৰকৈ পাটৰ বা মুগাৰ বিহা মেখেলা দেখোন বৈ লব পাৰি, আৰু তেনেকৈ বোৱা বিহা মেখেলা পিন্ধি দেখোন তেওঁলোক দেবীমূৰ্ত্তি লক্ষ্মী সৰস্বতীৰ নিচিনা শুৱনী হব পাৰে। বঙ্গালী "বিলাত ফেৰৎ" শিক্ষিতা ভদ্ৰমহিলাইও দেখোন ইংৰাজৰ ঘূৰী, গাউন, নিপিন্ধি নিজৰ আগৰ দুৰ্দ্দশাগ্ৰস্ত শাৰীকে সুদশাগ্ৰস্ত সুদৰ্শন কৰি পিন্ধি, আন কি, কলিকতাত গৱৰ্ণৰৰ দৰবাৰলৈকে যাব লাগিছে। আমাৰ আই বাই ভনীসকলে নো পৰৰ ঠাই-সৰা শাৰীখন ইমানকৈ বুটলি ফুৰে কিয়? তেওঁলোকৰ আত্মসম্মান জ্ঞান ইমান কম নে? কত ইংৰাজ ভদ্ৰলোকক আমি কোৱা শুনিছোঁ, শাৰীতকৈ আমাৰ বিহা মেখেলা শতগুণে ভাল বুলি। আমি মতাবোৰে ইংৰাজৰ অধইচ নকল কোট পেণ্ট হেট পিন্ধি চুণাগলিৰ এধাকেচেলুৱা ফিৰিঙ্গি চাহাবৰ ভাও দি তো দিনে ৰাতিয়ে হাস্যাস্পদ হবই লাগিছোঁইক, কিন্তু আমাৰ গৃহলক্ষ্মীসকল, যাৰ ধৰ্ম্মভাব, কৰ্ম্মভাব, পূণ্যভাব, স্থৈৰ্য্যভাব, ধৈৰ্য্যভাবৰ ওপৰত তিষ্ঠি আমি আজিও একেবাৰেই জাতীয়তা ধ্বংসৰপৰা ৰক্ষা পৰি আছোঁ, তেওঁলোকেও যদি আমাৰ নিচিনাকৈয়ে জাতীয়তা আৰু মনুষ্যত্বৰ খোপনি এৰি দিয়ে, তেন্তে

আৰু আমাৰ নিৰ্ব্বান অনিবাৰ্য্য। লোকৰ অনাৱশ্যক নকলত যে নিজৰ হীনাৱস্থা প্ৰকাশ পায়, আৰু যাৰ নকল কৰোঁ তাৰ কৃপাৰ পাত্ৰ হওঁইক, এইটো আমি নুবুজোঁ কিয় ? ভাৰতবৰ্ষৰ আন আন শ্ৰেষ্ঠ জাতি. যেনে মহাৰাষ্ট্ৰী, পঞ্জাবী, মাদ্ৰাজী পুৰুষসকলৰ কোনো কোনো পৰৰ সাজপাৰৰ অনুকৰণপ্ৰিয় হলেও তেওঁলোকৰ তিৰুতাবোৰে কিন্তু কেতিয়াও নিজৰ জাতীয় সাজ নেৰে। আমাৰ তিৰুতাসকলৰ নো এনে বিকৃত ভাব কিয় হৈছে ? কোনোৱে কয়, শাৰী সস্তা, মুগাৰ বা পাটৰ ৰিহা মেখেলা মৰগ, সেইদেখি তেওঁলোকে শাৰীত ধৰিছে। কিন্তু সস্তাৰ যে দুৰৱস্থা আছে, সেইটো তেওঁলোকৰ চকুত নপৰে নে ? এজোৰ ৰিহা মেখেলা যিমান দিন যাব, সেইভোখৰ কালত পাঁচখন কপাহী শাৰী যে ফাটিব সেইটো তেওঁলোকে নাভাৱে কিয় ? মুৰকত হিচাপ কৰিলে লাভ কিহঁত বয় তেওঁলোকে নাচায় কিয় ? আগৰ অসমীয়া তিৰুতাই নো ৰিহা মেখেলাৰ জোৰা মাৰিছিল কেনেকৈ ? নিজহাতে বৈ নলৈছিল নে ? এতিয়া নো অসমীয়ানীহঁতে খোদৰ-পচলা হৈ নাপাকি সেইদৰে বৈ নলয় কিয় ? নিজে ৰিহা মেখেলা বৈ লৈ নিজৰ দেশৰ ধন নিজৰ দেশতে ৰখা আৰু নিজৰ আত্মসম্মান নিজৰ গাতে ৰখা ভাল কথা নহয় নে ?

* * *

আজিকালিৰ অসমীয়ানীবোৰে বঙ্গালী তিকতা আৰু মেমৰ আহি লৈ উলৰ মোজা আৰু "গলাবন্ধ" আদি গুথি নিজক accomplished শিপিনী আৰু শিক্ষিতা বোলাবলৈ যায়। নিজৰ তাঁত-সূত এৰি এই অসাৰ্থক কাম কৰি তেওঁলোক যে অসাৰ্থক হৈ পৰিছে তেওঁলোকে নাভাৱে কেলৈ ? ৰিহা, মেখেলা, গামোছা, চুৰিয়া, চেলেং, আৰু বৰকাপোৰে তেওঁলোকৰ যি উপকাৰ কৰিব, উলৰ এই ফপহটাবোৰে কেনে কৰিব নে ? চকু মুদি লোকৰ দেশৰ আহি লৈ অপদাৰ্থ হবৰ সকাম কি ? বঙ্গালীয়ে আগেয়ে আসামত ভাল মানুহৰ ঘৰত তাঁত দেখি হাঁহিছিল, তাৰ পিছত তেওঁলোকে ঠেলা পাই তাঁতৰ মোল বুজি, আৰু সেইটো যে তিৰুতাৰ পক্ষে আৱশ্যকীয় শ্ৰেষ্ঠ accomplishment সেইটোৰ জ্ঞান লভি, এতিয়া নিজৰ দেশৰ তিৰুতাকো সেই শিক্ষা সেই বিদ্যা দিবলৈ হাম বাও কাঢ়ি ফুৰিছে, অথচ আমাৰ অসমীয়ানীসকলে তেওঁলোকৰ হাতত থকা এনে এটা গুণ ভৰিৰে ঠেলি দলিয়াই



পেলাইয়াছে ! কি বিপৰীত কাল ! মুকুতা দলিয়াই পেলাই শোকোতা সামৰা আৰু কাক বোলে ? আসামৰ ওপৰত "খোদাৰ গজপ" দেখিছোঁ।

* * *

তেওঁ সৰু অমুক ডাঙৰ, তুমি সৰু মই ডাঙৰ, এনে কথা এনে ভাব সকলোৰে মুখতে ;—বিশেষকৈ আমাৰ আসামত বেছি। কিন্তু তেওঁ কি কৰিলে আৰু কৰিছে, অমুকে কি কৰি গল আৰু তমুকে কি কৰি যাব নোৱাৰিলে, তুমি কি কৰিলা, মই কি কৰিব নোৱাৰিলোঁ বা পৰা নাই, সেইটোহে যে ডাঙৰ সৰুৰ জোখ সেইটো আমি পাহৰোঁ। আমাৰ দেশত প্ৰকৃত ডাঙৰ মানুহৰ লেখ ইমান কম যে আমি এটা জাতি বুলি চিনাকী দিবলৈকে লাজ লগা হয়। কিন্তু আমাৰ কি দুৰ্ব্বাসনা যে যি এজন দুজন প্ৰকৃত ডাঙৰ মানুহ আছিল, যাৰ নাম লৈ আমি নিজক গৌৰৱান্বিত কৰি নিজেও উন্নতি কৰিব পাৰোঁ, সেই মানুহবো মহত্বৰ সন্মান কৰিব যে নাজানোৱেই. প্ৰাণপণে সেই সকলকো সৰু কৰিবলৈ যত্ন কৰোঁ। আমাৰ কি শোচনীয় অৱস্থা ! আমাৰ ভিতৰৰ কিছুমানে শঙ্কৰদেৱ মাধৱদেৱক সৰু কৰিব পাৰিলে নিজৰ মুৰ কেইটা কাটি জুইত ঘিউৰে আহুতি দিবলৈকো সাজু। শঙ্কৰদেৱ মাধৱদেৱক সৰু কৰি তেওঁলোকৰ ধনী মেধী মণি বায়নক ডাঙৰ কৰিব পাৰিলেই তেওঁলোকৰ জীৱনৰ কাৰ্য্য হৈ গল বুলি তেওঁলোকে ভাৱে। কিন্তু শঙ্কৰ মাধৱে তেওঁলোকৰ জীৱনত কি কি কাৰ্য্য কৰি গল, আমালৈ কি কি থৈ গল, আৰু ধনী মেধি মণি বায়নেই বা কি কৰি গল, কি থৈ গল, বা কৰিব লাগিছে, এইটো তেওঁলোকৰ দেখিবৰ ক্ষমতা নাই ; তেওঁলোকে দেখিও নেদেখে, অথচ তেওঁলোকক কণা বুলিলেও জগৰ ! অলপতে আমি আসামৰ ভদ্ৰলোক একজনৰপৰা চিঠি এখন পাইছিলোঁ ; তাত তেওঁ লেখিছে, তেওঁ এজন সত্ৰাধিকাৰে সৈতে হেনো সাক্ষাত কৰিবলৈ গৈ শঙ্কৰদেৱৰ জীৱন-চৰিত্ৰ থকা কিতাপ এখন সেই গোসাঁইজনক উপহাৰ দিছিল। সেই কিতাপখন পাই সেই গোসাঁইজনে হেনো ঘৃতাহুতি হৈ নানা প্ৰলাপ বকিবলৈ ধৰিলে। সেই প্ৰলাপ বাক্যৰ অঘঙ্গবোৰ আমি বাদ দিও তাত এই কেইষাৰ পাইছিলোঁ ;—"শঙ্কৰে কি নতুন ধৰ্ম্ম বাহিৰ কৰিছে ?" "শঙ্কৰে কি পুথি লেখিছে ? শঙ্কৰে পুৰণি পুথি

চাই মাতৃভাষাত দুই চাৰিখন পুথি ৰচনা কৰিছে মাথোন।” “কলিত শঙ্কৰৰ নাম লৈ মানুহ নৰকত হে পৰিছে।” “যি বামুণে শঙ্কৰৰ মত লব সি নৰকৰ কীট হব।” এইবোৰ প্ৰলাপৰ উত্তৰ দিবলৈ আমাৰ কৃপাৰৰ ৰবৰকুৱাক লাগে, আমি অক্ষম। ৰবৰকুৱা হোৱাহেঁতেন তেওঁ তেওঁক কলে-হেঁতেন কি জানি যে ( ১ ) “ধৰ্ম্মৰ গাদিত বহি কোনো কোনো মহন্তই যিটি নতুন ধৰ্ম্ম উলিয়াছে যথা—“খাওঁ, পিওঁ, মজা উৰাওঁ”, এই নতুন ধৰ্ম্ম শঙ্কৰৰ মগজুৰে উলিয়াব পৰা নাছিল, আপোনালোকে উলিয়ালে, এতেকে আপোনালোক শঙ্কৰতকৈ ডাঙৰ।” ( ২ ) শঙ্কৰে পুৰণি পুথি চাই দুখন-চাৰিখন যি ফপহটা পুথি লিখিছিল, সেইকেইখন আইন মতে এতিয়া তামাদি হৈ গল। আপুনি বা আপোনাৰ শালপতিয়েকে যি কেইখন পুথি আজিকালিৰ নতুন শাস্ত্ৰ চাই ৰচিছে ( যদিও সেইকেইখন মনুষ্যলোকত এতিয়ালৈকে প্ৰকাশিত হোৱা নাই ) আৰু আগলৈ ৰচিব, সেইকেইখনৰ আশাত আমি আপ্লুত হৈ আপোনাসকলৰ ওচৰত চিৰবাধিত থাকিলোঁ, আৰু সেইবাবে আপোনাসকলক ৰবৰকুৱাই শঙ্কৰতকৈ শ্ৰেষ্ঠ আসন দান কৰিলে, এইটো থাতাং কথা।” (৩) কলিত শঙ্কৰৰ নাম লৈ যিবোৰ মানুহ নৰকত পৰি আছে, সেইবোৰক নৰকৰ কুণ্ডৰপৰা তুলি আনিবলৈ আপোনাৰ আৰু আপোনাৰ শালপতিয়েকৰ ফালে সেইবোৰে চাই আছে; নিশ্চয় ‘খোদ’ আপোনালোকে অলৈ গৈ সিহঁতক টানি তুলি আনি দুৱাই-পখলাই উদ্ধাৰ কৰক, নহলে আপোনালোকৰ দয়ালু নামত কলঙ্ক পৰিব; আৰু আপোনা-লোকৰ বাহিৰে সেইকাৰ্য্য কৰিবৰ কাৰো অধিকাৰো নাই শকতিও নাই, তেনে কৰিবলৈ তালৈ আন যাবইবা কেনেকৈ ? আপোনাসকলৰ হাতত হে নিশ্চয় তালৈ যাবলৈ “পাচৰ” অধিকাৰ আছে। আৰু এইবাৰ সেইমানুহ-বোৰক আপোনালেকে কৃপা কৰি ক্ষমা কৰি তুলি দুৱাই-পখলাই আনিলে, ৰবৰকুৱাই গাত লৈছে যে তেওঁ আৰু সিহঁতক শঙ্কৰৰ নাম নলৈ আপোনাৰ আৰু আপোনাৰ শালপাতিয়েকৰ নাম লৈ ভৱ-পাৰাবাৰ তৰিবলৈ শিকাই দিব—যথা ; “পাপীহঁত! বোল প্ৰভু শ্ৰীশ্ৰীভোবোলচন্দ্ৰ শৰ্ম্মা অধিকাৰ! বোল জগন্নাথ শ্ৰীশ্ৰীগেবেলা শৰ্ম্মা গোস্বামী অধিকাৰ! আৰু বুলি ভৱ-সংসাৰ তৰ পাপীহঁত !”

কথাচহকী সাজতোলা।